(d) What was the total allotment of funds to this Direactorate in the year 1967-68 and 1968-69 ?

Shri JOY BHADRA HAGJER, (Minister, Education) replied :

5. (a)—Yes.

(b)—The function of the Director of Sports are the following—

(1) Organising school and colleges Sports ; (2) Arranging coaching in major games in the State (3) Implementation of Physical Education (4) Organising of suitable activities for non-student youth through clubs and associations.

(c)—It is a salaried post. The present Director is appointed for five years on contract basis on a fixed pay of Rs. 1,200 p.m. inclusive of all allowances.

(d)—During 1967-68 Rs. 35,000, During 1968-69 Rs. 77,000.

Shri Lakshyadhar Choudhury : In reply to (c) it is stated "The present Director is appointed for five years on contract basis on a fixed pay of Rs. 1,200/- p.m. inclusive of all allowances." May I know when this contract was made ?

Shri Joy Bhadra Hagjer : February, 1965.

Shri Lakshyadhar Choudhury : Is if a fact that almost the entire amount sanctioned for this Directorate is eaten up by the Director's establishment and not spent for development of sports ?

**Shri Joy Bhadra Hagjer** : Nearly half of it is eaten up.

**Shri Lakshyadhar Choudhury** :The fund allotted to this Directorate was Rs. 35,000 in 1967-68 and Rs. 77,000 in 1968-69 and so far my information goes about Rs. 45,000 is eaten up by the Directorate.

**Shri Debeswar Sarmah** : Broadly speaking what is the break-up ?

**Shri Joy Bhadra Hagjer** : The exact figure I cannot give but there is no other expenditure except the Director's pay and allowances and other contingencies. The staff is being lent from the D.P.I's office and there is no expenditure on this account.

### Re : Hostel buildings of Cotton College

**M. SHAMSUL HUDA** asked :

6. Will the Minister, Education be pleased to state—

(a) What is the total number of the Hostel buildings of Cotton College, Gauhati ?

(b) What is the total floor area of the Hostels ?

(c) Whether it is a fact that all these buildings require reconstruction ?

(d) If so, the steps taken by the Government for reconstruction of these buildings

**Shri Joy Bhadra Hagjer** : (Minister, Education) replied :

6. (a)—16(Sixteen).

(b)—52,720 Square feet (Approximately).

(c)—No. However some of them require reconstruetion.

(d)—There is a proposal to contruct composite blocks of hostels with accommodation capacity of 300 male students during the 4th Plan.

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

**Mr. Speaker** : Here is a report of the Business Advisory Committee held on 21st February, 1969 in the Speaker's Chamber.

On a request being made by some of the hon. Members on the 20th February, 1969 in writing and in the House, to declare Thursday, the 27th February and also Wednesday, the 5th March, 1969 as recess days, so that hon. Members might go to their respective headquarters to take part in the two religious festivals-one on the 28th February and the other on the 4th March, 1969. I assured in the House to refer this matter to the Business Advisory Committee. Accordingly I called a meeting of the Business Advisory Committee yesterday at 11.35 A.M.

The Business Advisory Committee discussed the question of declaring Thursday, the 27th February and Wednesday, the 5th March, as recess days and found it difficult to adjust with the programme. But having regard to the fact that quite a large number of members were requesting for the same, the Committee agreed that Thursday, the 27th February and Wednesday, the 5th March, 1969 be treated as recess days. The business of 27th February, 1969 will be taken up on Thursday, the 10th April, 1969 extending the House by a day and that of 5th March, 1969 will be taken up on Saturday, the 8th March, 1969 which was originally a recess day. The Calendar for the meetings of the current Session will be corrected and circulated to all hon. Members accordingly. The Committee also unanimously decided that henceforward except the Government and statutory holidays no other holidays would be observed by the Assembly.

I think this has the approval of the House.

**Shri Dulal Chandra Barua :** May I make an observation in regard to the business of the Assembly. Sir, I have seen that during the last 8 years of may experience here in this House that we have been following certain unhealthy procedents. The purpose of our meeting here is meant for business. But we have seen that even the Session of the Assembly which was summoned by the Governor to meet in December last has been cancelled on a very flimsy grand which has already created a very bad precedent. Though I have no objection to the holidays recommended by the Business Advisory Committee to the hon. Members, but this sort of precedent should be discouraged. And we will have the maximum number of recess

days i.e. from 1st to 5th March. I donot understand why more days are being recommended for the same. We should know that we are spending Public money every day. Therefore, I request you to kindly see that such adjustments should be made well ahead of time in future and not in this manner at the cost of public money.

## Re. LANGUAGE OF THEE PROCEDINGS OF THE HOUSE.

**Shri Kamini Mohan Sarmah**—মাননীয় অধ্যক্ষ মহোদয়, মই এইটো বিচাৰিছো যে আপুনি যি খিনি ঘোষণা কৰিছে সেইটো ইংৰাজীত ঘোষণা কৰাৰ লগে লগে মই আশা কৰো এই পবিত্ৰ সদনত স্বীকৃত ৰাজ্যিক ভাষা অসমীয়া ভাষা৲ মাতৃ ভাষাৰ মৰ্য্যদা ৰাখি অসমীয়াতেও ঘোষণা কৰিব। নহলে মোৰ ইংৰাজী-ভাষা বুজিবলৈ অসুবিধা হয়। গতিকে ইংৰাজীৰ ঘোষণা খিনি অসমীয়া-তেও কৰিবলৈ মই অনুৰোধ কৰিলো।

**Shri Jagannath Singh** : মাননীয় অধ্যক্ষ মহোদয়। সভী অপনে জো কুছ কহা থা, বহু মেৰী সমজ মে নহী আতি হ্যায় কিঁউ কি মে অসমীয়া ভাষা নহী সমঝতা, হমাৰে সদন মে অ'ৰ দো ভাষায়ে বঙালী ঔৰ হিন্দী স্বীকৃত হ্যায়। আপসে মেৰা দৰস্তাত হ্যায় কি হিন্দী ঔৰ বঙালী ভাষা মে ভী মেহেৰবানী কৰকে আপকি বাতোঁকা অনুবাদ কৰদে তা কি হম সব সমঝ সেকে।

**Bhubaneswar Barman**—অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যিক ভাষা যি-হেতু অসমীয়া, আৰু ১৯৬৭ চনৰ বাজেট অধিবেশনত যেতিয়া অধ্যক্ষ মহো-দয়ৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল যে আমাৰ সদনৰ কাৰ্য্য ৰাজ্যিক ভাষাতে চলিব লাগে আৰু তেতিয়া অধ্যক্ষ মহোদয়ে এই সদনত আশ্বাস দিছিল যে আমাৰ অসুবিধা দূৰ কৰিবলৈ চেষ্টা কৰিব। ৰাজ্যিক ভাষাত কাৰ্য্য চলিব যি প্ৰস্তাৱ দিছিল সেই প্ৰস্তাৱ সমৰ্থন কৰিছিল আৰু আমাক আশ্বাসো দিছিল। গতিকে ইয়াত মাতৃভাষাৰ কথা উঠা নাই কেৱল তেখেতে যি আশ্বাস দিছিল সেই আশ্বাস টো কাৰ্য্যকৰী কৰিব লাগে।

**Mr. Speaker**—এইটো আজিও হৈছে। অসমীয়ালৈ গভৰ্ণৰৰ Address ও নিছো। তাৰ বাহিৰেও Question বিলাক অসমীয়াতে কিমান দূৰ পৰা যায় আমি Introduce কৰিবলৈ চেষ্টা কৰিছো। আৰু এই বিষয়ে আমাৰ লক্ষ্য ঠিক থাকিব। ৰাজ্যিক ভাষা সকলো পৰ্য্যায়তে প্ৰবৰ্ত্তন কৰিবলৈ চেষ্টা কৰা হব।

**Sri Kamini Mohan Sarmah**—মাননীয় অধ্যক্ষ মহোদয়, মই আগৰ ঘোষণা বুজিব নোৱাৰিলো এইখন অসম ৰাজ্য, মোৰ এই অসমতেই জন্ম। অসমৰ ৰাজ্যিক ভাষা অসমীয়া। এই ভাষা মোৰ মাতৃ ভাষা। মই ইংৰাজী ভালদৰে নাজানো গতিকে অসমীয়া ভাষাত নকলে মই বুজি নাপাওঁ। গতিকে মোক বুজাৰ সুযোগ দিব লাগে। আপুনি যি ঘোষণা ইংৰাজীতে দিছে সেইটো আকৌ অসমীয়াতেও দিব লাগে।

**Shri Jagannath Singh** : माननीय অধ্যক্ষ মহোদয়। আপ জো তকৰীৰ অংগ্রেজী ভাষামে কৰ ৰহে থে ওসকে মুতল্লিক যহ মাংগ হো ৰহী থি কি ওসকা তর্জুমা অসমীয়া ভাষামে হো। জিসসে অংগ্রেজী ন জাননেৱালে সদস্য ওসে সমঝ সকে। লেকিন সদন কে বহুত সে সদস্য এসে হী জো অসমীয়া ভাষা নহী সমঝতে। মে যহী কহ ৰহা থা কি আপকী তকৰীৰকা হিন্দী ঔৰ বঙ্গালী ভাষা মে তর্জুমা হোনা কি অসমীয়া ভাষা কা জাননেৱালী সদস্য ভি উচে সমঝ চকে। কিয়ো কি হিন্দী ঔৰ বঙ্গালী ভাষা কো সদন মে recognise কিয়া হায়।

**Shri Rahimuddin** : আপসে যহ ভাব কিও ? আপ অংগ্রেজী জানতে হেই।

**Shri Jagannath Singh** : উচ দিন ৰাজ্যপাল মহোদয় কি জো Speech হো ৰহি থি তব কি মৈনে কহা থা কি ইস Speech কা অনুবাদ হিন্দী ঔৰ বঙ্গালী ভাষা মে হো। ইস মে কিসি কি বেইজ্জাতি য়া অপমান কৰণে কা মেৰা মতলব নহী থা। মে ইতনি গিৰা হুৱা নহী হু, ইতনা নিতচ নহী হু, কি কিসি কি ভাষা কা অপমান কৰো। সংবিধান নে ইস সদন মে হমে এক দিয়া হায়। ইসিকো মে চাহতা হুঁ ; ঔৰ ইছিলিয়ে হিন্দী মে অনুবাদ চাহতা হুঁ।

ইসসে জ্যাদা মুঝে কুছ নহী কহনা হায়।

**Shri Dulal Chandra Barua**—Sir, may I submit that there are certain hon. Members who cannot follow English properly and these grievances from the hon. Members were brought to your notice on several occasions. Here, when the hon. Member is seeking clarification regarding the list of business of the House from your end, he has got every right to do so. I fail to understand why the hon. Member from the other side used to behave in this way with insulting language on the

hon. Member who is asking for clarification from you. We cannot tolerate it. Honble member Mr. Jagannath Sinha has been repeating his unmannerly behaviour on various occassions in this House. We want your protection in this regard. There are really members who may not follow English and everybody has every right to ask for slarification. But why should the hon. Member refuse it in the insulting manner—and we want to protest against it very strongly (Voice from Opposition-Shame, Shame !)

( A voice—অসমত অসমীয়া ভাষাৰ মৰ্য্যদা ৰাখিব লাগে )

( A voice—বিচাৰ লাগে, বিচাৰ লাগে )

( A voice—ইয়াৰ এটা উচিত বিচাৰ লাগে )

**Lakshyadhar Choudhury**— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই সদনত কেইজনমান সদস্যই অসমীয়াতে যি ঘোষণা বিছাৰিছিল, সেইটো ৰাজ্যিক ভাষাৰ সম্মাণাৰ্থে আৰু ইংৰাজী নুবুজাৰ কাৰণেহে বিচাৰিছিল। কিন্তু আন এজন সদস্যই এই সম্মানিত সদনত আমাৰ ৰাজ্যিক তথা মাতৃ ভাষাক যি অৱমাননা কৰিছে, তাক আমি কেতিয়াও সহ্য কৰিব নোৱাৰো। সেই কাৰণে আপোনাৰ পৰা আমাক এটা উচিত বিছাৰ লাগে যাতে অসমীয়া ৰাজ্যিক ভাষাৰ অৱমাননা কৰা নহয়। মাননীয় সদস্য শ্ৰীজগন্নাথ সিংহে এতিয়া লৈকে ইংৰাজীতে বেছিকৈ বক্তৃতা দিয়া লক্ষ্য কৰিছো কাজেই তেখেতে ইংৰাজী নুবুজাৰ কাৰণ নাই। এই ফালৰ সদস্যই ইংৰাজী নুবুজাৰ কাৰণেই ৰাজ্যিক ভাষা অসমীয়াত ঘোষণা হব লাগে বুলি কৈছিল। সেই কাৰণে অধ্যক্ষ মহোদয়ে ৰাজ্যিক ভাষাৰ প্ৰতি কৰা অবমাননাতৰ এটি সুবিছাৰ আপুনি নকৰিলে মই মোৰ বন্ধু সকলোৰে সৈতে সদন ত্যাগ কৰিবলৈ বাধ্য হম।

**Shamshul Huda**—মাননীয় অধ্যক্ষ মহোদয়। মাননীয় সদস্য শ্ৰীজগন্নাথ সিংহে নিজে ইংৰাজীও কয়। কিন্তু শ্ৰীযুত কামিণী শৰ্ম্মাই ইংৰাজী বুজিব নোৱাৰাৰ কাৰণেই ঘোষণাটো ইংৰাজীৰ লগতে অসমীয়াত বিছাৰিছিল। কিন্তু দুখৰ কথা শ্ৰীশৰ্ম্মাৰ অনুৰোধৰ ওপৰত শ্ৰীসিংহে এনেকথা কৈ ৰাজ্যিক ভাষাক অপমান কৰিছে। Past record চালে শ্ৰীজগন্নাথ সিংহে ইংৰাজী ভাষাতে বক্তৃতা দিয়া দেখা যায়। সেই-

কাৰণে তেখেতে ইংৰাজীয়েই বুজি পায়। তেখেতৰ কাৰণে বঙ্গালী অনুবাদৰ কোনো প্ৰয়োজন নাই। যদি কোনো সদস্যই ইংৰাজী নুবুজাৰ কাৰণে বঙ্গালী বা অন্য ভাৰতীয় ভাষাত বিছাৰিলে হেঁতেন তেতিয়াহলে আমি তাক সাদৰেৰে সমৰ্থন কৰিলোহেঁতেন। কিন্তু শ্ৰীজগন্নাথ সিংঙে অসমীয়া ভাষাৰ প্ৰতি কৰা অৱমানণা আমি সহ্য কৰিব নোৱাৰো। সেই কাৰণে অধ্যক্ষ ডাঙৰীয়াই ইয়াৰ এটা সুবিছাৰ কৰিব বুলি দৃষ্টি আকৰ্ষণ কৰিলো। আশাকৰো এই বিছাৰৰ পাচতহে সদনৰ বাকী কামত আগবাঢ়িব।

**Sri Dulal Chandra Barua**—যদি কোনোবাই কিবা বুজি নাপায় তেতিয়াহলে অধ্যক্ষ মহোদয়ক জনাব পাৰে। মাননীয় সদস্য শ্ৰীজগন্নাথ সিংঙে যদি ইংৰাজী নুবুজে আৰু অন্য ভাষাত বিচাৰে তেন্তে তাত যুক্তি আছে। সেইদৰে ইংৰাজী নজনা সদস্যই নিজৰ মাতৃভাষাত ঘোষণা বিচাৰিলে এনেকৈ অপমান কৰিবলৈ কাৰো অধিকাৰ নাই মাননীয় সদস্য শ্ৰীকামিনী শৰ্মাই ইংৰাজী নুবুজাৰ কাৰণে অসমীয়াত বিচাৰিছিল আৰু তেখেতক এনেকৈ অপমান কৰাৰ কথাটো অকল তেখেতৰেই নহয় অসমীয়া ভাষা আৰু এই সদনৰেই অপমান জনক হৈছে। গতিকে মই মাননীয় অধ্যক্ষৰ পৰা ইয়াৰ বিচাৰ দাবী কৰো আৰু ইয়াৰ বিচাৰ নহলে আমি সদন ত্যাগ কৰিম।

**Sri Mahendra Mohan Choudhury**—(Minister Parliamentary Affairs) মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো প্ৰশ্নৰ অৱতাৰণা হৈছে সেইটো প্ৰকৃততে বৰ delicate প্ৰশ্ন। অসম বিধান সভাৰ নিয়মাৱলীমতে আজি বহু দিনৰে পৰা অসমীয়া, বঙ্গালী হিন্দী, আৰু ইংৰাজীত কাৰ্য্যবিৱৰণী প্ৰচলিত হৈ আছে। কিন্তু এনে হৈ থকা স্বত্বেও কোনো কোনো সময়ত এই গৃহীত ভাষাসমূহত কথা কোৱাতও অসুবিধা হয়। আজি অৱশ্যে আমাৰ মাজত বেছি সংখ্যক পাহাৰুৱা সদস্য উপস্থিত নাই। কিন্তু তেওঁলোকে যেতিয়া উপস্থিত থাকে তেতিয়া অসমীয়া ভাষাত কথা কলে তেওঁলোকে বুজি পোৱাত অসুবিধা হয়। এই ভাষাৰ প্ৰশ্নটো এই বিধান সভাত বহুবাৰ আলোচনা হৈছে। যিসকল সদস্যই ইংৰাজীত কব নোৱাৰে তেওঁলোক অসমীয়া, বঙ্গালী, হিন্দী আৰু নিজৰ মাতৃভাষাত ভাষা কব পাৰে অসমীয়া, বঙ্গালী, হিন্দি আৰু ইংৰাজীত বাহিৰে

অন্য ভাষাত কৰলৈ হলে তাৰ ইংৰাজী অনুবাদ দিব লাগে। এই মতেই চলি আছে। অৱশ্যে আজি কিছুদিনৰ পৰা অসমীয়া ভাষাই প্ৰাধান্য লভিব লাগে বুলি আন্দোলন হৈছে। বিশেষকৈ অসমীয়া ৰাজ্যিক ভাষা হিচাবে পৰিগনিত হোৱাৰ আইন প্ৰণয়ন হোৱাৰ পাচত। আঞ্চলিক ৰাজ্যিক ভাষা আইন মতে কাছাৰত, বাঙ্গালী আৰু পৰ্ব্বতীয়া জিলাত ইংৰাজী ভাষা ব্যৱহাৰ কৰাৰ ব্যৱস্থা আছে। সেইকাৰণে এই সদনৰ ভিতৰত অকল অসমীয়া ভাষাতে ইয়াৰ কাৰ্য্যবিৱৰণী প্ৰচলিত হলে সেইবিলাক অঞ্চলৰ সদস্যসকলৰ অসুবিধা হব বুলি মই ভাবো। গতিকে এই সদনত আজি যিটো প্ৰশ্নৰ অৱতাৰণা হ'ল প্ৰথমতে মই সেইটোত সিমান গুৰুত্ব আৰোপ কৰা নাছিলো। মই সেই আলোচনা sportingly কৰা বুলিহে ধৰি লৈছিলো। পিচত ই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। মই, আশাকৰো সদনৰ মাননীয় সদস্য সকলে যি Stand লৈছে, সেই Stand লোৱাটো উচিত নহব। আৰু এই সম্পৰ্কত এটা লিখিত Ruling থকাতোও সন্তোষ জনক নহব। মই এইখিনি কথা আমাৰ বৃহত্তৰ স্বাৰ্থৰ ফালৰ পৰা কৈছো। আমি এই বিষয়ত সাৱধানে চলা উচিত আৰু নিজৰ অস্তিত্ব বিষৰ্জ্জন নিদিয়াকৈ তাৰ ভিতৰতে সকলোকে সমান অধিকাৰৰ পৰা বঞ্চিত কৰিব নালাগিব।

Sri Dulal Chandra Barua—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে প্ৰশ্নটো বেলেগেহে বুজিছে। আমি ভাষাৰ বা ভাৱৰ ঠিক গণ্ডিৰ ভিতৰত থাকি কথা কোৱা বা ভৱাওনাই। শ্ৰীজগন্নাথ সিংহে ইংৰাজী যদি বুজি নাপালেহেঁতেন তেনেহলে তেখেতে সেই কথাৰ মূল্য থাকিলহেঁতেন। আনহাতে শ্ৰীশৰ্ম্মাই ইংৰাজী বুজি নোপোৱাৰ কাৰণে অসমীয়াতে ঘোষণাটো বিছাৰিছিল। এনে অৱস্থাত শ্ৰীসিংহে তেখেতৰ উক্তিৰে শ্ৰীশৰ্ম্মাকে নহয় অসমীয়া ভাষা ৰাজ্য ভাষা আৰু এই সদনৰ অপমানিত কৰিছে, ইয়াৰ বিচাৰ হব লাগে। মই এই কথা কৈ আমি যে ভাষা অন্ধ, অসমীয়া ভাষাই লাগে, এই কথাকোৱানাই আৰু এইটো উদ্দেশ্যও নহয়। মাত্ৰ এজন মাননীয় সদস্যই আন এজনক এনে আচৰণ কৰাতো প্ৰতিবাদ কৰিব লগীয়া আৰু সেইকাৰণে মই প্ৰতিবাদ কৰিছো।

**Dr. Bhupen Hazarika** :— অধ্যক্ষ মহোদয়, আমাৰ ভাষাৰ যিটো policy আছে, সেই policy ৰ উপৰিও আৰু এটা কথা আছে।

যি সকলে অসমীয়া বুজিব নোৱাৰে তেওঁলোকক আমি সন্মান কৰিম।

অসমীয়াক ৰাজ্যিক ভাষা হিচাবে স্বীকৃতি দিছেই। তথাপি আমাৰ ৰাজ্যখনক Multi Lingual State বুলি ধৰোঁ। স্বৰ্গীয় হৰেশ্বৰ গোস্বামী ডাঙৰীয়াক কৈছিলোঁ যে, এই কথাটোৰ সমাধান বৈজ্ঞানিক উপায়েৰে কৰিব লাগিব। Simultaneous interpretaton অৰ ব্যৱস্থা কৰি earphone অৰ ব্যৱহাৰ কৰিলে যি কোনো বক্তাই নিজস্ব ভাষাত কথা কলেও আন ভাষাৰ শ্ৰোতাই তেওঁলোকৰ ভাষাত dial কৰি বুজিব পাৰিব। গোস্বামীয়ে মোৰ এই প্ৰস্তাব কাৰ্য্যকৰী হব বুলি ভাবিছিল। তেতিয়াহলে কাৰো আপত্তি কৰিব লগীয়া নাথাকিব। আমি যেতিয়া অসমীয়া কও, তেতিয়া শ্ৰীনিকলচ ৰয়ে বুজিব নোৱাৰে তেতিয়া আমাক নিজকে দোষী যেন লাগে বা কোনোবা এজনে যদি 'চিলেটী' কয়, তেতিয়া আমি ভালকৈ বুজিব নোৱাৰিবও পাৰোঁ। গতিকে মই কোৱা বৈজ্ঞানিক উপায়টোৱেই সমাধানৰ একমাত্ৰ উপায়। United Nations অত ৫০ খনতকৈ বেছি সদস্য দেশ আছে। তাত এনে বৈজ্ঞানিক প্ৰণালী প্ৰয়োগ কৰি এনেকুৱা সমস্যাবোৰ সমাধান কৰিছে। আমাৰ এই সদনৰ বাবেও চাৰিটা স্বীকৃত ভাষা আছে। আৰু প্ৰত্যেকৰ টেবুলত Sound Instrument আছেই। গতিকে অলপ পইছা খৰচ কৰি চাৰিজন দ্বি-ভাষী ৰাখিলেই এই সমস্যাৰ সমাধান হৈ যায়। সেইকাৰণে মই মাননীয় বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো তেখেতে যেন এই ক্ষেত্ৰত কৃপনালী নকৰে। যিয়েই যি ভাষাত বক্তৃতা নিদিয়ক লাগে, দ্বি-ভাষী কেইজনে ততালিকে লগে লগে তৰ্জমা কৰি কৈ দিব আৰু সদস্য সকলে এই চাৰিটা ভাষাৰ যিটো ভাষাকে শুনিব খোজে তাকে শুনিব পাৰিব। কিন্তু এজন মাননীয় সদস্যাই ভাষন দি থাকোতে আন এজনে বিৰূপ মন্তব্য বা উপলুঙা কৰিলে বৰ অশোভনীয় দেখুৱায়। এনে বৈজ্ঞানিক earphone অৰ ব্যৱস্থা কৰিলে, ভাষা লৈ অনুভূতি, ব্যঙ্গ, অশ্ৰদ্ধা, উপলুঙা আৰু তাৰ ফল স্বৰূপে বদৰক্তৰ থল নেথাকিব।

**Mr. Speaker** :—শ্ৰীশৰ্ম্মাৰ প্ৰশ্নটো এটা বিভাবিক প্ৰশ্ন এই বিষয়ে আমাৰ বহুতো সদস্যাই লিখিত ভাবে হওক বা অন্যপ্ৰকাৰে হওক সদনৰ কাৰ্য্য বিবৰণী তথা ৰাজ্যপালৰ ভাষণ আৰু বাজেট বক্তৃতা

ৰাজ্য ভাষাত হব লাগে বুলি প্ৰতিবেদন দিছে। আমিও যিমানদূৰ পৰা যায় সদনৰ কাৰ্য্য বিবৰণী ৰাজ্যভাষাৰ জৰিয়তে চলাবৰ বাবে চেষ্টা কৰিছো। শ্ৰীশৰ্ম্মা ডাঙৰীয়াই কৈছে যে, অধ্যক্ষৰ ঘোষণা বিলাক ৰাজ্য ভাষাত হব লাগে। আগতে এনেকুৱা প্ৰশ্ন বহুবাৰ হৈছে। আজি মাত্ৰ তাকে সোঁৱৰাই দিয়া হৈছে। শ্ৰীবৰ্ম্মণ ডাঙৰীয়াইও সেই এক কথাকে কৈছে। মোৰ ফালৰ পৰাও এইবিষয়ে চেষ্টা কৰা হব। মই অৱশ্যে হিন্দীত কব নোৱাৰোঁ। শ্ৰীজগন্নাথ সিংহ ডাঙৰীয়াই কৈছে যে, হিন্দীত কৰলে দিব লাগে। কাৰণ হিন্দী এটা স্বীকৃত ভাষা। তাৰ পিচত বঙ্গালীভাষাত সেই কথাকে পুনৰুক্তি কৰিছে। তেখেতে ইংৰাজীটো কয়।

আমাৰ সদনৰ বিধিমতে চাৰিটা ভাষাত কথা কব পাৰি। তাৰ বাহিৰে আন ভাষাত কলে ইংৰাজিৰ অনুবাদ দিব লাগে। তেখেতৰ বক্তৃতাটো আপত্তিজনক বুলি ভালেখিনি সদস্যই অনুভৱ কৰিছে। আৰু ৰাজ্যভাষাৰ ওপৰত বিদ্ৰূপ কৰা হৈছে বুলি অভিযোগ হৈছে। অৱশ্যে মই তেখেতৰ ভাষণটো চাব লাগিব। সকলো সদস্যৰ সকলোৰে প্ৰতি শ্ৰদ্ধা থাকিব লাগে। কোনেও কাকো ব্যঙ্গ বা উপলুঙা কৰাটো উচিত নহয়। তেখেতে কিকৈছে তাৰ ওপৰতে বহুত কথা নিৰ্ভৰ কৰিছে। সদস্য সকলৰ এটা বদ্ধমূল ধাৰণা হৈছে যে, তেখেতে ব্যঙ্গসূচক ভাৱে কথাটো কৈছে। সেইটো সদস্য সকলে সন্মান হানিকৰ বুলি ভাবিছে। মই শ্ৰীজগন্নাথ সিংহ ডাঙৰীয়াৰ পৰা জানিব খোজোঁ তেখেতে ভাষণটোত সদনৰ সদস্যসকলৰ প্ৰতি কিম্বা ৰাজ্যিকভাষাৰ প্ৰতি অৱজ্ঞাৰ ভাব পোষণ কৰিছিল নেকি ?

মই মাননীয় সদস্য শ্ৰীজগন্নাথ সিংৰ বৰ্ত্তমানে কৰা উক্তিৰ ওপৰত এই মন্তব্যই প্ৰকাশ কৰো যে যিহেতু তেখেতে কৈছে যে তেখেতে কোনো ভাষাৰ ওপৰত বা কোনো ভাষাৰ ইজ্জত খুন্ন কৰিবলৈ বা কোনো ভাষাৰ প্ৰতি অসন্মান সূচক কোনো কথা তেখেতে কোৱা নাই, গতিকে মই এতিয়া মাননীয় সদস্য সকলক সুধিছো যে তেখেতে তেনে ভাব পোষণ নকৰা বুলি কৈছে যেতিয়া এই কামৰ ওপৰত আৰু তৰ্ক বিতৰ্ক কৰাৰ কোনো প্ৰয়োজন নাই বুলি মই ভাবো।

**Shri Rahimuddin Ahmed** :— মহোদয়, তেখেতৰ ইঙ্গিতত এই ভাৱ স্পষ্ট ভাৱে প্ৰকাশ পাইছে যে তেখেতে যি ধৰণে কৈছিল তাৰ দ্বাৰা

এইটো সুস্পষ্ট হয় যে তেখেতে অসমীয়া ভাষা ইতিকিং কৰিছে। তেনে স্থলত এতিয়া যদি তেখেতে কয় যে অসমীয়া ভাষাত এটা উক্তি কৰিবলৈ কোৱা মাত্ৰকে তেখেতে সমস্বৰে বঙালী ভাষাত প্ৰকাশ কৰাৰ দাবী কৰি অসমীয়া ভাষাৰ ইজ্জত খুন্নকৰা নাই বুলি কয় তেন্তে সেই উক্তি মানি লোৱাত আমাৰ কোনো আপত্তি নাই।

**Shri Jogen Saikia** :—অধ্যক্ষ মহোদয়, অসমীয়াত এটা কথা আছে "নাই বুলিলে সাপতো বিষ নাই"। তেখেতে কৈছে যে কোনো ভাষাক ইতিকিং কৰাটো তেখেতৰ উদ্দেশ্য নাছিল। তেখেঁতে যেতিয়া তেনেকৈ কৈছে মাননীয় সদস্য সকলে সেইটোকে মানি লোৱা উচিত হব বুলি মই ভাবোঁ। (গোলমাল)

**Dr. Bhupen Hajarika** :— I have just over heard a respectable member saying "চৰিয়াই ভৰিত ধৰিলে কি হব ?" Does it mean that Sri Singh's apology has not be accepted ?

**Shri Bhubaneswar Barman** :—অধ্যক্ষ মহোদয়, তেখেঁতে হিন্দিত ভাষণ দিছে, হিন্দি অৱশ্যে আমি বুজি পাওঁ, কিন্তু তেখেঁতৰ প্ৰথম ভাষণটোৰ লগত দ্বিতীয় টোৰ কোনো ৰকমৰ সম্বন্ধ নাই। তেখেতে যিটো উদ্দেশ্যৰে মাননীয় সদস্য কামিনি শৰ্ম্মাক ভাষণটো অসমীয়াতে ভাঙিব লাগে বুলি কোৱাত তেখেতে প্ৰতিবাদ কৰি এটা ইতিকিঙৰ সুৰতে কৈছিল আৰু তেখেঁতৰ অঙ্গি-ভঙ্গিৰ পৰা এইটোৱেই স্পষ্ট হৈ উঠিছিল যে অসমীয়া ভাষাত অনুবাদ দিলে বঙালীটো দিব লাগে। ইয়াৰ দ্বাৰা তেখেঁতে এটা অৰিয়া অৰিৰ ভাব হে প্ৰকাশ কৰিছে। ইয়াৰ পৰা তেখেঁতে কোনো ভাষাৰ মৰ্য্যদা দিয়া অভিপ্ৰায়েৰে তেখেঁতৰ উক্তি উৎযাপন কৰা নাই। অসমীয়া ভাষাৰ প্ৰতিবাদ কৰাটো তেখেতৰ অন্য কোনো অভিপ্ৰায় থাকিব নোৱাৰে কাৰণ তেখেতে সদায় ইংৰাজীতে ভাষণ দিয়ে আৰু তেখেতে ইংৰাজী ভালদৰেই বুজে। তেখেঁতৰ উক্তিৰ পৰা তেখেঁতে ঠাট্টাৰ সুৰতে তেখেঁতৰ প্ৰথম ভাষণটোযে দিছিল তাত মাননীয় সদস্য সকলৰ কোনো সন্দেহ নাই। তেখেঁতে যদি প্ৰয়োজন বসতঃ কলেহেতেন যে ইংৰাজীৰ উক্তিটো বঙালী ভাষাতে দিবলাগে তাত আমাৰ কবলৈ একো নাছিল। শ্ৰীশৰ্ম্মাই ইংৰাজী ভাষাত ভাল বুতপতি নথকা কাৰণেহে অসমীয়াতে

উক্তি কৰাৰ কাৰণে অনুৰোধ কৰিছে। লগতে আমি অসমীয়া ৰাজ্যিক ভাষাৰ প্ৰকৃত মৰ্য্যাদা দিয়া বাবে অনুৰোধ কৰিছো।

এই ক্ষেত্ৰত মই আপোনাৰ পৰা এটা সুস্পষ্ট উক্তি জানিবলৈ বিছাৰো। (উত্তেজনা)

**Shri Dulal Chandra Barua** :—মহোদয় অসমীয়াই কোনো দিন কোনো ভাষাৰে বিৰোধীতা বা আক্ৰমণ কৰা নাই। আমি অসম বাসীৰ মানুহ আৰু অসমীয়া হিচাপে বাচি থাকিবলৈ বিছাৰো। তেওঁ আমাক সংবিধান শিকাব নালাগে। আমি অসমীয়া ভাষা কাৰো ওপৰত impose কৰা নাই।

**Shri Bishwanath Upadhaya** : অধ্যক্ষ মহোদয়, অসমীয়া ভাষা ঔৰ হিন্দী অনুবাদ কে লেকৰ সদন মে জো বাটচিত চল ৰহি থি উচমে চুন নহী চকা। কিয়োকি উন সদন মে বাহৰ গয়া হুৱা থা। লেকিন ইসছিল ছিলেমে সব জো বহস চল ৰহি হায় উচকে বাৰে মে মেই য়হ কহনা ছাহতা হুঁ কি হিন্দী অনুবাদ কি সংগ কৰণে কা উদ্দেশ্য কিসি ঔৰ ভাষা কা অপমান কৰনা নহী হায় (Voice nothing was heard) আজ হমনে দেখা হায় কি হিন্দী হমাৰী ৰাষ্ট্ৰ হুই হেই লেকিন খেদ কি বাত হায় কি হিন্দী কৌ ৰাষ্ট্ৰভাষা কা স্থান দিলানে মে হিন্দীহি সৰসে বড়ে বাধক হায়। ক্যয় কি Parliament মে অব কৌই সদস্য অংগ্ৰেজী মে বোলতে হায় তব অংগ্ৰেজী জাননেৱালৈ হিন্দী ভাষী সদস্য য়হ চিল্লাতে হায় কি "হিন্দীমে বোলিয়ে" য়হী নকৰা আজ হমাৰী বিধান সভা কা হায়।

Voice—নহী, নহী—

**Mr. Speaker**—We have taken a long time in discussing this matter. We have got many other business to carry out. Now, shri Jagannath Singh has already said that he did not mean to disrespect any hon'ble member or language of any hon'ble member. As a rule or as a procedure followed here in this House we should accept the clarification made by an hon'ble member regarding the application of Statement. Therefore, I think we should not proceed further in this matter in view of his expression that he had no intention to disrespect the feelings of any non'ble member or any language.

**Shri Bishwanath Upadhaya :** হমাৰে ইয়াডী ভাব কৌই Minister অংগ্রেজী মে বোলতে হ্যায় তো অংগ্রেজী জাননেবালে সদস্য ভী অসমীয়া মে বোলতে কি মাংগ কৰতে হ্যায়।

Voices—

এক দিন মে বাহৰ বৈঠা হোৱা থা। সদন কী কাৰৱাই চল ৰহী থী। মে বাহৰ শ্রীসংগজ বেঠে হুই য়ে তো মেনে ওনসে পুছা কি ক্যায় বাত হ্যায় কি সদন কী কাৰৱাই চল ৰহী হ্যায় তো আজ বাহৰ বেঠে হ্যায়। বোলে—What is the use of my remainning inside when I do not follow the speaker.)

অসমীয়া ভাষা হমাৰী ৰাজ্য ভাষা হ্যায়। ঔৰ অসমীয়া ভাষা কে লিয়ে হমাৰে লিয়ে ইজ্জত হ্যায়। হম অসমীয়া ভাষা শিখনা চাহতে হ্যায়। লেকিন অসমীয়া ন জাননেবালে সদস্য কী লিয়ে কুছ সময় দেনা চাহিয়ে তাকি বে অসমীয়া ভাষা সিখ সকে।

**Mr. Speaker :** From the side of the opposition it has been said because he spoke in 3 differen languages, there is an insinuation to statement made by Shri Sharma, and, it amounts to disrespect to the House. I would request the Hon'ble Members that since he said that he did not mean any disrespect, discourtesy towards any member or otwards any language, we should accept it. That is the convention of the House. We have discussed this matter enough. This should be noted by all the Hon'ble Members that they should be careful in using expressions in their speeches. So that unpleasant in precious may not be created. I would request all Hon'ble Members to accept what he has said. Let us resume our work.

**Dr. Bhupen Hazarika :** Sir, I feel the system of simultaneous interruption through ear phones should be introduced in this House. Late Hareswar Goswami wanted to have it done here. But unfortunately he died.

**Mr. Speaker :** We shall consider it.

**Calling Attention to a matter of urgetn Public Important two deaths at Badarpur as a result of fiming by R. P. F.**

**Shri Kamini Mohan Sarmah :**—মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ প্রতি সন্মান অটুত ৰাখি এই পবিত্র সদনত কৈছো, আরু আমাৰ

'হাউচৰ' সন্মান ৰাখি কৈছো যে, মই প্ৰকৃততে বুজা নাই । মোক বুজিবলৈ সুযোগ দিব লাগে, আপুনি আমাৰ বিধান সভাৰ কাৰ্য্য তালিকাত যি ঘোষণা কৰিছে । অসমীয়া ৰাজ্য ভাষাৰ স্বীকৃতি, এই অসমীয়া ভাষাত আপোনাৰ ইংৰাজীৰ ঘোষণাটো কৰি বুজাৰ সুযোগ দিব লাগে ।

**Mr. Speaker** :—মানে, আগৰ পৰাই যি, **Businss Advisory committee** বহিছিল তাৰ পৰা বহুত আপত্তি আহিছিল যে ২৭ আৰু ২৮ তাৰিখে ইদৰ বাৰে বন্ধ দিব লাগে । আকৌ ফাগুৱাতো বন্ধ দিব লাগে । কাৰণ তেওঁলোক বিধান সভালৈ আহিব নোৱাৰে । আমাৰ বিধান সভা ২৭ আৰু ৫ তাৰিখে বন্ধ থাকিব আৰু ৮ আৰু ১০ তাৰিখে কাম হব কাৰণ ১০ তাৰিখলৈকে বঢ়াই দিয়া হৈছে ।

**Shri Govinda Kalita** :—অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ আচৰণ বিধি নিয়মাৱলী ৫৪ বিধি মতে ১৯৬৯ চনৰ ২৯ জানুৱাৰী তাৰিখে "নতুন অসমীয়া'' বাতৰি কাকতত "বদৰপুৰত **R. P. F.** ৰ গুলিত দুজন নিহত'' বুলি প্ৰকাশিত কথাটোলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো । বাতৰিত আছে. যে, যোৱা ২৮ জানুৱাৰী তাৰিখে ৰাতিপুৱা প্ৰায় ৯টা বজাত দুজন **R. P. F.** ৰ মানুহ বদৰপুৰ বজাৰত আহি শাক-পাচলি দিয়াৰ কাৰণে দোকানদাৰৰ লগত দাম-দৰ কৰোতে কথাৰ ওপৰা ওপৰি হ'ল আৰু তাৰ ফলত অৱস্থাই জটিল ৰূপ ধাৰণ কৰি মৰামৰি লাগিল । ইতিমধ্যে কিছুমান মানুহে দোকানদাৰক সমৰ্থন কৰি আগবাঢ়ি আহিল । জনসাধাৰণে **R. P. F.** ৰ ওপৰত ইটা-পাঠৰ আদি দলিয়াবলৈ ধৰাত উপৰুক্ত **R. P. F.** মানুহ দুজন **camp** লৈ উভতি গ'ল আৰু কিছুমান **R. P. F. Personnel** আহি গুলি কৰিবলৈ ধৰাত ২ জনলোক নিহত হ'ল ।

অধ্যক্ষ মহোদয়, এইটো আমাৰ অসমত বিশেষকৈ **C. R. P.** আৰু ৰেল-ৰক্ষক বাহিনী এই বিলাক কেন্দ্ৰীয় চৰকাৰৰ অধীনত থকা পুলিচ বাহিনী । এই দুয়ো বাহিনীৰ অত্যাচাৰে আমাৰ অসমৰ বাইজক অতিষ্ঠ কৰি তুলিছে । কিছুদিন আগতে গুৱাহাটী **Stadium** ত

গুলী চলাই এটা নিৰীহ ল'ৰাক গুলী কৰি মাৰিলে । আকৌ, বদৰপুৰৰ বজাৰত এনেকুৱা ধৰণৰ ঘটনা ৰেলৰক্ষী বাহিনীয়ে কৰি আছে । ৰেলৰক্ষী বাহিনীয়ে বজাৰত শাক-পাচলি কিনিবলৈ গৈ গুলীয়াই মানুহ মাৰিলে । এনে ধৰণৰ অত্যাচাৰ অসমত চলি আছে । গতিকে এই সম্পৰ্কে আমাৰ ৰাজ্যচৰকাৰে কি ব্যৱস্থা কৰিছে আৰু এই সম্পৰ্কে কেন্দ্ৰিয় চৰকাৰৰ গৃহদপ্তৰৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছে নে নাই ? এই সম্পৰ্কে কেন্দ্ৰিয় গৃহ দপ্তৰে পুলিচ বাহিনীৰ ওপৰত কিবা ব্যৱস্থা লোৱাৰ ইঙ্গিত আমাৰ চৰকাৰক দিছে নে নাই সেই কথাহে মই জানিবলৈ বিছাৰিছো ।

**Shri Mahendra Mohan Choudhury, (Minister, Parliamentary Affairs) :** On 28th January, 1969 at 9 A.M. two Railway Protection Special Force personnel came from their camp to the Badarpur Bazar for marketing. While they were bargaining with a vegetable dealer for about 8 kg. of peas, the latter sold out one Kg. of the same to another customer. This led to some altercation between the vegetable dealer and the two R.P.S.F. personnel leading to scuffle. Some members of the public joined hands with the vegetable dealer and attacked the R.P.F. personnel with stones and brick bats.

On receipt of information at the R.P.S.F. camp about the incident, more R.P.S.F. personnel rashed to the place of occurrence. Some of them were armed with rifles. The situation gradually took a serious turn and in the clash which followed the R.P.S.F., personnel oppend fire. As a result two persons died and two others were injured.

On recipt of information the Sub-divisional Officer, Karimganj with the Circle Inspector of Police rushed to the place of occurrence. The Deputy Commissioner and the Superintendent of Police, Cachar also rushed to Badarpur on receipt of information and disarmed the R.P.S.F. personnel. On examination of the weapons it appeared that seven rifles were used in the firing and that about 15 rounds in all were fired. The stock of arms and ammunition of the R.P.S.F. camp were seized and kept in the custody of the Commandant, R.P.S.F. excepting the items required for the purpose of investigation. A case under Sections 148/149/326/302 I.P.C was registered at

Badarpur P.S. in connection with the incident. Fortyone R.P.S.F. personnel including the Platton Commander have been arrested and forwarded in custody.

The R.P.S.F. personnel also lodged a counter case under Section 147/337 I.P.C. alleging that a huge crowd attacked their camp with stones and brick bats with the intention of overrunning the camp and that they had to open fire to disperse the crowd in exercise of the right of private defence. Five R.P.S.F. personnel received injuries as a result of stone throwing by the crowd. In this case six R.P.S.F. personnel are reported to have admitted in course of investigation to have been involved in this firing. Both the cases are under investigation.

**Shri Shamsul Huda**—What about the statement about Gauhati incident

**Shri Mahendra Mohan Choudhury**—On January 18, 1969 one manuscript poster with the slogan "quit Assam before blood-shed" under the name of Lachit Sena was found displayed at Bharalumukh in front of Pragjyotish Colledge, Gauhati. Similar posters made their appearance in the Santipur-Bharalumukh area of Gauhati before the Republic Day of 1968. Some anti-social elements including some of the young boys detained at Gauhati after the Republic Day disturbances were secretly trying to exploit the tempo of agitation developing at Gauhati on the issue of second Oil Refinery. In view of this trend the S. P. Kamrup promulgated an order under Section 30 of the Police Act to regulate processions and assemblies within the limits of Gauhati Municipality for a period of two months with effect from 24.1.68. Besides other precautionary measures including collection of advance intelligence, intensification of police vigilance and maintenance of watch on anti-social elements were also taken.

An order under Section 30 of the Police Act is not a reptrictve one it is intended only to regulate processions and assembles to avoid any breach of law. Having regard to the prevailing situation, permission is always given for holding my essembly or procession. This was considered necessary by the district authorities as a precautionary measure during the last Republic Day. It has been ascertained that

the District Magistrate is reviewing the position and the order is being withdrawn.

**Shri Shamsul Huda**—Whether the order under Section 30 of the Police Act can be given for any length of time ?

**Shri Mahendra Mohan Choudhury**—I read the Section. "The District Superintendent or Assistant District Superintendent of Police-may, as occasion requires, district the conduct of all assemblies and processions on the public roads, or in he public streets or thoroughfares, and prescribe the routes by which, and the times at which, such processions may pass.

**Shri Shamsul Huda** — It can be applied occasionally but here it has been continuing for months together.

**Shri Mahendra Mohan Choudhury**—There is no bar to fix the time limit also.

## DEBATE ON THE GOVERNOR'S ADDRESS

**Mr. Sepaker** — Now we come to general discussion on Governor's address. It is about 12 O' clock. We have got 20 speakers and we are one hour behind the time. As such we will have to adjust ourselves in the long run.

এই সদনৰ কংগ্ৰেছ দলৰ ১৫১ মিনিটৰ ভিতৰত এতিয়ালৈকে ৯১ মিনিট লৈছে। আৰু শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্য ডাঙৰীয়াৰ পক্ষৰ দলে ৬৪½ মিনিট পায় আৰু লৈছে ৬৯ মিনিট। আৰু আমাৰ 'বৰা' দেৱৰ দলৰ পক্ষৰ পায় ৬৪½ মিনিট সময় কিন্তু লৈছে ১০ মিনিট মুঠ সময় ১৮০ মিনিট। তাৰ ভিতৰত ওপৰত কোৱা সময়খিনি গলেই। বাকী সময় খিনিৰ ভিতৰতে সকলোৱে কৈ শেষ কৰিব লাগিব। আমাৰ সময় থিক কৰিবৰ কাৰণেই মই বহি আছো। কোনোবাই কবলৈ পাব; কোনোবাই নাপাব। যি সকলে কবলৈ নাপায় তেখেত সকলে বাজেট বক্তিতাত কব। এতিয়া শ্ৰীমোচাৱীৰ চৌধুৰী আপোনাক মাত্ৰ ১০ মিনিট সময়হে কবলৈ দিয়া হৈছে।

**Shri M, A. Musawwir choudhury** :—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ এই পক্ষৰ পৰা যি সংশোধনি অনা হৈছে, সেই সংশোধনীৰ সম্পৰ্কত মই কব খুজিছো যে,

আমাৰ ৰাজ্যখনৰ ৰাজ্যপালৰ ভাষণত অৰ্থনৈতিক অস্থিৰতা, ৰাজনৈতিক অস্থিৰতা বা ৰাজনৈতিক স্থিৰতাৰ কোনো এটাৰেই প্ৰতিফলন হোৱা নাই। আমাৰ ৰাজ্যখনত যি সকল স্বাধীন নাগৰিক আছে তেখেত সকলৰ সংবিধানিক যি অধীকাৰ আছে গণতান্ত্ৰিক যি অধিকাৰ আছে, আৰু মৌলিক যি অধিকাৰ আছে, তাক বিপন্ন কৰা হৈছে, খৰ্ব্ব কৰা হৈছে।

আমাৰ ৰাজ্যখনত যি সকল পিচপৰি থকা ভাই আছে, যি সকল জনজাতীয় আৰু অনুসুচিত জনজাতীয় ভাই, তেখেত সকলক তেখেত সকলৰ উন্নয়ণৰ নামত শোষণ কৰি আহিছে।

আনহাতে অসমত যি সকল সংখ্যালঘু সম্প্ৰদায়ৰ মুছলমান মানুহ আছে, সেই সকলক ৰাজনৈতিক অস্থিৰতাৰ নামত দৰাচলতে নিৰ্য্যতিত কৰাহে হৈছে।

উপাধ্যক্ষ মহোদয়, আপুনি শুনি আচৰিত হব যে অসমৰ উদ্যোগিক ক্ষেত্ৰত ২য় তেল শোধনাগাৰ স্থাপনৰ বাবে গোটেই অসম জুৰি যি দাবি উঠিছে, তাক অসমীয়া ৰাইজে বুকুৰ তেজ দি হলেও তাক স্থাপন কৰিবই। আমাৰ এই চৰকাৰে তাত বিধি-পথালি দিলেও তাক অসমৰ ৰাইজে কেতিয়াও সহ্য নকৰে, শান্তিৰে বহি নাথাকে। উপাধ্যক্ষ মহোদয় আপুনি শুনি আচৰিত হব যে অসমত ২য় তেল শোধনগাৰ স্থাপন কৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ দুৰ্ব্বলতাৰ সুযোগ লৈ কেন্দ্ৰীয় তেল মন্ত্ৰীৰ লগলাগি পশ্চিম বঙ্গৰ কংগ্ৰেছী নেতা সকলে চক্ৰন্ত কৰি কলিকতাত তেল শোধানাগাৰটো। স্থাপন কৰিবৰ যি চক্ৰান্ত কৰিছে তাক অসম বাসীয়ে নজনা নহয়, আৰু কলিকতাত স্থাপন কৰিবলৈ অসমীয়া ৰাইজে দিবও নোৱাৰে আৰু দিলেও কেতিয়াও হাত সাৱতি সহ্য কৰি বহি নাথাকে। অসমৰ ৰাইজে তাক স্থাপনৰ বাবে তাণ্ডৱ লিলা কৰিব সেইটো অসমীয়া ৰাইজ আৰু অসমৰ যি সকল অসমীয়া সদস্য এই পবিত্ৰ সদনত আছে, তেওঁলোকেও সহ্য কৰিব নোৱাৰে।

দ্বিতীয়তে অসমৰ নিৰনুৱা সমস্যা । যি সমস্যায় আজি এটা বিৰাট ৰূপ ধাৰণ কৰিছে। এই নিৰনুৱা সমস্যাৰ সমাধানৰ কাৰণে কৰ্ম্ম সংস্থাপন কৰিবৰ কাৰণে আজিও অসমৰ উদ্যোগ,

শিল্প, বাণিজ্য আৰু কুটিৰ শিল্প ইত্যাদিত কোনো প্ৰতিফলন ৰাজ্যপালৰ ভাষণত বিসদ ভাবে দাঙি ধৰা হোৱা নাই। আজি অসমৰ নগৰে-চহৰে, গাৱেঁ-ভূঞে শিক্ষিত, অৰ্দ্ধশিক্ষিত আৰু অশিক্ষিত হাজৰ হাজাৰ নিবনুৱা ডেকাই কৰ্ম্ম সংস্থাপনৰ কাৰণে হাঁহাকাৰ কৰিব লাগিছে। কিন্তু শুনি আচৰিত লাগে বছৰি বছৰি আমাক ৬৬ কোটি টকা ঋণ দি থকা স্বত্বেও আমাৰ উদ্যোগ বিলাকৰ কোনো ৰকমৰ উন্নতি লাভ হোৱা নাই আৰু নিবনুৱা সমস্যাৰ সমাধান কৰিবৰ কাৰণে চৰকাৰে কৰ্ম্মসংস্থাপন কৰিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, অসমত সংখ্যা লঘিষ্ঠ মুছলমান সকলৰ ওপৰত হয়টো ৰাজনৈতিক নিৰ্য্যাটন চলি আছে; সেইটো হৈছে পাকিস্তানী অনুপ্ৰৱেশ কাৰীৰ নাম ভাৰতীয় মুছলমান সকলৰ ওপৰত নানা ৰকম জুলুম-জবৰদস্তি কৰি বহিষ্কাৰ কৰা। অনুগত আৰু শান্তিপ্ৰিয় মুচলমান সকলক নিৰ্য্যাতিত কৰা হৈছে। এনেকুৱা উদাহৰণ পৃথিৱীৰ সভ্য জাতিৰ ইতিহাসত পাবলৈ টান।

উপাধ্যক্ষ মহোদয়, পাকিস্তানী অনুপ্ৰৱেশ কাৰী ধৰা গলোই বহিষ্কাৰ কৰিবৰ কাৰণে অসমত যি বিলাক Check post বা চকী সজা হৈছে তাৰ ভিতৰত মোৰ সমষ্টিৰ ৰূপহীতে ১৬ টা Check post স্থাপন কৰা হৈছে। এই Check post বিলাকত পুলিচে দিনে ৰাতিয়ে, ঘৰে ঘৰে গৈ লোকপীড়ন আৰম্ভ কৰিছে। আমি জানো যে National Intrgrasion ৰ কাৰণে যি council কাশ্মিৰত বহিছিল তাত সিদ্ধান্ত লোৱা হৈছিল যে যি কোনো ব্যক্তি বিশেষ বা দলে আমাৰ দেশৰ সীমান্ত অতিক্ৰম কৰিবলৈ চেষ্টা কৰিলে তাক শক্তিৰে বাধা দিয়া হব। মই অসমৰ এই অগণতান্ত্ৰিক, অশান্তি পূৰ্ণ লোকপীড়নে অসমৰ মুছলমান সকলক ধৰিবৰ কাৰণেহে প্ৰয়োগ কৰিছে বুলি কব পাৰো—পাকিস্তানী ধৰিবৰ কাৰণে নহয়। Check post পুলিচ বিলাকে মুছলমান সকলৰ ঘৰে ঘৰে দিনে-ৰাতিয়ে গৈ N. R. C ৰ নামত অসমীয়া মুছলমান সকলৰ জীৱন দুৰহ কৰি তুলিছে। এই মুছলমান সকলৰ ভাৰতীয় নাগৰিকত্ব থকাস্বত্বেও Check post ৰ পুলিচ বিলাকে ঘৰে ঘৰে গৈ কৈ আছে "আপোনালোকৰ নাম ইয়াত নাই আপোনালোক ৰাতি চকিলৈ আহি দেখা কৰিব"। তেওঁলোকে যেতিয়া দেখা কৰিবলৈ গৈ কব,—"আমাক কিয় অনা হৈছে,

আমাৰ জন্ম ইয়াতেই। পাকিস্থান হোৱা আজি ২০ বছৰহে হৈছে। কিন্তু আমি পাকিস্থানৰ জন্ম হোৱাৰ আগৰে পৰা আমি ইয়াতেই আছো আৰু ইয়াতেই থাকিম—মৰিম—"। তেতিয়া তেওঁ লোকে কয় "চুপ থাক—বেচি কথা নকবি। এইখন পাকিস্থান পাইছ"। মই নিজে এজন মানুহৰ কথা জানো তেওঁৰ নাম চফিকুল ৰহমান তেওঁৰ ঘৰ নগাৱৰ মূৰাজাৰ থানাৰ এলেকা বৰহাতৰ গাৱত। থানাৰ পৰা ২/৩ মাইল নিলগত। তেওঁ এদিন উত্তৰ লক্ষীমপুৰলৈ গৈছিল আৰু তাৰ পৰা উভতি আহি বিশ্বনাথ চাৰি আলিত নমাৰ লগে লগে ৬/৭ জন পুলিচে ঘেৰাও কৰি ধৰি তেওঁক পাকিস্থানৰ মানুহ বুলি ধৰ পাকৰ কৰি মাৰ-ধৰ কৰে। এই ঘটনাৰ কপি নগাৱৰ S. P., I. G. P. Chief Secretary আৰু মন্ত্ৰী মহোদয় সকললৈ দিয়া হৈছে।

গতিকে আমাৰ যি পুলিচ বিভাগক পাকিস্থানী অনুপ্ৰবেশকাৰীক ধৰিবৰ কাৰণে আৰু তেওঁলোকক বহিস্কাৰ কৰিবৰ কাৰণে যি টকা এতিয়ালৈকে অসম চৰকাৰে খৰচ কৰি আছে, তাৰ পৰিমান কমেও ১ কোটিৰ কম নহব; বৰঞ্চ বেচিহে হব পাৰে। মই যোৱা সদনত মুখ্যমন্ত্ৰীক এটা প্ৰশ্নত সুধিছিলো যে গাওঁৰ মাজত এই পুলিচ চকী বিলাক কিয় ৰখা হৈছে যি বিলাকে মুছলমানক জুলুম কৰে তেতিয়া তেখেতে উত্তৰ দিছিল যে, মই ৰাইজৰ অৱস্থা বুজি পাইছো আৰু অতি সোনকালে পুলিচচকী বিলাক পাকিস্তান-হিন্দুস্থান সীমান্তলৈ উঠাই নিম। এতিয়াও উঠাই নিনিয়াত মুছলমানৰ মাজত সন্ত্ৰাস সৃষ্টি হৈছে। কিন্তু মই এতিয়াও দৃঢ়ভাবে কওঁ যে আমাৰ পুলিচ বিভাগটো আইন শৃখলা ৰক্ষাৰ ক্ষেত্ৰত একেবাৰে ব্যৰ্থ হৈছে।

উপাধ্যক্ষ মহোদয়, আপুনি শুনি আচৰিত হব যে ৰুপহী-হাত থানা এলেকাত ৩ মাহৰ ভিতৰত ৫ টা খুন হৈ গৈছে। কিন্তু পুলিচে ৩ মাহেও তদন্ত কৰা নাই। তাৰ পাচত নগাৱৰ S. P. ক জনোৱা স্বত্তেও আৰু কোনো ব্যৱস্থা লোৱা নাই কিন্তু বৃটিচৰ দিনত case record কৰিলেই তদন্ত কৰে। আনকি দুখিক ধৰিব নোৱাৰা পৰ্য্যন্ত চেষ্টা নেৰে আৰু লাগিলে গোটেই গাৱঁৰ মানুহকে ধৰি নি আচামিক উলিয়াবলৈ চেষ্টা কৰিছিল। আমাৰ পুলিচে পাকিস্তানী অনুপ্ৰবেশকাৰীৰ নামত ভাৰতীয় নাগৰিকক ধৰিবৰ কাৰণে বিৰত্ব দেখুৱাব পাৰে, কিন্তু আইন শৃখলা ৰক্ষা কৰাত তেওঁলোক একে বাৰে ব্যৰ্থ হয়।

উপাধ্যক্ষ মহোদয়, মই এটা কথালৈ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে দেশৰ সকলো ধৰণৰ নিৰাৰণ মূলক ব্যৱস্থা লোৱা সত্বেও পাকিস্তানী লোকৰ অনুপ্ৰবেশ চলি থকাৰ বাতৰি পাই থকা হৈছে। এই অনুপ্ৰবেশৰ গোচৰ সমূহ ৯ খন বিদেশী লোকৰ বিচাৰ ন্যালয়ে ( Foreigners Tribunal ) বিচাৰ কৰি আছে। ৰাজ্যপালে তেখেতৰ ভাষণত কৈছে যে চলিত বছৰত ৫,৯৬২ জন অনুপ্ৰবেশ কাৰীক ধৰা পেলোৱা হৈছে বুলি কোৱা হৈছে। আৰু তেওঁ লোকৰ বিৰুদ্ধে গোচৰ দাখিল কৰা হয়। ৭০১ জনক আদালতত অভিযুক্ত কৰা হয়। ৪,৮৩১ জন অনুপ্ৰবেশ কাৰীক ভাৰত ত্যাগৰ জাননী দিয়া হয় আৰু ৩,৪৮৪ জন লোকে ভাৰত ত্যাগ কৰা বুলি নিৰীক্ষন চকীয়ে জনায়। ২৩৬ জন অনু-প্ৰবেশ কাৰীক সীমান্তৰ পৰাই ঘূৰাই পঠোৱা হয়। ১৯৪ জন লোকৰ গোচৰৰ অনুসন্ধান চলি আছে আৰু ১৫৫ জনৰ গোচব বিচাৰা ধীন হৈ আছে। পাকিস্থানী অনুপ্ৰবেশকাৰীক ধৰা আৰু বহিষ্কাৰৰ যি তথ্য ৰাজ্যপালে তেখেতৰ ভাষনত দাঙি ধৰিছে সেই হল তথ্য। পাকিস্থানী অনুপ্ৰবেশ কাৰীক বহিস্কৰণৰ বাবে যিমান পাকিস্থানী অনুপ্ৰবেশ কাৰীক খেদি দিয়া হৈছে বুলি উল্লেখ কৰা হৈছে সেই তথ্য ঠিক নহয়। সংখ্যা শুদ্ধ নহয়। তেওঁক যে চৰকাৰী তথমতে অসমত ২ লাখ ৩৮ হেজাৰ ৯৩১ জন পাকিস্থানী অনুপ্ৰবেশকাৰীক খেদি দিয়াৰ কথা এসময়ত মুখ্য মন্ত্ৰীয়ে কৈছিলে। কিন্তু লগতে তেওঁ কয় যে, মুখ্য-মন্ত্ৰী ও কেন্দ্ৰীয় উপগৃহ-মন্ত্ৰী শ্ৰীশুকলাই কৈছিলে যে অসমত ২ লাখ ৫ হেজাৰ জন পাকিস্থানী অনুপ্ৰবেশ-কাৰীয়ে অনুপ্ৰবেশ কৰিছে। গতিকে সেই হিচাপৰ পৰা দেখা যায় যে অসমৰ পৰা ৩৩ হেজাৰ ৯৩১ জন ভাৰতীয় লোকক অন্যায়ভাবে অসমৰ পৰা খেদি পঠোৱা ভাৰতীয় নাগৰীক সকলক ঘুবাই আনিব লাগে। এই বিষয়ে এটা তদন্ত কৰিব লাগে বুলিও তেখেতে দাবী জনায়।

( সময় সংকেত)

আমাৰ আপত্তি এইটো যে ভাৰতীয় নাগৰিকক মিছাকৈ পাকি-স্থানী বুলি পাকিস্তানী অনুপ্ৰবেশকাৰী বুলি যিটো এটা ৰাজনৈতিক পুতিগন্ধময় নীতি ইয়াৰ ভিতৰত সোমাই দিছে ; এটা পুতি গন্ধময় সাম্প্ৰদায়ীকতা ইয়াত সোমাই দিছে সেই বিলাক দুৰ কৰিবলৈ মই

চৰকাৰক দাবী জনাওঁ যে আমাৰ ভিতৰত আৰু ঠায়ে ঠায়ে আঁঠে-কুঁঠে, পুলিচ চাকৰি সাজি দি পুলিচ বা Police Agent ৰ দ্বাৰা সেই পাকিস্তানী অনুপ্ৰবেশকাৰীৰ মমিত ভাৰতীয় নাগৰিক বিলাকক ধৰা পেলোৱাত, আৰু জুলুম কৰা সোনকালে বন্ধ কৰিব লাগে বুলি মই দাবী জনাওঁ। ইয়াকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলোঁ।

**Shri Upendra Nath Sanatan** :—মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণ সমৰ্থন কৰি দুষাৰ মান কথা কব খুজিছোঁ। ৰাজ্যপালৰ ভাষণত দেশৰ বিভিন্ন সমস্যাৰ কথা উল্লেখ কৰিছে কিন্তু তাত চাহ বাগান সম্পৰ্কে ভাষণত একো উল্লেখ কৰা নাই। অসমৰ ভিতৰত এটা হৈছে চাহ বাগিচা আৰু আনটো হৈছে তেল। কিন্তু চাহ বাগানত লাখ লাখ মজদুৰ নিৰনুৱা হৈ পৰি আছে। এই কথাটো তেখেতৰ ভাষণত উল্লেখ কৰা নাই। এই চাহ বাগানবিলাকত আজি অসমৰ ইমূৰৰ পৰা সি মূৰলৈ হেজাৰ হেজাৰ মজদুৰ নিৰনুৱা হৈ পৰি আছে। আৰু কেনেকৈ এই নিবনুৱা সমস্যা সমাধান কৰিব পৰা যায়, এই সম্পৰ্কে এটা ব্যৱস্থা কৰিব লাগে বুলি মই চৰকাৰক অনুৰোধ কৰিলোঁ।

দ্বিতীয়তে আন এটা কথা কব খুজিছো যে, চাহবাগানৰ মজদুৰ সকল বিভিন্ন ঠাইৰ পৰা আহি অসমত বসবাস কৰি থাকিল। যেতিয়া বৃটিশ চৰকাৰে ৰাজ্য চলাইছিল তেতিয়া আমাৰ অসমত বিভিন্ন ঠাইত তেওঁলোকে চাহবাগান আৰম্ভ কৰিছিল। তেওঁলোকে দ ঠাই বিলাক এৰি বাকী ওখ ঠাই বিলাকত চাহ শিল্প আৰম্ভ কৰিলে আৰু দ ঠাইবিলাক এই শ্ৰমিক সকলে বসতি কৰিলে। তেওঁলোকে পুৰুষানুক্ৰমে এই মাটি দখল কৰি আছিছে।

অসম চৰকাৰৰ Land Policy মতে যি সকলে বহুদিন ধৰি এই মাটিত দখল কৰি আছিছে তেওঁলোকে দখলীস্বত্ব পাব লাগে। কিন্তু চাহ বাগানৰ মজদুৰ, যিসকলে বহুদিন ধৰি এই মাটি দখল কৰি আছিছে তেওঁলোকে দখলী স্বত্ব পোৱা নাই আৰু তেওঁলোকক কোনো অধিকাৰ দিয়া নাই। কিন্তু তেওঁলোকে সেই মাটি বাপেকৰ পিচত পিতেক আৰু তাৰ পিতেক এনেকৈ খাই আছিছে আৰু

তাৰ কাৰণে মাটিৰ মালিকক খাজনা আদি দি আহিছে আৰু তাৰ কাৰণে বছিৰ পত্ৰও পাই আহিছে। এতিয়া মালিক সকলে Grow more food কৰিম বুলি কৈ মজদুৰ সকলক উচ্ছেদ কৰিছে। গতিকে মই চৰকাৰক অনুৰোধ কৰিছো, যাতে এই মজদুৰ সকলক মখলীস্বত্ব দিয়ে।

তৃতীয়তে চাহবাগানৰ মজদুৰৰ সমস্যা সম্পৰ্কে সদনত ২/৩ জন সদস্যই খুব বেছি কৈ কৈছে। চৰকাৰে মজদুৰ সকলৰ কাৰণে যথেষ্ট কাম কৰি আহিছে। তেওঁলোকৰ প্ৰতি চৰকাৰে কিবা অন্যায় কৰিছে বুলি কলে মই স্বীকাৰ কৰিব নোৱাৰো। যিহেতু আমাৰ চাহ মজদুৰ সংঘ গোটেই অসমৰ ভিত্তিতে বিয়পি আছে।

তেওঁলোকৰ শান্তি শৃঙ্খলা ৰক্ষা কৰাটোত আমাৰ চৰকাৰে যত্ন কৰিছে। সেই বাবে আইন কানুন বিলাকৰ (Industrial dispute Act.) দ্বাৰা জৰিয়তে চাহ মজদুৰ সকলৰ কিবা আপত্তি থাকিলে সেইটো বিবেচনা কৰি কোৱা হয়। গতিকে মজদুৰ বিলাকক বা Industry ৰ প্ৰতি চৰকাৰে কিবা অন্যায় কৰিছে বুলি কলে মই স্বীকাৰ কৰিব নোৱাৰো। গতিকে I. N. T. U. C. য়েও ভাৰতবৰ্ষৰ মজদুৰ বা Industry আদিৰ বনুৱা সকলৰ প্ৰতিও নজৰ ৰাখে আৰু তেওঁলোকৰ উন্নতিৰ কাৰণেও তেওঁলোকে চেষ্টা কৰে।

বোধহয় বহুতে নাজানে যে ব্ৰহ্মপুত্ৰৰ Tea Company টো বৰ্ত্তমান Trust board এ লৈছে আৰু তেওঁলোকে যাতে পইছা আদি পায় তাৰ বাবে অস্থায়ী ব্যৱস্থা কৰা হৈছে। বোধকৰো কেইজনমান সদস্যই নাজানি এই কথাটো সদনত উল্লেখ কৰিছে।

তাৰ পিচত আমাৰ ২নং ডাঙৰ সমস্যা হৈছে নিবনুৱা সমস্যা। আমাৰ দেশত নিবনুৱা সমস্যা চাৰিও ফালে বাঢ়ি গৈছে। বিশেষকৈ চাহবাগানত নিবনুৱা সংখ্যা বাঢ়ি গৈছে। এই নিবনুৱা সমস্যা সমাধান কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিলো। আৰু নিবনুৱা সমস্যা সমাধানৰ কাৰণে চৰকাৰে নতুন আঁচনি লব বুলি আশা কৰিলো। অসমত যি তেল শোধানাগাৰ তাতো এই ডেকা সকলক নিয়োগ কৰি নিবনুৱা সমস্যা সমাধান কৰিব পাৰে। আৱশ্যক হলে তেওঁলোকক ট্ৰেইনিং দিব লাগিব। আৰু এটা কথা কব খোজো যে, আমাৰ দেশ স্বাধীন হোৱাৰ পিছৰে পৰা বহুতে কৈছে উন্নতি

হোৱা নাই ; কিন্তু এইটো মই স্বীকাৰ কৰিব নোৱাৰোঁ। দেশত যে উন্নতি হৈছে, সেইটো ঠিক। কিন্তু উন্নতিৰ মান বা Standard অনুসৰি আমাৰ ৰাজ্যৰ উপাৰ্জ্জন যথেষ্ট হোৱা নাই। তাৰ ফলত আমাৰ ৰাজ্যত Industry বা শিল্প উদ্যোগ বৃদ্ধি হোৱা নাই আৰু যি বিলাক শিল্প আমাৰ ৰাজ্যত আছে, সেই বিলাকৰ উন্নতিৰ পথো চৰকাৰে সামৰণি মাৰিছে। যিহেতু আমাৰ ৰাজ্যৰ বহুতো ঠাইৰ ৰাস্তা পথ আদিত Electric Light বা বিজুলী চাকি নাই। তাৰ ফলত কিছুমান সমাজৰ কল্যাণ হৈছে আৰু কিছুমান সমাজৰ কল্যাণ হোৱা নাই। এতিয়া আমাৰ দেশত ৰাস্তা পথ গাড়ী আদি দিয়া হৈছে, এই-বিলাকৰ দ্বাৰা সকলোৱে ইচ্ছা মতে যাব পৰা হৈছে। আজি-কালি মানুহে প্লেনত উঠিছে, কিন্তু আগতে উঠা নাছিল। কাৰণ আগতে Train, বাছ আদি কম আছিল। এতিয়া এই সকলোবোৰ বৃদ্ধি পাইছে আৰু উন্নত বা শিক্ষিত সমাজৰ মানুহবোৰে প্ৰথম শ্ৰেণীৰ টিকট কাটি তিনিচুকীয়াৰ পৰা গুৱাহাটীলৈ আহিব পৰা হৈছে। অথচ তাতো দেখা যায় Train আৰু বাছ দুয়োটাতে মানুহৰ ভীৰ হৈ আছে। কেতিয়াবা আগ দিনাখনেই প্ৰত্যেক শ্ৰেণীৰ ঠাই Reserve হৈ থাকে, ফলত কেতিয়াবা যাত্ৰী আহিব নোৱাৰা হৈ পৰে। এইবোৰ অসুবিধা দূৰ কৰাৰ চেষ্টা কৰিব লাগে।

(সময় সঙ্কেত)

দ্বিতীয়তে ৰেল, গাড়ী আদি ষ্টেচনবিলাক পৰিষ্কাৰ হোৱা নাই। তিনিচুকীয়াৰ পৰা গুৱাহাটীলৈকে যিমাম Station আছে, সেই বিলাকৰ প্ৰত্যেক লেট্ৰিনতে ইমান দুৰ্গন্ধ ওলায় যে, মানুহে মুখ উলিওৱাৰ কোনো উপায় নাই। গাড়ীৰ Station বিলাকত যে কথাই নাই। গতিকে এইবিলাক চৰকাৰে সু-দৃষ্টিৰে চকু দিব লাগে। বিশেষকৈ Trasnport Station বিলাক পৰিষ্কাৰ কৰাৰ দিহা কৰিব লাগে। তিনিচুকীয়াৰ পৰা ডিব্ৰুগড়লৈকো সেই একেধৰণৰ অৱস্থা এনে ক্ষেত্ৰত জনসাধাৰনে কেনেকৈ সুস্থিৰে বা সুস্থতাৰে থাকিব পাৰে। গতিকে এইবিলাক অসম চৰকাৰে কিবা এটা ভাল ব্যৱস্থা কৰিব বুলি আশা ৰাখিলোঁ। মই আৰু এটা কথা কব খোজো যে কজিৰঙা হাবি ৰক্ষাৰ্থে যিবিলাক পুলিচ ৰাখিছে, সেই সকলে কাজিৰঙা হাবিত

ক'ত কি হৈছে সেইটো অনুসন্ধান কৰা দূৰৰ কথা; কিন্তু ৰাস্তাৰ সু-মাজতে গাড়ীখন ৰাখি মানুহবিলাকক মিছাতে কষ্ট দিয়ে আৰু কাজিৰঙাৰ নামত গাড়ী আৰু যাত্ৰীক হে census কৰি ফুৰে।

(সময় সঙ্কেত)

গতিক আমৰ চৰকাৰে যিটো অচল নীতি, সেইটো ভাল দৰে বলোৱা হোৱা নাই। অচল নীতিৰ পৰিবৰ্ত্তে চৰকাৰে জনসাধাৰণক বৰ দুঃখজনক অন্যায় কৰিছে।

তাৰ পিচত, ৰাজ্যপালৰ ভাষণত আমাৰ গৰীব শ্ৰেণীৰ লোকক উন্নত কৰাৰ কথা উল্লেখ কৰিছে। তথাপিও শিক্ষা সম্পৰ্কে চৰকাৰে বহুতো অৱহেলা কৰি আহিছে। আজি ৰাজ্যত বহুতো University, High School আদি শিক্ষানুষ্ঠান পাতিছে। কিন্তু সেই বিলাক গুৱাহাটী, নগাওঁ, ডিব্ৰুগড় আদি টাউনতে সীমাবদ্ধ হৈ আছে। তাৰ বাহিৰে অন্য অন্য অঞ্চল বিলাকত একোৱেই কৰা হোৱা নাই। গাওঁ বিলাকত থকা L. P. স্কুল বিলাক দেখিলে দুখ লাগে। আজি শিক্ষা বিভাগৰ D. P. I. নিজে গৈ ডিব্ৰুগড় অঞ্চলৰ গাওঁ বিলাকত থকা শিক্ষানুষ্ঠানবোৰ চোৱা হলে, দেখিলেহেতেন সেই স্কুলবিলাক কেনে জৰাজীৰ্ণ সংস্থাত আছে। স্কুলৰ কাৰণে এটা ভাল আলি-পদুলি নাই। যিমান বিলাক টিঙৰ ঘৰ, বিল্ডিং আডি আছে, সেই সকলো বিলাক নগৰেতে আছে; কিন্তু গাওঁ তথা পিচপৰা অঞ্চল-বিলাকত তেনেকুৱা ভাল ঘৰ এটাও দেখিবলৈ পোৱা নাযায়। তেনে অৱস্থাত শিক্ষাৰ উন্নতি হয় কেনেকৈ? অন্যফালে শিক্ষক সকলে কেনে ধৰণৰ শিক্ষাদান কৰিছে, তাকো অনুসন্ধান কৰিবলৈ নাযায়।

আমাৰ চৰকাৰৰ Education Deptt. এ শিক্ষাৰ দায়ীত্ব অকণো ভালদৰে কৰা নাই। শিক্ষাদানৰ যি বিলাক সামগ্ৰীৰ দৰ্কাৰ, সেই বিলাকো ভালদৰে যোগাৰ কৰি দিয়া নাই বিশেষকৈ ডিব্ৰুগড় অঞ্চলত থকা ভিতৰুৱা ঠাই বিলাকৰ শিক্ষাৰ উন্নতি মুঠেই হোৱা নাই। সূক্ষ্ম কাৰ্য্যকাৰী শিক্ষাৰ পৰিবৰ্ত্তে সাধাৰণ শিক্ষাকো নষ্ট কৰি পেলাইছে। গতিকে এইবোৰ অঞ্চলত থকা গৰীব ৰাইজৰ সু-শিক্ষাৰ বাবে মই চৰকাৰক অনুৰোধ কৰিলো।

**Adjournment**

The House then adjurned for lunch till 2 P. M.

( After Lunch )

**Mr. Speaker** :—আমি এতিয়াও বহুত পিচ পৰি আছোঁ গতিকে সদস্য সকলৰ বক্তৃতাত Time limit—থাকিলে ভাল হয়। ২ মিনিট থাকোতে warning bell পৰিব আৰু তাৰ পিছৰ bell-ৰ লগে লগে আসনলৈ যাবিব লাগিব।

**Shri Bhubaneswar Barman** :—উপাধ্যক্ষ মহোদয়, ৰাজ্যিক বিধান সভাত যিটো সংশোধনী প্ৰস্তাৱ দি মাননীয় সদস্য শ্ৰীফনী বৰাই যিটো সংশোধনী প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱ সমৰ্থন কৰি দুআষাৰ ক'ব খুজিছো। ৰাজ্যপালৰ ভাষণত, সমাজবাদী—সমাজ প্ৰতিষ্ঠিত কৰাৰ কাৰণে যিটো প্ৰতিজ্ঞা আমাৰ চৰকাৰে কৰা হৈছে সেই ক্ষেত্ৰত সুন্দৰ ছবি দাঙি ধৰিব পৰা নাই। প্ৰকৃততে আমাৰ দেশত যিটো মানুহৰ মাজত আৰু বিশেষকৈ দুখীয়া শ্ৰেণী, আৰু অনুন্নত সম্প্ৰদায়ৰ যিটো দুখীয়া শ্ৰেণী সেইটোক অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত সাহাৰ্যমূলক কোনো ইংগিত আমি তাত দেখা পোৱা নাই। বিশেষকৈ ভূমিহীন খেতিয়কৰ যি সমস্যা আৰু নিবনুৱাৰ সমস্যা বিস্ফোৰণ ধাৰণ কৰি আছিছে। আজি এবছৰ, দুবছৰ কৈ ২২ বছৰে এই ভূমিহীন খেতিয়কে চৰকাৰৰ আশ্বাসৰ প্ৰতি বাট চাই আছিল। আজি অসমীয়া প্ৰলুৱা ভূমিহীন খেতিয়কক ভূমিৰ পৰা বঞ্চিত কৰা হৈছে। আৰু চৰকাৰে যি নীতি গ্ৰহণ কৰিছে তাৰ ফলত কোনো ৰকমে মাটিহীনে মাটি নোপোৱাত তেওঁলোকে জনসাধাৰণৰ মাজত তেওঁলোকৰ দাবী প্ৰতিপন্ন কৰাৰ কাৰণে আগবাঢ়ি আহিছে। আজি চৰকাৰে ভূমিসংস্কাৰ আইন পাচ কৰিছে, সেই মতে ভূমিহীন খেতিয়কে মাটি পোৱা নাই। হয়তো চৰকাৰৰ মৰমৰ পাত্ৰ সকলে, বা বিষয়াক হাত কৰি মধ্যবিত্ত বা ধনী লোকে মাটি পোৱাৰ সা-সুবিধা কৰি লৈছে। আৰু চৰকাৰৰ যিবিলাক মাটিবিতৰণ কমিটি আছে তেওঁলোকৰ নিজৰ নীতি অনুসৰি কাম কৰিবৰ উদ্দেশ্য তেওঁলোকৰ পাৰ্টিৰ কৰ্মীক নিয়োগ কৰি থৈছে। আজি চৰকাৰৰ তৰফৰ পৰা অধিক শস্য উৎপাদন অভিযান চলাইছে। কিন্তু ভূমিহীন খেতিয়কৰ

অৱস্থা ভাল কৰাৰ কাৰণে চৰকাৰ আগবাঢ়ি অহা নাই ৰাজ্যপালৰ ভাষণত দ্বিতীয় পৃষ্ঠাত বিশেষকৈ গাওঁ অঞ্চলত ভূমিহীন খেতিয়কে গন-আন্দোলন সৃষ্টি কৰিবলৈ চেষ্টা কৰা হৈছে বুলি কোৱা হৈছে। এই গন-আন্দোলন চৰকাৰৰ ভুল নীতিৰ কাৰণে হৈছে।

উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে ভূমি সংস্কাৰৰ নামত যি পুস্তিকা বিতৰণ কৰিছে সেইখন তেওঁলোকৰ মতে ভাল ৰচনা হব পাৰে, কিন্তু তাত প্ৰকৃত ভূমিহীন খেতিয়কক মাটি দিয়াৰ কোনো ভাল ব্যৱস্থা নাই। চৰকাৰে ভূমিহীন খেতিয়কক মাটি পট্টন দিয়াৰ কাৰণে পঞ্চায়তৰ জৰিয়তে ভূমিহীন লোকৰ হিচাব লব ধৰিছে। আনহাতে চৰকাৰে বেদখল কাৰীক পট্টন দি আহিছে। ইয়াৰ ফলত তেওঁলোকৰ মাজত এই ধাৰনা হৈছে যে চৰকাৰী মাটি বা ৰিজাৰ্ভ বোৰ যদি দখল নকৰে তেতিয়া হলে আমি কেতিয়াও মাটি নাপাওঁ। সেইকাৰণে তেওঁলোকে বহুত ঠাইত খেতি কৰি অধিক শস্য উৎপন্নৰ কাৰণে আগবাঢ়ি আহিছে। চৰকাৰে মুখতে কয় অধিক শস্য উৎপন্ন কৰিবলৈ আৰু যেতিয়া খেতিয়ক সকলে মাটি দখল কৰে, উৎপন্ন কৰে। চৰকাৰে তেতিয়া তেওঁলোকক নিৰ্ম্মম ভাৱে অত্যাচাৰ কৰি, উচ্ছেদ কৰে। ১৭ ফেব্ৰুৱাৰী তাৰিখে, কালেগাৱঁত ১০ হাজাৰ খেতিয়কক উচ্ছেদ কৰা হৈছে। বনবিভাগৰ বিষয়াৰ দ্বাৰা হাতী লগাই, জুই লগাই কাপোৰ আদি পুৰি তেওঁলোকক ভাত খাই থকা সময়ত অত্যাচাৰ কৰি উচ্ছেদ কৰিছে। সেইকাৰণে উপাধ্যক্ষ মহোদয়, চৰকাৰক মই দাবী জনাওঁ যে এই উচ্ছেদ বন্ধ হব লাগে। চৰকাৰৰ অত্যাচাৰ আৰু ভুল নীতিৰ কাৰণে যদি এইটো গন-আন্দোলন প্ৰস্তুত হয়, তেনেহলে চৰকাৰে নিজেই এই ব্যৱস্থাৰ বাবে দায়ী হব লাগিব। বৰঘাগ্ৰা ৰিজাৰ্ভত প্ৰায় ১০০০ মাটি চৰকাৰে খাচ কৰি দিছে আৰু তাত কিছুমান দিহিৰাৰ পৰা অহা গড়া খহনীয়া পৰিয়ালক পট্টন দি সংস্থাপন কৰি দিছে। মই নিজে গৈ দেখিছোঁ ভূমিহীন খেতিয়কে ইয়াত যিবিলাক খেতি কৰিছে তাত বিঘাত প্ৰায় ২০ মোনকৈ ধান হৈছে। ১৯২৫ চনত চৰকাৰে additional forest ৰ ভিতৰত প্ৰায় বহু হাজাৰ একৰ মাটি অন্তৰ্ভুক্ত কৰি লৈছে। আজি দখলকৰা মাটি বনজহ বিভাগৰনে forestৰ তাক নিৰ্ণয় কৰা টান। সেই সময়ত ১৯২৫ চনৰ পাচত যি ৰিজাৰ্ভৰ ভিতৰত অন্তৰ্ভুক্ত কৰি মাটি লোৱা হৈছে

সেই মাটি লোৱাৰ পাচত ৰাইজৰ মাজত বিক্ষোভৰ সৃষ্টি হয়। এই বিক্ষোভৰ পাচত কিছুমান গাওঁ পুনঃ খুলি দিয়ে। তাৰ পিছত আজিও সেই বিৰ্জাভৰ ভিতৰত ৮২ একৰ মাটি খাচ মাটি সোমাই আছে বুলি ৰাইজৰ মাজত জনাজাত। আনহাতে বিজাৰ্ভৰ ভিতৰত চৰকাৰে আগতে পত্তন দিয়া ম্যাদী পট্টাও পৰি আছে। আজি সম্পূৰ্ণকৈ চাৰ্ভে কৰি নিৰ্ণয় নকৰাকৈ forestৰ মাটি ৰাজহ বিভাগৰ মাটি বুলি দাবী কৰাৰ থ'ল নাই। সেই কাৰণে মই দাবী জনাও উপাধক্ষ্য মহোদয়, অতি সোনকালে সেই বিলাক বিশেষ ভাৱে জৰীপ কৰক।

এতিয়াও ৮২০০০ হাজাৰ একৰ চৰকাৰী খাচ মাটি আছে। S. D. G. অফিচ Record বোৰতো এই মাটিৰ উল্লেখ আছে। ৰাইজৰ মাজত কোৱা মতে আজিও

(১) কালীবাৰীত— ১০০০০ একৰ।
(২) N. C. Tati—৩২০০০ ,,
(৩) ২নং কমলাবাৰীত ২০০০ ,,
(৪) সৰু যাম্রা— ১০০০ ,,
(৫) বৰ যাম্রাত
(৬) কৰণমতাত
(৭) বাৰ গাওত
} অদিত সম্পূৰ্ণ খাচ

মাটি খেতিৰ বাবে দিব পৰা মাটি আছে। এইবোৰ চৰকাৰী বিৰ্জাভ ৰাজহ বিভাগক খাচ মাটি কৰি লবলৈ আমি চৰকাৰক কৈ আছো। চৰকাৰৰ forest গাওঁবোৰ ৰাজহ বিভাগৰ অন্তভূক্ত কৰি লব লাগে। মুঠতে যিটো উচ্ছেদ কাৰ্য্য চলি আছে সেইটো বন্ধ কৰিব লাগে। অধ্যক্ষ মহোদয় মই এটা দাবী কৰিব বিচাৰিছো যে, এই সদনৰ ফালৰ পৰা এটা অনুসন্ধান কমিটি গঠন কৰি ইয়াৰ অনুসন্ধান কৰিব লাগে। এই বেদখল কৰি থকা সকল প্ৰকৃত মাটি হীন খেতিয়ক হয় নে নহয়, আৰু ফৰেষ্ট ৰিৰ্জৰ্ভ নে ৰাজহ বিভাগৰ মাটি এই বিষয়ত স্পষ্ট ৰিপৰ্ট দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু অসমত খেতি হোৱাৰ যিবিলাক বিজাৰ্ভ আছে সেই বিলাক Reserve ৰ মাটি মুকলি কৰি পৰিকল্পিত ভাৱে অসমৰ থলুৱা ভুমিহীন কৃষকক মাটি বিতৰণৰ উপযুক্ত ব্যৱস্থা কৰি দিয়াৰ দিহা কৰক। এনে নকৰিলে অসমৰ গৰীব শ্ৰেণী খেতিয়কৰ অৱস্থাৰ উন্নতি আশা

কৰিব নোৱাৰো । এই সমস্যা সমাধান কৰিব পাৰিলে দেশৰ অৰ্থনৈতিক ক্ষেত্ৰ স্বচ্ছল হব । আৰু আমাৰ অৰ্থনৈতিক ক্ষেত্ৰত আমি আগবাঢ়িব পাৰিম । সেইকাৰণে মই এই কমিটি গঠনৰ দাবী কৰিছো । অলপতে ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই বৰ মাজৰা গাঁৱৰ এখন ৰাজহুৱা সভাত কৈছিল যে, ভূমিহীন মানুহক মাটি দিবৰকাৰণে তেওঁলোকে সদায়ে চেষ্টা কৰি আছিছে । কিন্তু কাণেগাঁও, বৰঘাগ্ৰা ৰিজাৰ্ভবোৰ মুকলি কৰি দিয়া নহব । তাকে কৰিব লগা হলে তেখেতে পদত্যাগ কৰিব বুলিও হেনো কৈছে । যদি এইটো সচা হয় তেনেহলে মন্ত্ৰীত্বৰ পদবী একো ডাঙৰ কথা নহয় । দৰকাৰ হলে তেখেতে পদত্যাগ কৰক, এইয়ে আমাৰ কমনা । মুঠতে, আমাৰ কথা হ'ল তেখেতে পদত্যাগ কৰক বা নকৰক অসমৰ ভূমিহীন খেতিয়কৰ সমস্যাৰ সমাধান হব লাগে ।

শিক্ষা বিভাগৰ ক্ষেত্ৰত যি কাম চলি আছে, তাৰ দ্বাৰা ৰাজ্যত চৰকাৰ নাই যেন লাগে । শিক্ষা বিভাগত আজি যি অচল অৱস্থাই দেখা দিছে এইটো ভাবিলে অত্যন্ত দুখ লাগে । চৰকাৰে শিক্ষাৰ কাৰণে কিছুমান মঞ্জুৰী দিছে কিন্তু সেই মঞ্জুৰীৰ কাৰ্য্যতঃ তাৰ পৰিণত হৈছেনে নাই সেইটো চাবলৈকে কোনো নাই । কিছুমান স্কুলত মঞ্জুৰী দিছে । কিন্তু বস্তু বাকচতে পৰি আছে, তাৰ উচিত প্ৰয়োগ কৰা হোৱা নাই । আজি Cotton College ত কেইব জনো অধ্যাপকৰ স্থান পূৰণ কৰা হোৱা নাই আৰু তাৰ বাবে কোনো কাৰ্য্যকৰী ব্যৱস্থাও লোৱা নাই । বহুতো চাকৰিয়ালৰ চাকৰি শেষ হৈ গৈছে অথচ তেওঁলোকৰ Confirmation ই হোৱা নাই । আৰু ১৯৬৪ চনতে Pay-committee ৰ বেতন নিদ্ধাৰণ হৈছিল, কিন্তু বহুতো শিক্ষকৰ সেই মতে বেতন দিয়া হোৱা নাই । এই অস্থিৰ অৱস্থাটোৰ অতি সোনকালে পৰিসমাপ্তি ঘটাবহে মই কামনা কৰো ।

অধ্যক্ষ মহোদয়, আজি বিশেষকৈ আমাৰ শিক্ষিত, অশিক্ষিত আৰু অৰ্দ্ধশিক্ষিত সকলৰ মাজত যিটো নিবনুৱা-সমস্যা তাৰ সমাধানৰ ব্যৱস্থাৰ ৰাজ্যপালৰ ভাষণত কোনো ইংগিত নাই । কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা আমাক সদায় মাহী আইৰ ব্যৱস্থাৰ কৰি আহিছে । সেই কথাৰ প্ৰতিবাদ সদায় কৰি অহা গৈছে । দ্বিতীয় তেল শোধনাগাৰৰ বাবে অসমত যি জাগৰণে দেখা দিছে তাৰ

কাৰণেহে চৰকাৰে সজাগ হোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ ব্যৱহাৰেই এই জাগৰণৰ মূল। ইয়াৰ বিষয়ে কিবা প্ৰতি বেদনো আমাৰ চৰকাৰে দিছে বুলি কাগজে-পত্ৰই কতো দেখা নাই। অসম পুনৰ-গঠন কৰাৰ কাৰণে আমাৰ এই সদনত যি দৰে সকলোৱে মিলি এটা প্ৰস্তাৱ লৈছিল তেনেকৈ আজি আমি এই সদনত এটা প্ৰস্তাৱ দ্বিতীয় তেল শোধানাগাৰৰ ক্ষেত্ৰত লব লাগে, এই প্ৰস্তাৱটো শাসনত অধিস্থিত দলৰ পৰা হে উত্থাপিত হব লাগে। এই সময়ত তেখেত সকলে তেনে এটা প্ৰস্তাৱ আনিলেহে আমি তেখেত সকলৰ আন্তৰিকতা আছে বুলি বিশ্বাস কৰিব পাৰিম।

উদ্যোগীকৰণৰ ক্ষেত্ৰত বিশেষকৈ জীৱন-বীমা নিগমত "অটো মেচিন"ৰ প্ৰয়োগৰ ফলত কৰ্ম্মচাৰীৰ নিয়োগৰ বাট বন্ধ হৈ গল। ইয়াৰ প্ৰতিবাদ আমাৰ কৰা আৱশ্যক। নহলে থলুৱা নিবনুৱা সমস্যাৰ সমাধান হোৱাটো ইয়াৰ ভিতৰতে আন এটা প্ৰধান কথা হৈছে যে, ৰেল বিভাগৰ, সদৰ কাৰ্য্যালয়ৰ Divisional অফিচটো গুৱাহাটীৰ পৰা স্থানান্তৰ কৰি কাটীহাৰলৈ, নিবলৈ প্ৰস্তাৱ লৈছে। আমি ইয়াৰ বিৰুদ্ধেও একমত হব লাগে। নহলে আমাৰ বাঢ়ি অহা এই নিবনুৱা সমস্যা সমাধানত আমি অপাৰগ হম।

**M. Shamsul Huda** :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াই যি ভাষণ দিছে সেই ভাষণত অসমৰ বৰ্ত্তমান পৰিস্থিতিৰ যি বাস্তৱ অৱস্থা তাৰ লগত কোনো সংগতি নাই। সেই ভাষণত আমৰ ৰাজ্যৰ জনসাধাৰণৰ মঙ্গল সাধনৰ কোনো ইংগিত দেখিবলৈ পোৱানাই; বৰং তাৰ বিপৰীতে আমি দেখিবলৈ পাইছো যে, যিখন চিত্ৰ ৰাজ্যপালৰ ভাষণৰ জৰীয়তে দাঙি ধৰা হৈছে তাৰ দ্বাৰা গনতন্ত্ৰহে বিপন্ন হৈ পৰিছে।

অধ্যক্ষ মহোদয়। ৰাজ্যপালৰ ভাষণত চৰকাৰে যি শাসন ব্যৱস্থা চলোৱাৰ কথা কৈছে তাত গনতন্ত্ৰ আশাকৰিব নোৱাৰি, আপুনি জানে আৰু আমিও জানো যে ভাৰতবৰ্ষৰ যি সংবিধান কেন্দ্ৰত গণতন্দ্ৰৰ পদ্ধতিত ৰখাৰ ব্যৱস্থা কৰা হৈছে যদিও, ৰাজ্যিক পৰ্য্যায়ত সেই ব্যৱস্থা ৰখা হোৱা নাই। কিয়নো ৰাষ্ট্ৰপতিৰ নিৰ্ব্বাচন ভোটত নিযুক্ত কৰা হয়; কিন্তু আমাৰ ৰাজ্যৰ শাসন শক্তি এজন Appointed Bureacurate ৰ ওপৰত বা নিৰ্দ্দেশ মতে চলি আছে। আমি গণতন্ত্ৰৰ

নমুনাত যি কাম কৰিছো সি প্ৰকৃত গণতন্ত্ৰ নহয়। ৰাষ্ট্ৰপতি যিদৰে নিৰ্ব্বাচিত হৈ আহে, ৰাজ্যপালো সেইদৰে নিৰ্ব্বাচিত হৈ অহা উচিত। কিন্তু আজি বৰ্ত্তমান পদ্ধতিত আমাৰ মুখ্যমন্ত্ৰী যেন এজন প্ৰধান কেৰাণীৰ বাহিৰে একো নহয়। তেতিয়াৰ সহকৰ্ম্মী মন্ত্ৰীসকল Upper Division Assistant, Lower Division Assistant মাত্ৰ। আৰু আমাৰ প্ৰতিনিধি সকল যেনিবা Petition writer. তাৰ বাহিৰে একো নহয়। এইয়ে হৈছে বৰ্ত্তমান পদ্ধতিত চলি থকা গণতন্ত্ৰৰ নমুনা। সেইকাৰণে মই কওঁ আৰু ১৯৫২ চনৰে পৰা চিঞঁৰি আহিছো যে, ৰাজ্যৰ ৰাজ্যপাল নিৰ্ব্বাচিত হৈ আহিব লাগে। যদি ছনিয়া গান্ধীও ৰাজ্যপাল হয় তাত আমাৰ আপত্তি নাই; কিন্তু তেওঁ নিৰ্ব্বাচিত হৈ আহিব লাগিব।

গণতন্ত্ৰ বৰ্ত্তমান যি পদ্ধতিত শাসন চলিছে সেইটো আমি গণতন্ত্ৰ বুলি মানি লব নোৱাৰো। অধ্যক্ষ মহোদয়, মই নিজৰ মতামতহে প্ৰকাশ কৰিছো। আমাৰ ৰাজ্যপালৰ ভাষণৰ প্ৰথম পৃষ্ঠাত অনুপ্ৰবেশকাৰীৰ কথা কৈছে। অনুপ্ৰবেশকাৰী অসমৰ পৰা উলিয়াই দিয়ক, আমি তাক কোনেও অস্বীকাৰ কৰা নাই; বৰং আমি তাত পূৰ্ণ সমৰ্থনহে জনাইছো। কিন্তু তেওঁলোকক বহিষ্কাৰ কৰাৰ নামত চৰকাৰী নীতিৰ আলমত যি কাৰ্য চলিছে তাক প্ৰতিবাদ কৰিবলৈ আমি বাধ্য হৈছো। Tribunal এ যেতিয়া এজন মানুহক ধৰি নিয়ে S. P. য়ে। ইয়াৰ তদন্ত ভাৰ এৰি দিয়া হয়। এইবিলাক কথাই যদি সচা হয় তেনেহলে দেখা যায় স্বাধীন দেশৰ নাগৰিকক বিচাৰ কৰিব S. P. ক। এই Tribunal তেনেহলে Judiciary ও নহয়, Executive ও নহয়; অথচ এই Tribunal এই বিচাৰ কৰে।

এই Tribunal এ কেচ সিদ্ধান্ত কৰাৰ পাচত আকৌ নতুনকৈ উঠে। এই অনুপ্ৰবেশকাৰী সকলক খেদুৱাৰ বা বহিষ্কাৰ কৰাৰ নামত, অপ্ৰীয় হলেও ই সত্য আৰু কব লাগিব যে, এই সম্প্ৰদায়টোৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। এই সদনৰ সদস্য শ্ৰীমতী পুষ্প লতা বাইদেউও জানে নগাঁৱৰ ৰাংৰাই চাপৰিৰ প্ৰাক্তন নিবাসী কেইজন মানুহৰ কথা। মঙ্গলদৈতো তেনে হৈছে। আশ্ৰফ আলি নামৰ এজন মানুহৰ ওপৰৰ কেচ এতিয়াও চলি আছে। এই বিলাকত পুলিচৰ

মই মতালিয়ে মানুহক সন্ত্ৰাসৰ সৃষ্টি কৰিছে। ইটোৰ পাচত সিটোকৈ নানা ৰকমৰ অজুহাত দেখুৱাই এই সম্প্ৰদায়ৰ মানুহ বিলাক সৰ্ব্বশ্ৰান্ত কৰি তুলিছে আৰু গুৰুচৰ সীমা নোহোৱা কৰিছে। অত পইচা তত পইচা যতে ততে পইচা দিব লগীয়া হৈছে। সকলোতে পইচা পইচা কৰি হাইৰাণ কৰি তুলিছে। যি বিলাক P. I. P. Check post আছে সেই বিলাকত জুৰ জুলোম চলিছে। এই post বিলাকৰ কামকি বা function কি তেওঁলোকে বুজি নাপায় আৰু চৰকাৰেও বোধকৰো বুজাই দিয়া নাই। ভিতৰুৱা গাঁৱৰ মাজত গৈ এই বিলাকে কয় তোমালোকে এতিয়া যিয়েই নকৰা এটা সময় আহিব তেতিয়া তোমালোক যাবই লাগিব। অনুপ্ৰবেশকাৰী সকলক বহিস্কাৰৰ নামত এই সম্প্ৰদায়ৰ মাজত সন্ত্ৰাসৰ ভাব সৃষ্টি হৈছে। যেনেকৈ ইহুদি সকলৰ মাজত হিটলাৰে সন্ত্ৰাসৰ ভাব সৃষ্টি কৰিছিল। এই বহিস্কাৰৰ নামত বহুতো ভাৰতীয় নাগৰিক বহিস্কৃত হৈছিল আৰু এই মৰ্ম্মে যি প্ৰতিবাদ আমি কৰিছিলো তাৰ সত্যাসত্য প্ৰমাণিত কৰিবৰ কাৰণে আয়োগ পাতক আৰু যদি সচাঁ নহয় আমাক শাস্তি দিয়ক। আৰু যদি সচাঁ হয় তেনে হলে এই কংগ্ৰেছ চৰকাৰে গাদী এৰি দিয়ক। যোৱা বছৰ কিছুমান সমাজ বিৰোধী লোকে Refinery আৰু অসম পুনৰ গঠনৰ নামত কিছুমান বেয়াকাম কৰিলে। আন হাতে Refinery-Re-organisation and Land programme ৰ সম্পৰ্কত যিবিলাক আন্দোলন সেই বিলাক আমাৰ প্ৰয়োজনীয় আছিল। আৰু এই আন্দোলনত এই সদনৰ বিৰোধী দলৰ সদস্যও যোগ দিছিল। সেই হিচাপে এই আন্দোলন কাৰী সকলক সমাজ বিৰোধী বুলি কোৱাৰ মানে সকলোকে সাঙুৰিছে আৰু তাত জড়িত ১ কোটি ২০ লাখ জন সাধাৰনক অবমাননা কৰা হৈছে আৰু আনহাতে এই সদনক অবমাননা কৰা হৈছে। কংগ্ৰেছ চৰকাৰৰ এই কাৰ্য্য উচিত হোৱা নাই আৰু যেনেকৈ পশ্চিম বঙ্গত কংগ্ৰেছৰ অৱস্থা জীবন্ত সমাধিৰ নিচিনা হৈছে সেইটো ইয়াতো হব।

এই ৰাজ্যখনৰ কোনো ৰকমৰ উন্নতি হোৱা নাই। বেকাৰ সমস্যা কমা নাই। বেকাৰৰ কৰ্ম্ম সংস্থান কৰিব পৰা নাই। আমাৰ ৰাজ্যখন কৃষি প্ৰধান ৰাজ্য। বেকাৰ সমস্যা সমাধানৰ কাৰণে

বেকাৰৰ একাংশ লোকক শিল্প ক্ষেত্ৰলৈ পঠাই বাকী খিনিক কৃষিত নিয়োগ কৰিব লাগিব।

আমাৰ ইয়াত ৩০ লাখ বেকাৰ আছে। কিন্তু চৰকাৰী হিচাপ মতে কেবল শিক্ষিত সকলকহে ধৰি ৭ লাখ বুলি কৈছে। আমাৰ দেশত অৰ্দ্ধলিখিত বা অশিক্ষিত লাখ লাখ নিবনুৱা আছে। সেই বিলাকক চৰকাৰে হিচাবত ধৰা নাই। কেবল শিক্ষিত সকল, যিসকলে Employment Exchange ত নাম ভৰ্ত্তি কৰিছে তেখেত সকলক হে ধৰিছে।

(সময়ৰ সংকেত)

এই সমস্যাৰ সমাধান কৰিবলৈ বৈজ্ঞানীক উপায় অৱলম্বন কৰিব লাগিব। বাস্তু খনক শিক্ষামুখী কৰিব লাগিব। কিন্তু চৰকাৰে এই কাৰ্য্য কৰিব পৰা নাই। আমাৰ অসমত ২য় তেল শোধনাগাৰ স্থাপনৰ প্ৰসংগত কেন্দ্ৰীয় চৰকাৰে অসমৰ চৰকাৰৰ লগত ষড়যন্ত্ৰ কৰি নুনমাটিৰ তেল শোধনাগাৰটোৰ উৎপাদন ক্ষমতা বৰ্দ্ধিত কৰিব বুলি প্ৰস্তাৱ দি অসম বাসীৰ Sentiment Test কৰিব খুজিছে। তেলৰ ২য় শোধণাগাৰ স্থাপনৰ দাবী অসমৰ দাবী। সময়ত অসমৰ Sentiment প্ৰকাশ পাব।

ইয়াৰ বাহিৰেও অসমত কাগজৰ কল হব পাৰে কিয়নো অসমত বাহ আছে কাঠ আছে আৰো ধানখেৰৰ নৰাৰ পৰা আৰু মৰাপাটৰ ঠাৰিৰ পৰাও কাগজৰ মণ্ড তৈয়াৰ হব পাৰে। এই বিলাকৰ পৰা কাগজ তৈয়াৰ কৰাৰ চেষ্টা কৰা হোৱা নাই। কেৱল Norway আৰু Sweeden ৰ পৰা paper pulp আনে কাৰণে মাকিন পুজি-পতি সকল এই চৰকাৰৰ প্ৰভু। সেই কাৰণে কংগ্ৰেছ চৰকাৰে এই শিল্প বিলাক প্ৰতিষ্ঠা কৰিব নোখোজে। সেই কাৰণেই কংগ্ৰেছ চৰকাৰে ৰাজ্যত যিবিলাক প্ৰাকৃতিক সম্পদ আছে সেই বিলাক উদ্ঘাটন কৰিব নোখোজে।

Shri Kamakhya Prasad Tripathi—মাননীয় সদস্যই নাজানে যে এতিয়া বাহিৰৰ পৰা কাগজ আহিবলৈ নিদিয়ে। The Mrket is closed.

M. Shamsul Huda—তেখেতৰ Writing Pad টো যদি চায় তেন্তে দেখিব যে Norway বা Sweeden তৈয়াৰী বুলি ছাপ মৰা আছে।

তাৰোপৰি বেংকৰ চেক বহীৰ কাগজো বাহিৰৰ পৰাহে আহে ।

আজি এই শিল্প প্ৰতিষ্ঠা নোহোৱাৰ কাৰণে ঘৰে ঘৰে শিক্ষিত বেকাৰ হৈছে । দিনৰ পিচত দিন মন্ত্ৰীৰ ঘৰৰ দুৱাৰে দুৱাৰে অফিচাৰৰ দুৱাৰ মুখত শিক্ষিত বেকাৰে চাৰ্কৰি বিচাৰি ঘুৰি ফুৰিছে । শিক্ষিত বেকাৰে আজি ৰাস্তাই ৰাস্তাই ঘুৰি ফুৰিছে তেওঁলোকে উপায় নাপাই হাতত চিপ্ৰাং লব লগীয়া হৈছে ।

অধ্যক্ষ মহোদয় আজি কোনোবাই বিশ্বাস কৰিবনে যে ১০ বছৰীয়া ছোৱালীয়ে কাপোৰৰ অভাৱত নাঙঠ হৈ থাকিব লগীয়া হৈছে । উদাহৰণ স্বৰূপে বিত্তমন্ত্ৰী মহোদয়ে জানে নে নাজানে কব নোৱাৰো, কামৰূপ জিলাৰ বৰভাগ অঞ্চলৰ ১০ বছৰীয়া ছোৱালীৰেও নাঙঠ হৈ দিন কটাইছে । এনেকুৱা অৱস্থা কোনেও সহ্য কৰিব নোৱাৰে । আজি এনেকুৱা অৱস্থা হোৱাৰ কাৰণ দেশত শিল্প প্ৰতিষ্ঠান নাই । আৰু খেতিয়কৰ হাতত মাটি নাই । আজি খেতিয়কৰ হাতৰ মাটি দালালী কৰি কংগ্ৰেছ চৰকাৰে নিজ হাতলৈ আনিছে ।

আজি চাহ বাগিচাৰ ভৱিষ্যতৰ চাহিদা পুৰণৰ কাৰণে, V. G. R. P. G. R. ৰ নামত মাটি আৱদ্ধ কৰি ৰাখিছে । কিন্তু প্ৰকৃত খেতিয়কক দিয়া হোৱা নাই । আজি বছৰৰ পিচত বছৰ ধৰি খেতিয়কে মাটি পোৱা নাই আৰু আমাৰ কংগ্ৰেছ চৰকাৰে তেওঁলোকক বঞ্চিত কৰি ৰাখিছে । এই কংগ্ৰেছ চৰকাৰে মাটি বেদখল কৰি ৰাখিছে ।

(সময়ৰ সংকেত)

আজি সেই কাৰণে মই কব খুজিছো যে আমাৰ অসমৰ ১ কৌটি ১০ লাখ জনসাধাৰণৰ কংগ্ৰেছ চৰকাৰে আমাৰ ৰাইজৰ বাবে কি কৰিছে ? আজি পশ্চিম বঙ্গত যেনেকৈ কংগ্ৰেছ চৰকাৰৰ সমাধি হৈছে তেনেকৈ আমাৰ ইয়াতো কংগ্ৰেছ চৰকাৰৰ জীৱন্ত সমাধি হব কাৰণ মোৰ বিশ্বাস অসমৰ জাতি ধৰ্ম নিৰ্ব্বিশেষে সকলোৱে কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে আগবাঢ়ি আহিব ।

(সময়ৰ সংকেত)

**Shri Kamakhya Prasad Tripathi** :—It will be remembered, Sir, that this matter was discussed in the

Constituent Assembly and after a great deal of discussion they came to the conclusion that only the President of India should be elected and not the Governors.

**Shri Pushpadhar Chaliha**—অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ প্ৰতি জনোৱা ধন্যবাদ সূচক প্ৰস্তাৱটো সমৰ্থন জনাই মই দুটামান কথা কব খুজিছো। ৰাজ্যপালৰ ভাষণত অসমৰ প্ৰকৃত ছবি এটা আমাৰ আগত দাঙি ধৰিছে। আমাৰ প্ৰকৃত বিষয়টো অৰ্থাৎ খেতিয়কৰ কথা আৰু শিল্প প্ৰতিষ্ঠাৰ কথা তেখেতৰ ভাষণত উল্লেখ কৰিছে। আজি অসমবাসী এক মহা পৰীক্ষাৰ সন্মুখীন হৈ পৰিছে। আমাৰ ৰাজ্যপালে যি বিলাক পৰীক্ষা আৰু যি বিলাক সমস্যা আমাৰ আগত দাঙি ধৰিছে আৰু যি বিলাক সমস্যাই আমাক আগুৰি ধৰিছে সেই কথা প্ৰত্যেক অসমীয়াই উপলব্ধি কৰিব পাৰিছে। এইটো উপলব্ধি কৰিবলৈ যাওতে আমি এইটোও দেখিছো যে আমাৰ দেশখনৰ আটাইতকৈ জটিল সমস্যা হৈছে অৰ্থনৈতিক সমস্যা। এই অৰ্থনৈতিক সমস্যাৰ লগতে জড়িত আছে আমাৰ খেতিয়ক সকলৰ, আমাৰ শিক্ষিত ভেকা-নিবনুৱা সকলৰ আমাৰ নিবনুৱা যুবক-যুৱতী সকলৰ সমস্যা। এই নিবনুৱা সমস্যা সমাধান কৰিবলৈ যাওতে আমাৰ সকলোৱে এই সদনত যিমান বক্তৃতা দিছো যিমান সমালোচনা কৰা হৈছে সেই সমালোচনাই আমাৰ সমস্যা সমাধান নকৰে।

আজি আমাৰ মূল সমস্যা হৈছে যে, আমাৰ শিল্প প্ৰতিষ্ঠা কৰি আমাৰ নিবনুৱা সমস্যা সমাধান কৰক আৰু অৰ্থনৈতিক সমস্যা সমাধান কৰক। আৰু লগে লগে আমাৰ পাৰিবাৰিক সমস্যা সমাধান কৰক, লগতে সিবিলাকক উপকৃত কৰক।

অসম ভূ-গৰ্ভত বহুতো সম্পদ আছে। আমাৰ অসমৰ ভূ-গৰ্ভত বহুতো সম্পদ O. N. G. C. এ উদ্ঘাটন কৰিছে তাৰ পৰা বুজিব পাৰিছো যে আমাৰ অসম ভূ সম্পদত চহকী। এই সম্পদৰ পৰা শিল্প প্ৰতিষ্ঠান কৰাৰ মূল কাৰণ হৈছে আমাৰ অৰ্থনৈতিক সমস্যাৰ লগতে আমাৰ নিবনুৱা সমস্যা সমাধান কৰা। আজি আমি আন্দোলন কৰি এটা সুৰু-সুৰা Refinery

পাইছো । O. N. G. C. কমিচনৰ অফিচ এটাৰ কাৰ্য্যালয় এটাও ইয়াতে প্ৰতিষ্ঠা হৈছে । এই বিলাকে আমাৰ সমস্যা সমাধান কৰাত সহাঁৰি দিবপৰা নাই । আজি তেল শোধনাগাৰৰ বাবে অসমৰ যি পক্ষৰ পৰা দাবী কৰিছে এই দাবী আমাৰ জনসাধাৰণৰ দাবী । আমাৰ ইয়াৰ যি কোনো দলেই হওক, কংগ্ৰেছ বা অন্যান্য ৰাজনৈতিক দলৰ মানুহেই হওক সকলোৱে আজি কেন্দ্ৰীয় চৰকাৰক যি কেইটা যুক্তি দিয়া হৈছে সেই যুক্তি স্বীকাৰ কৰিব লাগে । আমাৰ চৰকাৰেও দ্বিতীয় শোধনাগাৰ স্থাপনৰ কাৰণে কেন্দ্ৰৰ ওচৰত তথ্য পাতিৰে অকাট্য যুক্তি ডাঙি ধৰিছে ।

**Shri Dulal Chandra Barua**—উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ অকাট্য যুক্তি কেন্দ্ৰীয় চৰকাৰে মানি লোৱা নাই ।

**Shri Pushpadhar Chaliha**— যুক্তি দাঙি ধৰিছে কিন্তু কোনো সিদ্ধান্ত এতিয়ালৈকে হোৱা নাই । কিন্তু এইটো আমাৰ অসমবাসীৰ জনমত বুলি মই বিশ্বাস কৰোঁ আৰু এই দাবী চৰকাৰে উপেক্ষা নকৰে বুলি ভাবো । আমি হতাশ হলে নহব কাৰণ আমি আশাবাদী ।

আমাৰ দ্বিতীয় সমস্যা হৈছে ভূমি সমস্যা । আজি আমাৰ মাননীয় সদস্য এজনে যিটো ভাষণ দিছে সেইটো শুনি মই স্তম্ভিত হৈছো আজি অসমক ৰক্ষা কৰাৰ যি দায়িত্ব তাৰ বাবে আমি অসম চৰকাৰক দোষ দিছোঁ । আজি প্ৰত্যেকজন চিন্তাশীল ভাৰতীয়ই বা পৃথিৱীৰ নাগৰিকে নিশ্চয় উপলব্ধি কৰিব যে অসম দেশৰ স্বাৰ্থৰ খাতিৰত যদি সম্পদ বিলাক কাটি দিয়া হয় তেন্তে দেশৰ বা-বতাহ নষ্ট হৈ যাব আৰু আমাৰ দেশ মৰুভূমিত পৰিণত হব । সেই কাৰণে আমাৰ বনজ সম্পদ আমি ৰক্ষা কৰিব লাগিব । আজি অসমৰ নহয়, ভাৰতবৰ্ষৰ নহয় পৃথিৱীৰ সকলো দেশেই এই কথা বুজি পায় । কিন্তু এই বিলাকলৈ আমাৰ কংগ্ৰেছ আৰু আন সকলো দলৰ সহযোগ লাগে ।

আমাৰ দ্বিতীয় সমস্যা, বনজ সম্পদ ৰক্ষাৰ ক্ষেত্ৰত আমাৰ প্ৰত্যেকজন চিন্তাশীল নাগৰিকে দেশৰ বৃহত্তৰ স্বাৰ্থ ৰক্ষা কেনেকৈ কৰিব পাৰে তাতজোৰ দিব লাগে । এইটো সকলোৰে দায়িত্ব ।

আমাৰ শস্যৰ কথা কোৱা হৈছে এই ক্ষেত্ৰত মাটিহীন মানুহক

মাটি দিয়াটোহে প্ৰধান কথা। কিন্তু এই কাম কৰিবলৈ যাওঁতে বনজ সম্পদ ধ্বংস কৰাটো আমাৰ মূৰ্খামিৰ কথাহে হব। আজি আমাৰ চৰকাৰে যি ভূমি-নীতি এই সদনত গ্ৰহণ কৰিছে সেই ভূমি-নীতি আমি দেখিবলৈ পাইছো কিন্তু প্ৰকৃত খেতিয়কক মাটি দিয়া হোৱা নাই। আজি অসমত মোৰ বোধেৰে কমেও ১৪ লাখ ভূমিহীন মানুহ আছে। এই ১৪ লাখ ভূমিহীন মানুহক সংৰক্ষিত অঞ্চলবিলাকত যদি স্থাপন কৰা নহয় তেন্তে আজিৰ পৰা ১০ বছৰৰ ভিতৰত এই ভূমিহীনলোকৰ সংখ্যা ২০ লাখ হব। আমাৰ জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে চৰকাৰে যি ব্যৱস্থা হাতত লোৱা উচিত তাক লৈছে। চৰকাৰে যি Ceiling Act. কৰিছে সেই Ceiling Act. মতে সোনকালে কাৰ্যাপন্থা হাতত লব বুলি মই সদনত দৃষ্টি আকৰ্ষণ কৰিলো। আজি আমাৰ দেশত মাটিহীন সমস্যাই ডাঙৰ সমস্যা। কিন্তু আমাৰ এই মাটি সমস্যা নক্সালবাতীৰ বা অন্য দেশৰ মানুহ আহি অসমবাসীৰ সমস্যা সমাধান নকৰে। ই এটা ৰাজনৈতিক সমস্যা হৈ পৰিছে আৰু আমি নিজে এই সমস্যাৰ সমাধান কৰিব লাগিব। আমি এই সদনত বহুতো সভাই বক্তৃতা দিলেই নহব। আমি নিজে আমাৰ কাৰণে চিন্তা কৰিব লাগিব। এই সম্বন্ধে মোৰ Land Advisory Committee লৈ পৰামৰ্শ এই যে আমাৰ যিমান বনজ সম্পদ আছে তাৰ কিছু সম্পদ ভাঙি কিছুমান ভূমিহীন খেতিয়কৰ মাজত বিতৰণ কৰি দিব লাগে। আৰু আশা কৰো এইদৰে কৰিলে আমাৰ সমস্যা সমাধানত কিছু সহায় হব এই সম্পৰ্কে গঠনমূলক দৃষ্টি ভঙ্গিৰে চিন্তা কৰি চাবলৈ মই চৰকাৰক অনুৰোধ কৰিলো।

তাৰ পিচত তেল শোধানাগাৰ আৰু ৰেল বিভাগ সম্পৰ্কে কাগজ পত্ৰই মানুহ মাজত এটি সন্ত্ৰাসৰ সৃষ্টি হৈছে। আমাৰ চৰকাৰ এই বিষয়ে যেন সজাগ থাকে তাৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিলো। অসমৰ বৰ্তমান পৰিস্থিতি আৰু ভবিষ্যতৰ পৰিস্থিতি সম্পৰ্কে চৰকাৰে যেন দৃষ্টি ৰাখে এয়ে কামনা।

তাৰ পিচত মই আৰু এটা বিষয়ে উনুকিয়াৰ খোজো যে আমাৰ যিবিলাক বাগিছাৰ পতিত মাটি চৰকাৰে অধিগ্ৰহণ কৰিছে সেই বিলাক

কাগজে কলমে বা ৰঙা ফিটাৰ মেৰ পাকত আৱদ্ধ নকৰি যেন সোনকালে কাৰ্য্যত পৰিণত হয় তাৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। কোনো এখন কাগজ S. D. C. বা D. C. ৰ ওচৰত ইফাল-সিফাল কৰোতে ৩/৪ বছৰ লাগে। গতিকে ইয়াৰ পৰা মানুহৰ মন ভাগি পৰে আৰু জনসাধাৰণৰ মন অতিষ্ঠ হৈ উঠে। আশা কৰো এই ৰঙা ফিটাৰ মেৰপাকত কাম বিলাক আৱদ্ধ হৈ নাথাকিব।

(Applause from opposition)

গতিকে এই বিষয়ে বিৰোধি অকাট্য যুক্তি দেখুওৱা হয় সেই বিষয়ে যেন ভালকৈ চিন্তাকৰি চায় তাৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Shri Kabir Chandra Pradhani** :— মাননীয় উপাধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণক সমালোচনা কৰো আৰু কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰি কেইটামান কথা কব খুজিছো। তাৰ লগতে সৰু সুৰা আৰু কেইটামান কথা উল্লেখ কৰিম, সেই কাৰণে সময় অলপ বেছি লাগিব। গতিকে আশাকৰো উপাধ্যক্ষ মহোদয়ে বেছি সময় দিব।

প্ৰথমতে মই এটা কৰুণ কাহিনীৰ কথাকম। এই সম্পৰ্কে মই মুখ্য মন্ত্ৰীলৈ টেলিগ্ৰাম কৰিছিলো। কিন্তু মুখ্যমন্ত্ৰীয়ে টেলিগ্ৰাম পোৱা স্বত্বেও কোনো খবৰ নিদিলে। সোনাহাটৰ B. S. F. এ তিনিজন মানুহ, ধৰি নি মাৰি মাৰি আধামৰা কৰিলে কিন্তু টেলিগ্ৰামৰ উত্তৰ নাই। তাৰে পিচত ৪।৫ দিন মানৰ পিচত শুনিলো যে তেওঁলোকে এতিয়াও আধামৰা অৱস্থাতে ঘৰত আহি আছে। আচৰিত কথা টেলিগ্ৰাম কৰা হ'ল কিন্তু আজি জনগণৰ বিপুল ভোটেৰে জয়ী প্ৰতিনিধি হোৱা স্বত্বেও কোনো তাক খবৰ নিদিলে।

B. S. F. থকা স্বত্বেও পাকিস্তানে বহুত গৰু মানুহ চুৰিকৰি লৈ গৈছে। তাৰ কাৰণে লিখালিখিও কৰা হৈছে।

যিহওঁক এনে অৱস্থা আৰু কৰুণ কাহিনী এটা নহয় আৰু বহুত আছে। মই unstarred question ৰ জৰিয়তে সুধিছিলো আৰু পাইছিলো মান কাছাৰৰ পৰা ছত্ৰসাললৈকে সীমাৰ B. S. F. ক এতিয়ালৈকে কমেও ১২/১৪ জনক Suspend কৰা হৈছিল আৰু

২/৩ জনক discharge কৰা হৈছিল। এই অঞ্চলত ১/২ মাইল সীমান্ত বাসী ভাৰতীয় নাগৰিকৰ ওপৰত নানাধৰণৰ অত্যাচাৰ আৰু অকথ্য ব্যৱহাৰ কৰা হৈ থাকে। অথচ ৰাজ্যপালে বছৰে বছৰে বাজেট অধিবেশনত ভাল ভাল মূল্যবান ভাষণ দি থকাৰ মূল্য কি থাকিব পাৰে? যদি এনেকুৱা ঘটনাৰ বিচাৰ নহয় তেন্তে অনতি পলমে ৰাজ্যত বিপ্লৱ আহিব। সৈন্য, বন্দুক বাৰুদলৈ ভয় নকৰি হাজাৰে হাজাৰে মানুহে বিপ্লৱৰ কাৰণে আগবাঢ়ি আহিব। আজি জনসাধাৰণ জাগি উঠিছে। ৰাজ্যত যদি শান্তি শৃঙ্খলাই নাথাকে তেনেহলে ৰাজ্যত কি কাম হব? আজি গৰীব জনসাধাৰণ যিসকলে খাদ্যৰ দাবীত শোভাযাত্ৰাৰে জিলাধিপতিৰ বা S. D. C. ৰ ওচৰলৈ যায় তেওঁলোক Anti Social elements বুলিকোৱা হয়।

১৯৬৭ চনৰ ২৭।২৮ মে'ত হালাকুড়া অঞ্চলত যি শিলাবৃষ্টি হৈছিল সেই টানডোএ গাওঁৰ মৰাপাট আৰু আহুখেতি সম্পূৰ্ণৰূপে ধ্বংস কৰিছিল। হেজাৰ হেজাৰ জনসাধাৰণে B. D. O. আগমনি ওচৰলৈ শোভাযাত্ৰা কৰি যোৱাত জিলাধিপতিয়ে ফোন যোগে কলে ইয়াৰ ব্যৱস্থা কৰা হব। B. D. O. তেতিয়া office ত আছিল কিন্তু একো নহ'ল। মানুহৰ এই চৰম অৱস্থাত B. D. O. চাহাবে জনালে যে ৰিপোৰ্ট চিলংলৈ জিলাধিপতিৰ জৰিয়তে পঠিওৱা হৈছে। ৰিপোৰ্ট চিলংলৈ আহিল কিন্তু কোনো ব্যৱস্থাই নহল। তেনেহলে চৰকাৰৰ এনেকুৱা অবহেলাৰ কাৰণে ৰাইজক নিদাৰুণ ভাবে ভুগিব লগা হৈছিল। তেনেকুৱা চৰকাৰ বেচিদিন তিষ্ঠিব নোৱাৰে। দাবী জনোৱাৰবাবে যেতিয়া ৬/৭ হাজাৰ মানুহৰ শান্তিপূৰ্ণ ভাবে D. C. ৰ ওচৰলৈ শোভাযাত্ৰা কৰি যায় তাৰ বিনিময়ত D. C. য়ে বন্দুক ধাৰী পুলিচহে পঠিয়ায়। গৰীব জনসাধাৰণৰ মাজত বন্দুকধাৰী পুলিচৰ উপস্থিতি ৰাইজে যেন সহ্য কৰিবপাৰে? অকল এয়ে নহয় আৰু বহুত আছে। এই বোৰ কাৰণত জিলাধিপতি ও মুখ্যমন্ত্ৰীলৈ Telegram কৰা হ'ল কিন্তু তাৰ কোনো প্ৰতিবিধান নহ'ল। Telegram কৰিলো কিন্তু তাৰ কংগ্ৰেছী মানুহে বিলাকে কয় কি হব, বিৰোধি M. L. A. কি কাম কৰিব? এয়ে হ'ল নিলজ্জ কংগ্ৰেছী লিডাৰৰ ব্যৱহাৰ?

অসমীয়াত এটা কথা আছে যে, "গাঁওয়ে নামানে আপুনিয়েই মৰল"। কংগ্ৰেছ নেতাবিলাকে গাৱলীয়া ৰাইজক বুজাই থাকে যিহেতু

কংগ্ৰেছী M. L. A. নহয়, বিৰোধি M. L. A. ৰ দ্বাৰা একো নহয়, তেওঁলোকে যেন একোনবুজে। এয়ে হ'ল কংগ্ৰেছী Leader ৰ অপকৰ্ম।

তাৰপিচত দুৰ্ভাগ্যক্ৰমে আহিল ৫ অক্টোবৰৰ তাৰিখৰ আকাশ বণ্যা। এই আকাশবণ্যাৰ কাৰণে উক্ত দিনত ১১ বজাত মই D.C. লৈ Phone ধৰিলো কিন্তু D. C. নীৰৱ। ৫ নে ১১ তাৰিখে Agriculture Minister যেতিয়া National Highway ৰে সেই ফালে যায় তেতিয়া National Highway ৰ ওপৰত ৩।৪ ফুট পানী আৰু তাত অসম্ভৱ Current. তেওঁ যে কেনেকৈ বাচি আহিল সেইটো আচৰিত কথা। মই তেতিয়া সেই Spot তে আছিলো আৰু মন্ত্ৰীমহোদয়ে নিজৰ গাড়ী এৰি Block ৰ জীপ গাড়ীৰে লৈ গৈছিল।

আৰু এজন মন্ত্ৰীৰ কথা কৈছো, তেখেত হ'ল "চয়দ আহমদ আলি চাহাব। তেখেত তেতিয়া ধুবুৰীত ৰহি আছিল। যেতিয়া হাজাৰ হাজাৰ মানুহৰ ঘৰ-বাৰী, গৰু-মহ বানপানীত ভাহি গল, তেতিয়া তেখেতে ৰাইজৰ দুঃখ দুৰ্দ্দশা চাবলৈ অনুৰোধ কৰা সত্বেও নাছিল। জিলাধিপতিও নীৰৱ। এইটো আচৰিত ধৰণৰ Administration. দেশত চৰকাৰ কিহৰ কাৰণে মানুহৰ প্ৰাণ আৰু সা-সম্পত্তি ৰক্ষা কৰিবৰ কাৰণে দেশত চৰকাৰ লাগে। অসংখ্য মানুহ যেতিয়া প্ৰাকৃতিক বিপদ সন্মুখলৈ আহিল, তেতিয়া তেওঁলোকে কোনো মানুহক ৰক্ষা কৰিবলৈ আগবাঢ়ি নাহে। তেনেহলে এইটো চৰকাৰ কিহৰ চৰকাৰ? এনেকুৱা ধাৰণা ৰাইজৰ মাজত হৈছে যে এই চৰকাৰ আমাৰ চৰকাৰ নহয়। য'ত তিনি, চাৰিবাৰ D. C. ক Phone কৰিও উত্তৰ পোৱা নাযায় ধুবুৰীত দুজন মন্ত্ৰী থকা সত্বেও কোনেও চাবলৈ নাহিল অত্যন্ত আচৰিত কথা আৰু নিৰ্লজ্জ কথা। যেতিয়া জন মানুহৰ বিপদ জনপ্ৰতিনিধিৰ পৰা এনেকুৱা ব্যৱহাৰ বৰ দুঃখ আৰু পৰিতাপৰ কথা তেনেকুৱা নিৰ্লজ্জ ঘটনা মই ক'তো দেখা নাই। (সময় সঙ্কেত)

অধ্যক্ষ মহোদয় মই আগেয়েই কৈছোঁ যে মোক সময় দিব লাগিব। আৰু এটা ঘটনাৰ কথা মই কওঁ মোৰ সমষ্টিত Rostom Ali বুলি এজন মানুহৰ পৰিয়াল—তেখেতৰ ঘৈণীয়েক আৰু ৪/৫ টা ল'ৰা ছোৱালী এখন ভগা নাৱেৰে আহি ৰেলৰে "প্লেটফৰ্মত" আশ্ৰয় লব খুজিছিল। কিন্তু বন্যাৰ প্ৰকোপত নাওখন উলতি গল আৰু দুই, ডেৰ মাইল আঁতৰত ৰাতি চাৰিটা বজাত Family বিচাৰি

পালোঁ। দিনৰ ১১ বজাত আমি যেতিয়া নাৱৰ কাৰণে D. C. ক phone কৰিছিলোঁ, তেতিয়া যদি নাও দিলে হেতেন, তেনেহলে Rostan Ali ৰিয়াল টোৰ এনে দুঃখ জনক অৱস্থা নহল হেঁতেন এনেকুৱা অৱস্থা সৃচাঁকৈয়ে আচৰিত; কাৰণ চৰকাৰৰ কোনেও ৰাইজৰ প্ৰাণ আৰু ধন-সম্পত্তি ৰক্ষা কৰিবলৈ অহানাই। সেইবাবে ভাৱো চৰকাৰ নোহোৱা হলেও হ'ব হেতেন।

সেই বানপানীত মানুহৰ প্ৰাণ, গৈছিল, গৰুমহ, ভাঁহি গৈছিল কিন্তু তাৰ প্ৰতিকাৰৰ কোনো ব্যৱস্থা D. C. এ লোৱা নাছিল। কিন্তু D. C. ৰ এই negligence ৰ বাৰে কি ব্যৱস্থা লোৱা হৈছে ? সেই দিনা মূখ্যমন্ত্ৰী যেতিয়া Circuit house লৈ গৈছিল তেতিয়া D. C. ৰ negligence বিষয়ে জনাইছিল ঘোৰ প্ৰতিবাদ জনাইছিল, তেতিয়া তেওঁ কৈছিল এই negligence ৰ কাৰণে বিশেষ ব্যৱস্থা লব। কিন্তু পাছ দিনা ৭ বজাত ৫ খন নাওঁ উদ্ধাৰ কৰিবলৈ আহিছিল সেই নাওৰে আমি ৰাইজে দিয়া বস্তু বিলাক বিতৰণৰ কৰিছিলো। তাৰ পাচত চিলঙলৈ গৈ অৰ্থ মন্ত্ৰী আৰু মূখ্য মন্ত্ৰীক লগ ধৰি আমি জনালো, কি দৰে বান পানীত ১ই হাত পৰ্য্যন্ত silt পৰিছিল। সেই দুৰ অৱস্থাৰ কথা আমি ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো। মই নিজেই সেই অৱস্থাৰ ভুক্ত-ভোগি। ঘৰৰ ভিতৰত চকীৰ ওপৰত চাকি ৰাখি কিদৰে বহি আছিলো। Gratuitous Relief দিব লাগে বুলি আমি দাবী কৰিছিলো আৰু ১৫ দিনৰ কাৰণে সেই ৰকমৰ Relief দুখীয়া মানুহৰ মাজত (যিবিলাকে hand to mouth জীয়াই আছিল) তেওঁ বিলাকৰ মাজত বিলাই দিবলৈ দাবী কৰা হৈছিল কিন্তু D. C. চাহাবে ৬ দিনৰ ভিতৰত Relief বন্ধ কৰি দিলে। ১৪ তাৰিখে ১০ হাজাৰ মানুহ ইয়াৰ প্ৰতিবাদ কৰিবলৈ সভা পাতিলে। হৈছিল কিন্তু D. C. এ কোনো কথা নুশুনিলে। মানুহ বিলাকে ৪/৫ দিন নোখোৱাকৈ আছিল। কিন্তু তাৰ ব্যৱস্থা কোনেও নকৰিলে। তাৰ পাচত আহিল মধ্য কালীন সাহাৰ্য্য। এই মধ্য কালীন সাহাৰ্য্যৰ কথা কবলৈ গলে বহুত কথা আছে। মানুহ বিলাকে যি আপত্তি জনাইছিল তাত আপত্তি জনোৱা কোনো কথাই নাছিল। ৰাইজে মথোন নিজৰ দুৰ্গতিৰ কথাবোৰ প্ৰকাশ কৰিছিল। তেওঁলোকৰ ন্যায্য দাবী জনাব বুলি-যেই গোট খাইছিল আৰু তেওঁলোকৰ দাবী বিলাক উথাপন কৰি-

ছিল । সেই দিনা আছিল ২৪ ডিচেম্বৰ । বানপীড়িত ৰাইজৰ দাবীৰ বাহিৰে কোনো কথাই নাছিল । তাত কোনো বিদ্ৰোহৰ কথা নাছিল । কিন্তু আচৰিত, জিলা অধিপতিয়ে তাৰ বাবে যি আয়োজন কৰিছিল ভাবিলে আচৰিত হব লাগে । তেওঁ চিলঙৰ পৰা ৩০০০ C. R. P. আনি গোটেই ধুবুৰী চহৰ ভৰ্তি কৰি কি ভাবে ৰাইজৰ ওপৰত অত্যাচাৰ কৰিছিল সেইটো কবলৈ গলে বৰ দুখ লাগে । ৬০০০ C. R. P. আনি সকলোঠাইয়ে যেনে গৌৰীপুৰ বিলাসীপাৰাৰ পৰা গোলকগঞ্জ আদি ঠাইত ভৰ্ত্তি কৰি থলে । আৰু ৰাইজৰ মাজত ভীতি সঞ্চাৰ কৰিলে । অনাথা বিধবা মানুহৰ ওপৰত কম অত্যাচাৰ কৰি এৰা নাই । উক্ত সভালৈ মানুহ যাতে আহিব নোৱাৰে তাৰ কাৰণে ৩ ঘন্টাৰ কাৰণে বাচ বন্ধ কৰি দিছিল । ৰাটত বাছ, ৰেলগাড়ী থমাই টিকট কটা মানুহকও নমাইছিল । মানুহৰ গণতান্ত্ৰিক অধিকাৰ সভাসমিতিত যোগদান কৰা কেনেকৈ বন্ধ কৰা হৈছে শুনাব খোজো—**Held a camp court and convicted a number of Drivers and Handimen and collected a big amount**...

কোকৰাঝাৰৰ জনজাতীয় মানুহে নিজৰ দাবীৰ বাবে এখন দৰখাস্ত দিবলৈ যাওঁতে পুলিচে বাধা দিয়াৰ ফলত কোকৰাঝাৰত বহুতো লোকৰ মিছিলক ভাঙ্গি দিবৰ চেষ্টা কৰা হয় । এইবোৰ নিৰস্ত্ৰ ৰাইজৰ মিছিলৰ ওপৰত পুলিচে Firing কৰিবলৈ ধৰিলে । ফলত জনজাতীয় মানুহ মৰা আৰু তিৰোতা মানুহসকলৰ ওপৰত ভীষণ অত্যাচাৰ কৰা হ'ল । এইদৰে যি মানুহবোৰে ৰাজনৈতিক চেতনাত উদ্বিত হৈছিল পুলিচে কোৱাই তেওঁলোকৰ মেৰুভাঙ্গি দিয়াৰ চেষ্টা কৰা হৈছিল । শ শ জনজাতিয় ৰাইজক জেলত ভৰ্ত্তি কৰা হৈছিল । ঠিক তেনেকৈ ধুবুৰীতো অত্যাচাৰ কৰি ৰাইজক ভৰ্ত্তি কৰাৰ উদ্দেশ্য আছিল । কিন্তু শান্তিপূৰ্ণ ৰাইজক সেইবাবে চাল খুৱাব নোৱাৰিলে । এই জিলাধিপতিয়ে বিধৱাৰ বাবে দিয়া ৫৬০০০.০০ টকাৰ ৯৫০০ খন কম্বল সকলো ৰাইজৰ মাজত ভাগ কৰি দি বিধবাক বঞ্চিত কৰিলে । বিধবাৰ কথা কৈছো—ভাগ্যত, এটোকো নুজুৰিলে । কম্বলৰ ইতিহাস বাদেও আৰো বহুতো কবলৈ আছে । আচৰিত ধৰণৰ ব্যৱস্থা এই D. C. চাহাবে কৰিছিল ।

আচৰিত হব লাগে, এই জনা D. C. কি ব্যৱহাৰ কৰিছিল চৰকাৰে সেই কথা কোনো নাজানে ? তেওঁ কৈছিল যে তেওঁ কংগ্ৰেছ দলৰ লৰা । এই জন বিষয়াৰ দ্বাৰাই পঞ্চায়ত election ৰ নামত গাঁওৰে ভৰে Arm force পঠিয়াই ৰাইজৰ মাজত সন্ত্ৰাসৰ ভীতিৰ সৃষ্টি কৰিছিল । সেইখন গাওঁৰ মানুহৰ মাজত যথেষ্ট unity আছিল । নিৰ্ব্বাচন আগতে গাওঁখন ভাঙি দিয়াৰ ফলত ৰাইজে High court ত case কৰিছিল কিন্তু মন্ত্ৰী মহোদয়ে মোক অনুৰোধ কৰাত মই case টো high court ৰ পৰা উঠাই ললো । কিন্তু যেতিয়া একো যে নহল সকলো মানুহে পঞ্চায়ত নিৰ্ব্বাচন বয়কোট কৰিলে । এই কাৰণে military আনি ৰাইজক দেখুৱাই ভোট দিয়াৰ ব্যৱস্থা কৰিছিল । এইজন বিষয়াই কিছুমানক টকা দি কিছুমানক চাকুৰীৰ প্ৰলোভন দেখুৱাই ভোটত প্ৰাৰ্থী হিচাবে থিয় হোৱাৰ ব্যৱস্থা কৰিছিল । গতিকে এইজন কেনেকুৱা মানুহ আপোনালোকে ভাবি চাওক । সেই কাৰণে গোৱালপাৰা জিলাৰ মানুহৰ মনত অসন্তুষ্টি বাঢ়ি গৈছে আৰু বাঢ়ি যাব । এনেকৈ অসন্তুষ্টি জুই জ্বলি জ্বলি বাঢ়ি যাব । কংগ্ৰেছ চৰকাৰে তাক নুমুৱাব নোৱাৰিব । সেই বাবেই ধ্বংস হোৱাৰ আগতেই গাদিৰ পৰা আঁতৰি যাব লাগে ।

**Shrimati Pranita Talukdar** : Mr. Deputy Speaker, Sir, I congratulate the Governor for his illuminating speech delivered in this august House. The Governor in his address has tried to cover all the important events and important problems of the State of Assam. He has mentioned about the most vital issues of the time such as re-organisation problem of Assam, Mizo situation, tension in the Nagaland border, the problem of infiltration and the establishment of the second refinery in Assam. Sir, the demand for the establishment of a second refinery in Assam is a just demand of the people of Assam because we know that the crude oil which is produced in Assam is a great boon to Assam. We know that Assam is industrially backward and so if the second refinery is started here then it will be a good step for industrialisation and it will ultimately help to solve the problem of unemployment in our State. I therefore do hope that our State Government should be bold enough and should take a bold stand in regard to this very important matter, otherwise, it will be a great injustice to the people of Assam.

Again Sir, in regard to the various developments made in the various fields in our State, the Governor has also given us a good picture. We know Sir, that Assam is in economic backwardness. But we are glad to find here in the Address that to help Assam's economic backwardness and her special problems, the Government of India have decided to treat Assam on a special footing for allocation of Central financial assistance. Sir we know that a well-planned economy for Assam in mainly depend on industrial expansion, development of agricultural resources, good transportation system and reorgientation of a good system of education. Sir, although some progress has been made in the field of industry in our State, the problem of unemployment has not yet been solved. So, I do hope that during the Fourth Five-Year Plan many industrial projects will be started here, and it will be of great help to solve the problem of unemployment. We should also give more importance to the development of cottage industries and small and village industries in our State because these will employ many unemployed persons of the rural areas. It is a fact Sir, that rapid industrial development in any State is possible only through maximum development of agricultural potentialities of the State.

We know that Assam is an agricutural State where 75% of the population live on agricuture. Therefore, our efforts should be to improve the method and technique of agriculture and to give importance to the production of good variety of food stuff. Of course, our State Government is doing its best to improve all types of food production and we are sure that in the near future our state shall be self-sufficient in this regard. Sir, of course we know that Assam's agriculture is mainly affected by flood and erosion. There are innumerable rivers in Assam which are very unstable and these rivers are causing great harm to the people of Assam. Every year we see that these unstable rivers are eating away up properties and vast areas of land with crops. Therefore, I draw the kind attention of the Government to take long-term flood control measures and anti-erosion measures immediately. It will really help in our economic development. Consistent with this problem there is another important problem and that is the policy of land reforms. We know that our Government has issued a land settlement policy in our State but still there is problem of land settlement, because this policy

has not yet been made effective. Sir, we have seen that in Assam, many people are encroaching the reserves and our Government is not taking any action against them. I think our Government should punish those encroachers as these people are going against the law and order of a democratic State like Assam. I feel that those people who are really landless must get land. But I have seen that in my Sub-division, Barpeta, the refugees from Pakistan have not yet been given settlement. They should get land and they should be rehabilitated in our State.

Sir, I do not want to take much of the time of the House. Lastly, I want to say a few words about the system of education in our State. With regard to the system of education I would like to suggest that a well-planned policy should be persued for the improvement of education. Education is a social instrument and as a social instrument, ed cation has the primary task to help the economy of our country. If our education is vocation oriented and agricultural based it will help to solve the problem of unemployment in our State. Here I would like to refer to the statement made by Dr. Kothari. He said that "as education had a link with countrys economy, we must have an articulate goal in education, otherwise the national resources would go waste." He also said "in building up of national prosperity and security in a big country like India, educational system must have a clearly defined goal"." But our present system of education seems to lacking orientation. Sir, in our State there has been tremendous growth of schools and colleges and these institutions are giving a academic instructions, which are not at all helpful to our younger generation. Therefore we should not allow mushroom growth of such institutions, but we should give stress for the establishment of the technical and vocational institutions because that will help to give employment to our unemployed youths.

Sir, what is more important to-day is to give more stress on the quality of education......

**Shri Giasuddin Ahmed**— Mr, Deputy Speaker, Sir, one of the hon. Members of the Treasury Bench is sleeping; he should be provided with a pillow !

**Shrimati Pranita Talukdar**—As I said, what is more important today, I think is to improve the quality and not the quantity

of education. Quantity only deteriorates the standard and quality of education. So, we want good quality and standard of education which will really help to produce useful citizens of our country. This will ultimately help in improving our State's economy also, With these words, I conclude my speech.

**Shri Atul Chandra Goswami** মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ পঢ়ি মোৰ এটি ফকৰাৰে মনত পৰিল "মজ মৰত নাই চুলি কৈয়েকে মাতে ৰূপহী বুলি।" বৰ্ত্তমান আমাৰ প্ৰদেশ খনে সন্মুখীন হোৱা মূল সমস্যা সমূহৰ প্ৰতি ৰাজ্যপালৰ ভাষণত কোনো ধৰণৰ সঠিক উল্লেখ অথবা সমস্যা সমূহৰ সুস্থ সমাধানৰ ইঙ্গিত নাই। আজি অসমৰ গাঁৱে-ভূঞে, নগৰে-চহৰে শিক্ষিত আৰু শিক্ষি দুয়োবিধৰ নিবনুৱাৰ সংখ্যা বৰকৈ বাঢ়িছে কিন্তু এই সমস্যাটো কিদৰে সমাধান কৰা হব তাৰ কোনো নিৰ্দ্দিষ্ট আঁচনি নাই। চৰকাৰে কেৱল নিয়োগ বিনিময় কেন্দ্ৰত নাম ভৰ্ত্তি কৰা লোক সকলকহে নিবনুৱা বুলি কৈছে কিন্তু ই সত্যৰ অপলাপহে মাথোন। গাঁৱৰ খেতিয়ক সম্প্ৰদায় আৰু বাগিচাৰ মজদুৰ সকলৰ মাজতো অসংখ্য নিবনুৱাৰ সৃষ্টি হৈছে। অসমৰ জনসাধাৰণে সেয়ে ন্যায়সংগত ভাবে দাবী কৰিছে যে অসমত নতুন উদ্যোগ স্থাপন কৰি কৰ্ম্ম সংস্থানৰ ব্যৱস্থা কৰিব লাগে। উদ্যোগীকৰণৰ অবিহনে দেশৰ অৰ্থনৈতিক ব্যৱস্থা সমৃদ্ধিশালী আৰু কৰ্ম্ম সংস্থাপন সম্ভৱ নহয় কিন্তু অসম চৰকাৰৰ ঔদ্যোগিক নীতি সম্পূৰ্ণ ব্যৰ্থ হৈছে। ব্যক্তিগত খণ্ডৰ কথাই নকওঁ অসমৰ ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহো পৰিচালনাৰ দোষত ধ্বংস প্ৰাপ্ত হৈছে। অসমৰ প্ৰায়বোৰ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ দায়িত্ব হয় অৱসৰপ্ৰাপ্ত চৰকাৰী চাকৰিয়াল নহয় যোৱা সাধাৰণ নিৰ্ব্বাচনত ৰাইজে নাকচ কৰা কংগ্ৰেছী লোকক দিয়া হৈছে। শিলঘাটৰ অসম সমবায় জুট মিলৰ ঘৰ, যেতিয়া নবহতেই তিনিবাৰ ভাগিছে। ইয়াৰ সভাপতি জন ৰাইজে নিৰ্ব্বাচনত নাকচ কৰা কংগ্ৰেছী যোৱা ১০ বছৰে এই প্ৰতিষ্ঠানটোৰ অংশীদাৰ সকলৰ সাধাৰণ সভা বহা নাই। অসমৰ চেনীকল বোৰ্ডে বন বিভাগৰ বাঁহ specialist এজনক Suger cane specialist হিচাবে নিয়োগ কৰা হৈছে যদিহে কথাটো সঁচা হয় এজন বাঁহ বিশেষজ্ঞই চেনীৰ উৎপাদন বৃদ্ধিত কিদৰে সহায় কৰিব? সেয়ে—অসমৰ উদ্যোগসমূহৰ পুনৰ

বিন্যাস হব লাগে আৰু ন-পুৰণি উদ্যোগবোৰ কৰ্ম্ম সংস্থাপন অভি-মূখি কৰি তুলিবলৈ আমি দৃঢ়তাৰে দাবী জনাওঁ।

অসমৰ নগৰ আৰু গাওবোৰ উন্নত কৰাৰ আচনিৰ কথা ৰাজ্য পালৰ ভাষণত দেখিবলৈ পোৱা নহল। উদাহৰণ স্বৰূপে অসমৰ একমাত্ৰ মহানগৰ গুৱাহাটীৰ নাগৰিক সকলক আজিলৈকে এখন নিৰ্ব্বাচিত নগৰ পালিকা দিয়াৰ অধীকাৰৰ পৰা বঞ্চিত কৰা হৈছে। গুৱাহাটী নগৰৰ কাৰণে যি জন Executive officer পঠোৱা হৈছে তেওঁ এজন সুযোগ্য ব্যক্তি। ৰাইজৰ আস্থা ভাজন এই officer জনক নগৰখন উন্নত কৰি তুলিবৰ কাৰণে চৰকাৰে আৱশ্যকীয় পুঁজিৰ যোগান ধৰিব পৰা নাই। গুৱাহাটী মহানগৰীৰ বাট পথৰ দুৰৱস্থা দুৰ হোৱা নাই। আজিলৈকে অসম চৰকাৰৰ নিজা অনুষ্ঠান Assam Construction Corporation এ হাতত লোৱা ভৰলু দলংৰ কাম আধৰুৱা হৈ আছে। উজান বজাৰৰ ৰেলওৱে অভাৰ ব্ৰিজৰ কামো সম্পূৰ্ণ হোৱা নাই। মই আশা ৰাখিছোঁ যে গুৱাহাটী মহানগৰীৰ উন্নয়নৰ কাম দ্ৰুত গতিত কৰা হব।

আমি এই বছৰতে গান্ধী শতবাৰ্ষিকী উদ্‌যাপন কৰিম কিন্তু গান্ধী মাৰ্কা চৰকাৰে এই শতবাৰ্ষিকী উৎসৱত অসমৰ গাৱভূঁইৰ উন্নয়ণৰ কোনো আচনি উল্লেখ নকৰাত হতাশ হৈছোঁ। অসমৰ গাঁওবোৰত আৰু বিশেষকৈ জনজাতীয় schedule ca te, schedule tribe আৰু Backwad সম্প্ৰদায় অধ্যুষিত অঞ্চলবোৰত ঘাইকৈ দুটা বস্তুৰ অভাৱ বিশুদ্ধ খোৱা পানী আৰু উন্নত পায়খানা। এই অঞ্চলবোৰত লৰা ছোৱালীবোৰৰ পেটবোৰ তাহানিৰ পোষ্ট অফিচত আৰি থোৱা মেলেৰীয়া বেমাৰীৰ পেটটোৰ দৰে শকত। তেওঁলোকৰ পেটবোৰ Hookworm ৰ ভৰাঁল এই বছৰত অন্তত: অসমৰ এনে পিচ পৰা অঞ্চলৰ গাওঁবোৰত পানী যোগান আৰু পায়খানা কৰাৰ এখন ব্যাপক আঁচনি লব লাগিছিল। গান্ধীৰ নাম লোৱা চৰকাৰে গান্ধী শতবাৰ্ষিকীৰ বছৰটোত অন্ততঃ পক্ষে ওৱাৰ্দ্ধা টাইপৰ পায়খানা নিৰ্ম্মানৰ এখন আচনি লোৱাৰ কথা ৰাজ্যপালৰ ভাষণত থাকিব লাগিছিল

অসমৰ সম্মুখত আন এটা প্ৰধান সমস্যা হৈছে মাটিহীন খেতিয়ক সকলক মাটি পট্টা দিয়াৰ সমস্যা। ৰাজ্য পালৰ ভাষণত অসম চৰকাৰৰ ভূমিনীতিৰ কথা উল্লেখ কৰা হৈছে। বাস্তৱত

এই ভূমি নীতিৰে আমাৰ ৰাজহ মন্ত্ৰী আৰু মাটি বিতৰণ কমিটি-বোৰে কাকো মাটি দিব নোৱাৰে। অথচ চৰকাৰৰ পৃষ্ঠপোষকতাত কিছুমান দালালে মাটি গোটেই অসমত বিতৰণ কৰিছে। নগাৱৰ এজনলোকে এটি সমবায় সমিতি পাতি সমবায়টো ৰেজিষ্টাৰ নকৰাকৈয়ে চৰকাৰী চপা ৰছীদত ধন সংগ্ৰহ কৰি মাটি বিতৰণ কৰিছে। (ৰছিদখন পঢ়ি শুনাই)। ৰছিদত ১১ অনা লেখা থাকিলেও এইজন লোকে মানুহবোৰৰ পৰা ২০০ টকালৈকে আদায় কৰিছে। চৰকাৰেই এনে ধৰণৰ দালালক ৰক্ষণা-বেক্ষণ দিছে। মই এই সম্বন্ধে অসমৰ ৰাজহ মন্ত্ৰী আৰু সমবায় বিভাগৰ মন্ত্ৰীলৈ দৃষ্টি আকৰ্ষণ কৰিছিলো। ৰাজহ মন্ত্ৰীয় নগাঁৱৰ D. C. লৈ কিবা লিখিছে কিন্তু সমবায় বিভাগৰ মন্ত্ৰীৰ কোনো ভু-ভুটুং নাই সমবায় বিভাগৰ যিবোৰ কৰ্মচাৰীয়ে এনে দুৰ্নীতি কৰে তেওঁলোকৰ ওপৰত ব্যৱস্থা লবলৈ চৰকাৰ একেবাৰেই উদাসীন।

ৰাজ্যপালে তেওঁৰ ভাষণত অসমৰ বাট পথৰ কথা উল্লেখ কৰিছে। এই কথা সচাঁ যে অসমৰ যোগাযোগ ব্যৱস্থা অত্যন্ত শোচনীয়। অসমত উদ্যোগ স্থাপন নোহোৱাৰ ইয়ো এটি অন্যতম কাৰণ। ভাৰত বৰ্ষৰ ভিতৰতে অসমৰ পৰিবহণ খৰছ আটাইতকৈ বেছি। যাতায়ত ব্যৱস্থাৰ উন্নত কৰণৰ স্পষ্ট আঁচনি ৰাজ্যপালৰ ভাষণত নোহোৱাটো পৰিতাপৰ বিষয়। পৰিবহণৰ নতুন সুযোগৰ দিহা কৰাৰ উপৰিও বৰ্তমানৰ যি পৰিবহণ ব্যৱস্থা তাক ভালদৰে ৰখাৰ প্ৰতিও চৰকাৰ উদাসীন। P. W. D. বিভাগৰ ৰাস্তা পদূলীবোৰ ভাল কৰি ৰখাৰ নামত টকা পইছাৰ শ্ৰাদ্ধ কৰা হৈছে। আমাৰ নগাঁৱ জিলাৰ P. W. D ৰ East Division যিজন Executive Engineer আছে তেওঁ হেনো প্ৰায়েই ঠিকদাৰ সকলৰ গাড়ী ব্যৱহাৰ কৰে। সাধাৰণতে এইজন Engineer এ A. S. N. 1518 গাড়ী খন ব্যৱহাৰ কৰা দেখিছোঁ। মই শুনিবলৈ পাইছোঁ যে এইজন Engineer ৰ এ ঠিকাদাৰ সকলৰ লগ লাগি সেই ডিভিজনৰ কামত যথেষ্ট অন্যায় কৰিছে এই সম্বন্ধে চৰকাৰে এটি তদন্ত কৰিব লাগে।

ইয়াত বহুতো সদস্যই মাটি বিতৰণৰ কথা উল্লেখ কৰিছে। মই চৰকাৰে কেনেকৈ দুমুখীয়া কাম কৰে তাৰ এটি উদাহৰণ দিব খোজো। মই নগাঁও জিলাৰ মাটি বিতৰণী কমিটিৰ কাৰ্য্যসূচীৰ

item ৰ কথা উল্লেখ কৰিব খোজোঁ । মাটি বিতৰণী উপদেষ্টা কমিটিয়ে এই P. G. R. ৰ মাটি মাটিহীন খেতিয়কক দিবলৈ পৰামৰ্শ আগবঢ়োৱাৰ লগে লগে চৰকাৰে objection দিছে । ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে চৰকাৰে মাটি বিতৰণ নীতি ঘোষণা কৰিলেও মাটি কাকো দিব নোখোজে । সংৰক্ষিত বনাঞ্চলৰ খেতিৰ উপযোগী মাটি ভূমিহীন খেতিয়ক সকলক বিতৰণ কৰিবলৈ দাবী জনালে চৰকাৰে তাক নাকচ কৰে কিন্তু এই সংৰক্ষিত বনাঞ্চলবোৰত টঙীয়া সকলৰ নামত D. F. O. পৰা চাপ্ৰাচী সকললৈ জমিদাৰীৰ সুবিধা দিয়া হৈছে । তাৰোপৰি বনাঞ্চলৰ মূল্যবান কাঠ বাঁহ বেত আদিৰ চোৰাং ব্যৱসায় বাধাহীন ভাবে চলি আছে । তদুপৰি সংৰক্ষিত বনাঞ্চলবোৰৰ গড়, ম'হ আদি বনৰীয়া জীৱ-জন্তুৱে প্ৰতি-বছৰে খেতিয়ক সকলৰ শস্য নষ্ট কৰে । বিশেষকৈ কাজিৰঙা অভয়াৰণ্য আৰু লাওখোৱা সংৰক্ষিত বনাঞ্চলৰ বনৰীয়া জন্তুৱে যথাক্রমে দ্বাৰ বা গুৰি মৌজা আৰু লাও খোৱা মৌজাৰ খেতিয়ক সকলৰ জীৱন অনিষ্ট কৰি আহিছে । এই দুয়ো মৌজাৰ খেতিয়কৰ শস্যৰ পথাৰ ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা হব লাগে ।

বাননিয়ন্ত্ৰণ আৰু জলসিঞ্চন শস্য উৎপাদনৰ কাৰণে সম্পূৰ্ণ প্ৰয়োজন । চৰকাৰে কোনো কোনো ঠাইত মথাউৰি বান্ধি বাননিয়ন্ত্ৰণ কৰিলেও পানীনিষ্কাশনৰ ব্যৱস্থা নকৰাত শস্য উৎপাদনত ব্যাঘাত জন্মিছে । কলং সুঁতিৰ মুখ বন্ধ কৰাত অকল মোৰ নিজা সমষ্টি কলিয়াবৰৰ খেতিৰ পথাৰবোৰেই ধ্বংস হোৱা নাই, ই নগাঁও জিলাবো বিশাল অঞ্চলৰ ক্ষতি সাধন কৰিছে । চলিত বছৰত কলং সুঁতিৰ মুখ খোলাৰ দিহা কৰিবলৈ মই দৃঢ়তাৰে দাবী জনাও ।

ৰাজ্যপালৰ ভাষণত আমাৰ অসমৰ শিক্ষক সকলৰ অসন্তুষ্টিৰ কথা উল্লেখ হোৱা নাই । ৰাজ্যখনৰ ৩৫ হেজাৰ প্ৰাইমেৰী স্কুলৰ শিক্ষকে দাস আয়োগৰ মৰগীয়া বানচৰ লগতে Exgratia ৬ টকাও দাবী কৰিছে । ১৯৬১ চনৰে পৰা চৰকাৰে দৰমহা আৰু মৰগীয়া ভাট্টাৰ ক্ষেত্ৰত চৰকাৰী আৰু বেচৰকাৰী শিক্ষক সকলৰ মাজত কোনো পাৰ্থক্য ৰক্ষা নকৰি এতিয়া হঠাৎ তেওঁলোকক ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰা কাৰ্য্য অনুচিতেই নহয় ই এক সাংঘাতিক অন্যায় হৈছে । মই আশা ৰাখিছোঁ যে চৰকাৰে অসমৰ বেচৰকাৰী অনুষ্ঠান সমূহৰ শিক্ষক সকলৰ যুক্তি সঙ্গত দাবী সমূহ মানি লব ।

আমি এই বছৰতে সমগ্ৰ দেশতে গান্ধী শতবাৰ্ষিকী পালন কৰিম। এই চৰকাৰো গান্ধী মাৰ্কা। কিন্তু গান্ধীমাৰ্কা চৰকাৰে গান্ধীজীৰ কি আদৰ্শ পালন কৰিছে? গান্ধীজীয়ে দেশৰ শিক্ষা ব্যৱস্থা আৰু শাসন ব্যৱস্থাত আঞ্চলিক ভাষাৰ প্ৰয়োগ বিচাৰিছিল। আমি ইংৰাজী ভাষাৰ বিৰোধীতা কৰাৰ অৰ্থ এয়ে। ৰাজ্যপালৰ ভাষণত আঞ্চলিক ভাষা প্ৰশাসন বা শিক্ষাৰ মাধ্যম কৰা হব বুলি উল্লেখ নকৰাতো অতি পৰিতাপৰ কথা।

উপাধ্যক্ষ মহোদয়, মই এতিয়া সাধাৰণ প্ৰশাসনৰ দুৰৱস্থাৰ বিষয়ে অলপ উল্লেখ কৰিব খোজোঁ। অলপ দিনৰ আগতে কেম্প্লিডেন বাগিছাৰ খেৰ মহলত তাজু শেখ নামে ৭০ বছৰীয়া এজন বুঢ়া মানুহে খেৰ কাটি আছিল। ওচৰতে কথা কেণ্টনমেণ্টৰ মিলিটেৰী চিপাহীয়ে বুঢ়া জনক ধৰি আনি তেওঁৰ ঘৰখন তালাচ কৰি বয়-বস্তু লণ্ড-ভণ্ড কৰে। অৱশ্যে তাজু শেখৰ ঘৰত কোনো চুৰিমাল পোৱা নহল। ইয়াৰ পিছতে কেণ্টনমেণ্টৰ চিপাহীয়ে তেওঁ লোকৰ কেম্পৰ মাজত ক্ৰেনত বান্ধি তাজু শেখক নিৰ্ম্মম ভাৱে হত্যা কৰি পিছদিনা নিচেই পুৱাতে নেচনেল হাইওৱেত এজোপা আমগছৰ তলত বুঢ় জনৰ মৰা লাচতো পেলাই থৈ যায়।

এনে এটা লোমহৰ্ষক হত্যাকাণ্ড হৈ যোৱাটো নগাওঁ জিল্লাৰ **D. C.** আৰু **S. P.** এ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। (voice—**shame, shame**)

এই ঘটনা কংগ্ৰেছ চৰকাৰৰ অকৰ্ম্মন্যতাৰ জ্বলন্ত চানেকী নহয়নে?

আন এটি ঘটনাৰ কথা মই সদনক কব খোজো কলিয়াবৰ থানা এলেকাৰ গৰৈমাৰী গাঁৱৰ চাহেব আলি নামৰ এজন লোকৰ এটি হালৰ বলদ গৰু চুৰ কৰি কিছুমান মানুহে বৰঘুলিৰ চিদ্দিক প্ৰধানীৰ ঘৰত মাৰি কাটি থাকোতেই ধৰা পৰে। ঘটনাটো যোৱা ৯ জানুৱাৰী তাৰিখে হৈছিল। ১০ জানুৱাৰী তাৰিখে চাহেদ আলিয়ে থানাত এজেহাৰ দিয়ে কিন্তু কলিয়াবৰ থানাৰ ভাৰপ্ৰাপ্ত কৰ্মচাৰীবোৰে চাহেদ আলিক ঘটনা স্থলীলৈ যোৱাৰ কাৰণে এখন ট্ৰেক্সী দাবী কৰে। বেচাৰাই ট্ৰেক্সী দিব নোৱাৰাত পুলিচ ঘটনা স্থলীলৈ নগল। চাহেদ আলিয়ে ১১ জানুৱাৰীৰ দিনা নগাৱৰ **A. D. M.** ৰ পৰা এটি **order** থানালৈ আনে। **A. D. M.** ৰ **order** অনাৰ অপৰাধত চাহেদ

আমিক কলিয়াবৰ থানাৰ A. S. I. শ্ৰীগনিয়ে থানাৰ ভিতৰতে অসন্তৰ ৰূপে মাৰধৰ কৰে। এয়ে হৈছে কংগ্ৰেছী শাসনৰ নমুনা।

তাহানি হনুমন্তৰ নেতৃত্বত জুই লগাই দিয়াত লংকা দহন হৈছিল। আজি আপোনালোকে দেশত যি জুই লগাইছে সি দেশক জ্বলোৱাৰ ওপৰিও আপোনালোকৰ মুখো পুৰিব।

মই কংগ্ৰেছ চৰকাৰক সাৱধান কৰি দিছোঁ এনে দুৰ্নীতি সময় থাকোঁতেই বন্ধ কৰক নহলে আপোনালোকৰ দিন চমু চাপি আহিব। ৰাজ্যপালে তেওঁৰ ভাষণৰ শেষৰ ফালে ভবিষ্যত বছৰকেইটা ভাল হব বুলি আশা কৰিছে। যোৱা বাজেট বক্তৃতাত বিত্তমন্ত্ৰী ডাঙৰীয়াইও একে আশা পোষণ কৰিছিল। পিছে আমাৰ আশা পূৰ্ণ নহল। নাইপীয়া বুলি এবিধ জীৱ আছে সিহঁতে বোলে কাকো খাব নোৱাৰে। সিহঁতৰ নেজত "আজি নখাবি কালিলৈ খাবি" বুলি লিখা থাকে। অসমৰ কংগ্ৰেছ চৰকাৰো ঠিক নাইপীয়া সদৃশ।

অসমীয়া মানুহ সহজ সৰল কিন্তু সকলোৰে সীমা আছে। চৰকাৰে আমাৰ ধৈৰ্য্যৰ সীমা ভংগ কৰিছে। অসমীয়া মানুহৰ এটা জকু আছে। সেই জকু যেতিয়া উক দিব তেতিয়া বেলট বাকচৰ দ্বাৰা নকৰি অন্য উপায়েৰে এই চৰকাৰক গদীৰ পৰা বাহিৰ কৰি দিব।

(সময়ৰ সংকেত)

দুৰ্নীতি পৰায়ণ এই চৰকাৰৰ শাসন যিমান সোনকালে অৱসান হব সিমানেই দেশৰ পক্ষে মঙ্গল হব। আজি মানুহৰ চকু গজিলে তেওঁলোকে শোষণ সহ্য নকৰিব।

(সময়ৰ সংকেত)

**Shri Jatindra Mohan Barbhuyan** : Mr. Deputy Speaker, Sir, in support of the motion moved by the hon'ble members from this side of the House, I would like to touch some points. I would not like to repeat those points which have already been discussed by the honourable members from this side. Sir, many of the honourable members from the Opposition side expressed their deep resentment regarding a portion of the Governor's address at page 2. In this portion of the speech it has been stated that some anti-social elements took advantage of acute food shortage and land problem and some other vital issues like reorganisation of Assam and tried to create chaos in

the State which the Government have suppressed ruthlessly. Sir, ours is a democratic country and our constitution has guaranted fundamental rights like the right to assemble, right to demonstrate and right to sponsor movement. But to our great disappointment during the 20 years of Congress rule, hundreds and thousands of problems have been created and thereby bitterness and frustation have been created in the minds of the people. So, the people are ventilating their grievances through agitations, through demonstrations and through many other constitutional processes. Sir, we being the men of opposition and being the representatives of common masses and working people, must mix with them to share their feelings. It is our sacred duty to support them in their causes to associate with them and share with them their plight. But, when we do so for the cause of the people the Government terms us as anti-social elements.

Sir, I recall when the first Oil Refinery movement was launched in this State and when the students and youths of this State started legitmate agitation for establishment of Refinery, this Government and the Ruling Party supported the movement and therefore should this Government be termed as anti-social ? Sir, this speech of the Governor is composed by the Government officials and approved by the Cabinet and it is read by the Governor. Such insulting speech should not have been prepared and given to the Governor for delivering before the House. Now, I come to the second point Police. Sir in the name of law and order there is always police firing. Every year we find there are many instances of police firing. Last year, there were firing at the Nehru Stadium, at Gauhati, at Badarpur and in so many places. This Government have police and Army as their weapons to rule the country. I remember, during pre-independence days, when many people were killed at Jalianabag, due to police firing the whole Punjab and the whole India was agitated against the tyrant British rule. Rabindra Nath Tagore in response to this forsook his nighthood in utter disgust.

Sir, during 20 years of independence this Govt. in the name of maintaining law and order has created thousands of Jalianabag in the country which the British Govt. would not have dared during 250 years of their rule. (Voice shame, shame)

Now Sir, regarding Land Policy of the Govt. I will say a few words. Our benign Government in the year 1967 have announced a Land Policy. This policy was hailed by the Press and public. It is a very nice policy no doubt. But they were never put into practice and are still resting in the paper. The Congress Government have said many things during the last 20 years but they never respected their sayings. There is a gulf of difference between their precept and practice. The Congress promised a socialist patern of society in this Country. In the Abadi Session of the Congress a resolution was adopted to establish a Socialistic Pattern of Society in India. But, in fact the capitalism is growing on in full swing. The capitalism has become so deep rooted that it is impossible for this Govt. to uproot this. The Govt have passed the Adhiar Act and Ceiling Act etc for the benefit of the peasants. These acts seems to be good no doubt. Had this acts been executed in their true sense some people would have got land and would have been benefited. But nothing has been done. In fact eviction is belong carried out throughout the state ruthlessly to make the people landless. Those who have taken lands somewhere for earning their livelihood they have been uprooted. There are hundreds of people uprooted. Their houses were damaged, they have been put into the jail and in this way chaos has been created amongst the agricultural landless people of the State. Sir, there are plenty of lands available in the State of Assam. I can find out lands, but this Capitalist minded Congress Govt. will never allow that. There are hundreds and thousands of acres of land in tea Estates of Assam. This Govt. has issued a circular that each Tea gerden can keep land in ratio 1:2 i.e. if actual tea cultivation is 500 acres then one garden can keep one thousand acres of land. But atually they are keeping 3 thousand to 4 thousand acres of a land. The Govt. of Assam has given chance to the managements of the T.E. that tea garden can grow paddy in their own lands; on the other hand the Govt. of India has issued a circular that every tea Estate is to increase the acreage of tea plantation. So there are two contradictory orders are creating confusion and the management is taking advanctage of such orders. If all the surplus lands of the Tea Estates are taken away and distributed to the ex-tea labours and landless people, then this land problem of the state could have been solved to some extent.

Mr. Deputy Speaker Sir, now I will say something about Rukni T.E. of Cachar District. Mr. Phani Bora has already touched this point. I want to say a few words in this context. In Rukni Tea Estate about 100 familes settled from long past have been up rooted from Punichara. Within 2 to 3 years they have been completely uprooted by the Manager Mr. Sarma. These people were holding those lands for about last 60 years. It is very pathetic that these people were harassed evicted and tortured with the help of the police or with the help of the district authority. They were uprooted from these lands in such a savage way which is undescribable. There are about 30 families at Biltila of Rukni Tea Estate holding about 300 bighas of land and that land for requisition was referred to the Land settlement. Advisory council and the proposal of requisition was submitted to the D.C. But in the meantime the Manager Mr. Sarma went to the D.C. and said that "he will start himself in this land cultivation and D.C. allowed it at. So troubles started between the labourers and the Manager. Labours tried to hold those lands and ultimately the Manager was beaten by the labours. So, taking this advantage Mr. Khosla, the then D.C. of Cachar who is now the D.C. of K&J Hills dropped the requisition proposal as in his opinion there involved the law and order question. When on August 26 last Mr. C.D. Tripathi the D.C. of Cachar passed the land acquisition order that manager said, আবে ডি. চি. কোন হ্যায়, মিনিষ্টাবতো মেবা পাকিটমে হ্যায়। Strangely enough, within a few days the Manager got a stay order from the Govt. against the requisition order of D. C.

Sir, for Silchar Medical College and Silchar Regional Engineering College 2263 bighas 11 kattas and 13 chataks of lands were requisitioned from the the management of Bhorakhai T.E. and they have been given Rs. 12 lakhs 9 thousand 584.50 by the Govt. as compensation where as this garden was purchased by the management by paying only 5 lacs of rupees. Thus, the Govt allowed the management to earn an unearned profit of Rs. 7 lakhs. Sir, in the Governor's address it is mentioned that there are two Medical Collegess one at Gauhati and another at Silchar which are progressing. But one at Gauhati is smiling and flourishing due to proper nourishment and on the other hand one at Silchar

is suffering being ill fed crying in the cradle. What a serious a discrimination ? will the Govt. think about it ? Apart from that it was proposed that a Contributory Health Centre will be opened at Silchar with 3 doctors, but nothing has been done as yet. What is the reason of such step motherly behaviour with Cachar.

Again the last year's Budget speech one of the hon. Members Shri T. A. Laskar asked the Industry Minister whether a paper mill can be started in Cachar District, the industry Minister replied 'Yes'. But nothing has been done as yet. There is no mention in the Governor's address about the peaper Mill and regional Engineeing Colleges this year. Because of such discriminatory behaviour of the Govt., the Goalpara district is "boiling and growing hostile. Cachar may also follow the same path if the attitude of the Govt. is not changed. Such disparty should be removed otherwise there will be chaos through cut the state. With these few words I resume my seat Sir.

**Shri Laksheswar Das**— মাননীয় উপাধ্যক্ষ মহোদয় মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আগবঢ়াইছে, তাক সমৰ্থন কৰি কেইটামান বিষয়ত মই ক'বলৈ আগ বাঢ়িছোঁ ।

ৰাজ্যপালৰ ভাষণত বিশেষকৈ নিবনুৱা সমস্যা বা খাদ্য বা ভূমিহীন খেতিয়কৰ মাটি সমস্যা, এই কথাখিনি বিশেষকৈ লিপিবদ্ধ কৰিছে । কিন্তু এটা কথা, ৰাজ্যপালে নিবনুৱা সমস্যাৰ কথা ডাঙি ধৰিছে কিন্তু তাৰ সমাধানৰ কথা বিশেষকৈ তাত উল্লেখ কৰা হোৱা নাই ।

আজি কিছুদিনৰ আগতে অনুসূচীত জনজাতিৰ এটা ৰিপ'টত দিল্লীৰ পৰা অহা এটা কমিচনাৰৰ আগত উল্লেখ কৰিছে যে, অনুসূচীত জনজাতিৰ কাৰণে শতকৰা ৯ আৰু ৭½ চাকৰি ক্ষেত্ৰত সুবিধা দিব লাগে । কিন্তু সেই সুবিধা তেওঁলোকে পোৱা নাই; মাত্ৰ ৩.৯ ভাগহে তেওঁলোকক চাকৰি ক্ষেত্ৰত নিয়োগ কৰা হৈছে । এই ক্ষেত্ৰত আজি অনুসূচীত জনজাতি বা পিছপৰা জাতিৰ মানুহৰ মাজত এটা বিশেষ ধৰণৰ ক্ষোভ আহি পৰিছে । যিটোৰ কাৰণে তেওঁলোকে আজি ৰাইজৰ প্ৰতিনিধি হিচাপে আমাক দৃষ্টিগোচৰ কৰিছে । এই ক্ষেত্ৰত মই চৰকাৰক অনুৰোধ কৰোঁ যে যিটো percentage তেওঁলোকে চাকৰি ক্ষেত্ৰত পাব লাগিছিল বা যিখিনি সুবিধা পাব লগা আছে, সেইখিনি পূৰণ কৰিবৰ কাৰণে বিশেষ ব্যৱস্থা কৰিব লাগে । আৰু যাতে তেওঁলোকৰ শতকৰা হাৰ অতি সোনকালে সম্পূৰ্ণ হয় ।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা ক'ব খোজো আজি বাগানবিলাকত যিটো নিবনুৱা সমস্যা সৃষ্টি হৈছে, তাত হাজাৰ হাজাৰ মজদুৰ নিবনুৱা হৈ আছে । মই চৰকাৰক অনুৰোধ কৰিব খোজো যে, এই বাগানৰ নিবনুৱা সমস্যা দূৰ কৰিবলৈ "Labour-

Bank" খুলিব লাগে আৰু Labour Bank খুলি মথাউৰি, ৰাস্তা আদিৰ কাৰ্য্যত তেওঁ-লোকক নিয়োগ কৰি নিবনুৱা সমস্যা দূৰ কৰাৰ সু-ব্যৱস্থা চৰকাৰে ল'ব লাগে। আৰু টকা-পইছা ক্ষেত্ৰতো এনে ব্যৱস্থা ল'ব লাগে।

আজি আমাৰ অসমলৈ বাহিৰৰ পৰা বহুতো মজদুৰ আহি অসমৰ পৰা লাখ লাখ, কোটি কোটি টকা লৈ গৈছে। কিন্তু আজি যদি এই Labour Bank ৰ ব্যৱস্থা কৰে তেনেহ'লে বহুতৰে সুবিধা হ'ব আৰু যিসকলে ঠিকা লয়, সেই ঠিকাদাৰসকলে নিবনুৱা সকলক কামত নিয়োগ কৰিব পাৰিব। এইদৰে চৰকাৰে তেওঁলোকক কামত নিয়োগ কৰিবৰ বাবে ঠিকাদাৰ সকলৰ লগতে, বন্দবস্ত কৰি দিব লাগে। গতিকে Labour Bank ৰ ব্যৱস্থা কৰি এই নিবনুৱা সমস্যা দূৰ কৰিব বুলি মই চৰকাৰৰ ওচৰত আশা ৰাখিলোঁ।

অনুসূচীত জনজাতি লোকৰ যাতায়ত বা শিক্ষাৰ ক্ষেত্ৰতেই হওক তেওঁলোকৰ যিখিনি হ'ব লাগিছিল, সেইখিনি সম্পূৰ্ণ হ'ল বুলি মই ক'ব নোৱাৰোঁ। আজি যিবিলাকত জনজাতি বাইজে বসবাস কৰি আছে সেই অঞ্চলবিলাক তেওঁলোকে দেখুৱাইছে যে এই পিছপৰা লোক সকলৰ উন্নতি সাধনৰ কাৰণে কোনো ব্যৱস্থাই হোৱা নাই। গোলাঘাটলৈ যাওঁতে আমাৰ জনজাতি বিভাগৰ মন্ত্ৰী মহোদয়েও জন-জাতিৰ অঞ্চল বিলাকলৈ যোৱাত দেখিবলৈ পাইছে যে তাত ৰাস্তা আদি বিশেষ নাই আৰু যি বিলাকত দুই এখন স্কুল হৈছে, তাতো কোনো সাহায্যও নাই। মই আগতে সদনত কৈছিলোঁ যে "Bonkwal নামৰ এটা High স্কুলত class VII পৰা class VIII লৈ শ্ৰেণী খুলিবলৈ Inspector এ নিজে অনুমতি দিছিল আৰু এই স্কুলটো Recognise কৰা হ'ব বুলি আশ্বাস দিছিল। কিন্তু সেই কাৰ্য্য আজিও সম্পূৰ্ণ নহ'ল। অনুসূচীত জনজাতি বা পিছপৰা সম্প্ৰদায়ৰ প্ৰতি দৃষ্টি ৰাখিবলৈ চৰকাৰক অনুৰোধ কৰা হ'ল।

১৯৬৩ চনতে এই ট্ৰাইবেল অঞ্চলত গোলাঘাটৰ মহুৰা মৌজাৰ এটা আলি বান্ধিবৰ বাবে 'Tender' লৈছিল আৰু তাত এখন দলঙো নিৰ্মাণ কৰাৰ কথা আছিল আনকি টকা-পইছাও মঞ্জুৰ কৰা হৈছিল। কিন্তু Technical অসুবিধা দেখুৱাই দলং-খন অন্য ঠাইলৈ স্থানান্তৰ কৰিলে। সেই কথাৰ কাৰণে জনজাতিৰ লোকে আজিও অসন্তুষ্ট হৈ আছে যে, সেই ঠাইত দলং এখন কৰিবৰ কাৰণে চৰকাৰক বাৰে বাৰে অনুৰোধ কৰা হৈছে, কিন্তু আজিলৈকে তাৰ কোনো ব্যৱস্থা লোৱা নাই। সেই কাৰণে চৰকাৰক অনুৰোধ কৰোঁ যে এই পিছপৰা লোকসকলে, অন্যান্য জাতিৰ লগত একে-লগে খোজত খোজ মিলাই আগ বাঢ়িব পাৰে—তাৰ কাৰণে ব্যৱস্থা কৰে যেন।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা ক'ব খোজো এই কথা মাননীয় সদস্যসকলেও জানে যে, সেই পিছপৰা অঞ্চলৰ কমলা মিৰি নামৰ এজন লোকে স্বাধীনতা আন্দোলনত যুদ্ধ কৰি জেইলত থাকি মৃত্যু হৈছে। এই কমলা মিৰিৰ নামত এটা ৰাস্তা সেই পিছপৰা অঞ্চলত কৰিবৰ কাৰণে চৰকাৰে হাতত ল'বলৈ সিদ্ধান্ত লোৱা হৈছিল; কিন্তু আজিও তাৰ কাম সম্পূৰ্ণ নহ'ল। সেই জনজাতিৰ লোকজনে একো লিখা পঢ়া নাজানিছিল কিন্তু স্বাধীনতা আন্দোলনত জেইলত মৃত্যু বৰণ হৈছিল আৰু চৰকাৰে ৰাস্তাৰ কাম হাতত লৈ সেই ৰাস্তাটো আজিলৈকে সম্পূৰ্ণ নকৰাত চৰকাৰক

দোষাৰোপ কৰিব খোজে বাকী থকা ৰাস্তাৰ । কাৰণ তাৰ বাবে ৬৪ হেজাৰ টকা মন্জুৰী হৈছিল । কিন্তু সেই টকা Surrender কৰিলে । তাৰ বাবে নানা Technical dificulty দেখুৱাই ৰাস্তা ঠিক নহ'ব বুলি সেই ঠাইত ৰাস্তা দিয়া নহ'ল ; অথচ, সেই ঠাইত —য'ত হাজাৰ হাজাৰ জনজাতিৰ লোকে বসবাস কৰি আছে; কিন্তু তাত এটাও ৰাস্তা নাই । তাৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ আৰু বিভাগীয় মন্ত্ৰী মহোদয়কো হাতত লোৱা কামবোৰ সম্পূৰ্ণ কৰিবলৈ অনুৰোধ কৰিলোঁ ।

উপাধ্যক্ষ মহোদয়, এই পিছপৰা জাতিৰ মাজত এটা Direct fi hery বাবে Settlement দিয়াৰ ক্ষেত্ৰত মোৰ কিছু ক'বলগীয়া আছে । এইটো দেখা গৈছে যে তাত Fishery কৰিবৰ কাৰণে society ৰ সভ্যসকলে এটা নিয়ম কৰিছে । যিটো society ত শতকৰা ২০ ভাগেই উন্নত জাতিৰ মেম্বাৰ হ'ব পাৰে । এনে ব্যৱস্থা কৰাত অনুন্নত সম্প্ৰদায়সকলে বহুতো সুবিধাৰ পৰা বঞ্চিত হৈছে ।

উদাহৰণ স্বৰূপে উত্তৰ লক্ষীমপুৰৰ এখন fiishery মন্জুৰৰ সম্পৰ্কে উল্লেখ কৰি মই মুখ্যমন্ত্ৰী আৰু fishery মন্ত্ৰী মহোদয়কো কৈছিলোঁ । কিন্তু যিখন society য়ে এই fishery খন পাব লাগিছিল সেই society য়ে নাপালে । পালে যিখন societyৰ নামত এজন উন্নত সম্প্ৰদায়ৰ লোকে সম্পাদক হৈ এখন ভুৱা society কৰিছে সেই কাৰণে মই ক'ব বিচাৰিছোঁ কিছুমান লোকে এই অনুন্নত সম্প্ৰদায়ৰ লোকসকলক বঞ্চিত কৰিছে ।

উপাধ্যক্ষ মহোদয়, এই প্ৰসংগত মই কব খুজিছোঁ যে পিছপৰা লোকসকলক যিটো সুবিধা দিব লাগিছিল বা পাব লাগিছিল সেই সুবিধা তেওঁলোকে পোৱা নাই আৰু এই উন্নত মানুহ বিলাকক তেওঁলোকৰ নামত সুবিধা আদায়কৰি তেওঁলোকক শোষণ কৰাহে হৈছিল —(সময়ৰ সংকেট) তাৰ পাছত ভূমি নীতি সম্পৰ্কে মই ক'ব খুছিছোঁ যে মাটি পট্টন দিয়া ক্ষেত্ৰত যি ব্যৱস্থা কৰিব লাগিছিল সেইটো কৰিব পৰা নাই । আমাৰ যিবিলাক Forest Reserve আছে সেইবিলাকক আমি সম্পূৰ্ণ পট্টন কৰি দিব খোজা নাই । যিবিলাক মাটি দিব পৰা অৱস্থাত আছে, সেইবিলাক অতি সোনকালে দি দিব লাগে । এইবোৰ নকৰা কাৰণে মানুহৰ মাজত বেদখলৰ কাম চলি আছে । আৰু আমি সমস্যাটো সম্পূৰ্ণ সমাধান কৰিব নোৱাৰিলেও যিটো যেনেকৈ যিমান পৰা যায় মাটি দি সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰিব লাগে ।

তাৰ পাছত চাহ-বাগিছাসমূহ আমাৰ অসমত যিবিলাক চাহ বাগিছাৰ মজদুৰ আছে সেইবিলাকে এতিয়াও থকা ঠাই আছে, কিন্তু চাহ বাগানৰ পৰা ওলাই অহাৰ পাছত তেওঁলোকৰ ঘৰ-দুৱাৰ কৰি ক'ত থাকিব ? এই বিষয়ে মাটি-বাৰী দিয়াৰ কথা চৰকাৰ অথবা বাগানৰ তৰফৰ পৰা ব্যৱস্থা কৰিব লাগে । এনেকুৱা অৱস্থাত আমাৰ সদনত দুই চাৰিজন আমাৰ member আছে যাৰ ঘৰ দুৱাৰ কৰিবলৈ মাটি নাই, এই ব্যৱস্থা কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিলোঁ ।

**Shri Pitsing Konwar** মাননীয় উপাধ্যক্ষ মহোদয়—ৰাজ্যপালৰ ভাষণখন পঢ়ি চাই দেখিলোঁ যে এইবাৰো আগৰ দুই বছৰৰ দৰে গতানুগতিক কিছুমান কথাত অৱতাৰণা কৰি এটা বিবৃতি দিছে । ৰাজ্যপালৰ ভাষণত কোনো নতুন কথাই ঠাই

পোৱা নাই। আমাৰ ৰাজহ মন্ত্ৰীয়ে ভূমি পট্টনৰ বাবে ভূমি আৰু ৰাজহ আইনখন সময়োপযোগী কৰিবৰ বাবে ভূমি সংস্কাৰ আইন আৰু ভূমি পট্টন নীতি প্ৰবৰ্ত্তন কৰিছে কিন্তু আমাৰ চৰকাৰৰ প্ৰশাসন ব্যৱস্থাটো অচল হৈ যোৱা স্বত্বেও কোনো সংস্কাৰৰ প্ৰচেষ্টা চলোৱা নাই। আচলতে আমাৰ এই চৰকাৰৰ প্ৰশাসনিক ব্যৱস্থাটোৰ সংস্কাৰৰ অত্যাৱশ্যক হৈ পৰিছে। কিয়নো আজি আমাৰ মন্ত্ৰী সভাত মন্ত্ৰীসকলৰ ভিতৰতে হায়জগৰা। ইজনে সিজনৰ হুকুম মানি চলিব নুখুজে। মন্ত্ৰীৰ হুকুম কৰ্মচাৰীয়ে মানিব নুখুজে। এনেকি চৰকাৰী কাৰ্যালয়ৰ পৰা কিছুমান লাগতীয়াল কাগজ-পত্ৰ ফাইল আদি হেৰাই যোৱাৰ কথা শুনিবলৈ পাও। আমাৰ মাননীয় বন বিভাগৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী ডাঙৰীয়াই গোলাঘাটৰ এজন ঠিকাদাৰক ১০০ জোপা হলক গছৰ পাৰমিট দিছিল। কিন্তু ১০০ জোপাৰ ঠাইত শূণ্য এটা বাঢ়ি গৈ ১000 (এহেজাৰ) জোপা হলৰ গছৰ পাৰমিট দিলে। তেওঁ ১000 (এহেজাৰ) হলক গছ কটাত বিভাগীয় কৰ্মচাৰীয়ে গছবোৰ জব্দ কৰে। তাৰ পিছতে ঠিকাদাৰজনে হাইকোৰ্টত গোচৰ দিয়াত কাঠখিনি ঠিকাদাৰজনক ঘূৰাই দিবলৈ হুকুম দিয়ে। এতিয়া হাইকোৰ্টে মূল হুকুমসহ ফাইলখন বিচৰাত ফাইলখন বিচাৰি পোৱা নাই। ইতিমধ্যে ফাইলখন হেৰাইছে। মন্ত্ৰী গৰাকীয়ে এই সম্পৰ্কত **under secy.** জনক ফৰেষ্ট ডিপাৰ্টমেণ্টৰ পৰা বদলি কৰিছে আৰু কেইবাজনো অফিচৰ কেৰাণীক চাচ্‌পেণ্ড কৰিছে। ভূমি পঠন নীতিৰ বেলিকাও তেওঁ ভূমি নীতিৰ স্বৰ্ত্তবোৰ মানি চলা নাই। ৰাজহ মন্ত্ৰী গৰাকীয়ে কেইবাঠাইতো নিজে হাতে হাল নোবোৱা লোকক প্ৰফেশ্যনেল গ্ৰেজিং ৰিজাৰ্ভত অস্থায়ীভাবে ৰড়ো খেতি কৰিবৰ বাবে ভূমি বন্দবস্তি দিছে। যিজন লোকক তেওঁ আদৰ্শ কৃষি সমবায়ৰ নামত মাটি দিছে, তেওঁ নিজে হাতে হাল নেবায় আৰু তেওঁ এজন শিক্ষক। এইজন লোকক ভূমি বন্দবস্তি দিবৰ বেলিকা নগাওঁ জিলা মাটি উপদেষ্টা কমিটীৰ অনুমোদনো বিচৰা নাই। আমাৰ নগাঁৱৰ মৰিগাওঁ চাৰ্কেলৰ অন্তৰ্গত পকৰীয়া মৌজাৰ কছাৰীজান প্ৰফেশ্যনেল গ্ৰেজিং ৰিজাৰ্ভৰ ১০ দাগে ৫00, (পাঁচশ) বিঘা মাটি নগাও জিলা মাটি উপদেষ্টা কমিটীৰ অনুমোদন নোলোৱাকৈ শ্ৰীমহদানন্দ গোস্বামী প্ৰমুখ্যে কেইবাজনো লোকক আদৰ্শ কৃষি সমবায়ৰ নামত উপৰোক্ত ৫00, (পাঁচশ) বিঘা মাটি বন্দবস্তি দিছে। শ্ৰীমহদানন্দ গোস্বামী এজন শিক্ষক আৰু তেওঁ কেতিয়াও নিজ হাতে হাল নেবায়। নগাওঁ জিলা উপায়ুক্তৰ হুকুমত ৰাজহ মন্ত্ৰী মহোদয়ৰ ভূমি বন্দবস্তি দিয়া হুকুমৰ নকল পাঠ কৰি দিয়া হ'ল।

ভূমি বন্দবস্তিৰ ক্ষেত্ৰত জনজাতিৰ আৰু অনুসূচীত জাতিৰ লোকসকলৰ বিলয় বিপত্তিৰ সীমা নোহোৱা হৈছে। এই সকল লোকে য'তে মাটি আবাদ কৰিছে তাৰ পৰাই উচ্ছেদ কৰা হৈছে। তেজপুৰ মহকুমাৰ এখন বনাঞ্চল ৰামনাথপুৰৰ পৰা বহুতো ট্ৰাইবেল লোকক উচ্ছেদ কৰিছে। সেইসকল লোকে গৃহহীন হৈ ৰাস্তাই খালে থাকিব লগা হোৱাত কেইবাজনোলোকৰ প্ৰাণহানী হৈছে। তামুলপুৰ চাৰ্কেলৰ ট্ৰাইবেল বেল্ট (আওাৰ) কটাৰ পৰা ট্ৰাইবেল হাজং আৰু নেপালীসকলক বেদখল কাৰক বুলি উচ্ছেদ কৰা হৈছে। কিন্তু অনা ট্ৰাইবেল লোকসকলক তাৰ পৰা উচ্ছেদ নকৰিবৰ বাবে চৰকাৰে stay order (স্থগিত হুকুম) দিছে। ট্ৰাইবেল ভূমিহীন কৃষক সকলৰ

কোনো নিৰাপত্তা নাই । তেওঁক এই কাৰণতে কেইবা ঠাইতো ঘেৰাও কৰাৰ বাতৰি পোৱা গৈছে । চৰকাৰৰ এনেবোৰ কাৰ্য্যৰ বাবে আমাৰ জনজাতীয় এম-এল-এ সকলকো জনজাতীয় লোকসকলে নিন্দা কৰিছে কাৰণ আমাৰ জনজাতীয় এম-এল-এ সকলৰ চকুৰ আগতে চৰকাৰৰ ৰাজহ বিভাগে এনেবোৰ বৈষম্যমূলক কাম হাতত লৈ জনজাতী লোকসকলৰ ওপৰত অত্যাচাৰ আৰু উৎপীড়ন কাৰ্য্য চলাইছে। অতি দুখৰ কথা যোৱা ডিচেম্বৰ মাহৰ ১৮ তাৰিখে আমাৰ অসম চৰকাৰে দক্ষিণ কামৰূপ (গুৱাহাটী) ট্ৰাইবেল বেল্টৰ গুৱাহাটী চহৰৰ আশে পাশে থকা ট্ৰাইবেল গাওঁ সমূহ আৰু উত্তৰ লক্ষীমপুৰ টাউনৰ কেইখনমান গাওঁ ট্ৰাইবেল বেল্টৰপৰা বাদ দিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে । এই সিদ্ধান্তৰ দ্বাৰা অসমৰ জনজাতীয় লোকৰ অন্তৰত সন্ত্ৰাসৰ ভাব সৃষ্টি হৈছে । যেহেতু অসম চৰকাৰে (কংগ্ৰেছ) ১৯৪৭ চনতেই জনজাতীয় অনুসূচীত জাতিৰ আৰু অন্যান্য পিছপৰা লোকসকলৰ ভূমি সংৰক্ষণৰ বাবে অসমত ভূমি আৰু ৰাজহ আইনখন সংশোধন কৰি দশম অধ্যায় প্ৰবৰ্ত্তন কৰে আৰু সেই বিধানৰ দ্বাৰা বহুতো জনজাতীয় ঘনবসতি অঞ্চলত ট্ৰাইবেল বেল্ট আৰু ব্লক গঠন কৰে । কিন্তু আজিলৈকে দেখা যায়, সেই ব্যৱস্থাসমূহ ট্ৰাইবেলৰ ক্ষেত্ৰত একেবাৰে ভুৱা । ট্ৰাইবেল বেল্ট বা ব্লকসমূহত হাজাৰ হাজাৰ লোকে অন্যায়ভাবে বেদখল কৰি খাই আছে বা বহুতো লোকে নানা বেআইনী ভাবে পট্টা বা বন্দবস্তি কৰাই লৈ নিগাজী হোৱাৰ ব্যৱস্থা কৰিছে । এই সকললোকে অসম ভূমি আৰু ৰাজহ আইনৰ (সংশোধনী)ৰ দশম অধ্যায় মতে কোনোৰকমে ট্ৰাইবেল বেল্ট বা ব্লকত মাটি পাব নোৱাৰে । কিন্তু অসম চৰকাৰে আইনৰ ব্যৱস্থাসমূহ বলবৎ নকৰি নিজেই আইন ভঙ্গ কৰি বে-আইনীভাবে মাটি বন্দবস্তি পোৱা লোকসকলক উচ্ছেদ নকৰি, ট্ৰাইবেল বা অনুসূচীত জাতিৰ লোকসকলক উচ্ছেদ কৰিছে । ট্ৰাইবেল বেল্টত মাটি পাবৰ যোগ্যতা নথকা লোকসকলে ভাবে যে ট্ৰাইবেল বেল্ট বা ব্লকত যথেষ্ট পৰিমাণৰ খেতিৰ আবাদ যোগ্য মাটি আছে আৰু সেইবিলাক ঠাইত কোনো লোককে বন্দবস্তি নিদি খালি কৰি ৰাখিছে অথবা বহুতো বহিৰাগত লোকৰ দ্বাৰা সেই খালি ঠাইবোৰত বেদখল কৰোৱা হৈছে । আজি কিছু বছৰ ধৰি ট্ৰাইবেল বেল্ট বা ব্লকসমূহৰ পৰা কোনো বেদখলকাৰী উচ্ছেদ কৰা হোৱা নাই । অথচ ট্ৰাইবেল লোকক হে ট্ৰাইবেল বেল্ট বা ব্লকৰ পৰা উচ্ছেদ কৰা হৈছে । ভাৰত সংবিধানে স্বীকৃতি দিয়া লোকসকলৰ প্ৰতি আমাৰ চৰকাৰে এনেধৰণৰ নীতি গ্ৰহণ কৰাতো ঘোৰ অন্যায় হৈছে । গুৱাহাটী চহৰৰ আশে পাশে থকা আৰু উত্তৰ লক্ষীমপুৰ টাউনৰ কেইখনমান গাওঁ ট্ৰাইবেল বেল্টৰ পৰা বাদ দিয়াৰ সিদ্ধান্ত লোৱাৰ আগতে চৰকাৰে গঠন কৰা ট্ৰাইবেল উপদেষ্টা কাউন্সিলৰ অনুমোদন বিচৰাতো উচিত আছিল কিন্তু চৰকাৰে ১৯৬৪ চনত গঠিত হোৱা ট্ৰাইবেল বেল্ট উপদেষ্টা কাউন্সিলৰ অনুমোদন ভুল ভাবে ব্যাখ্যা কৰি ১৯৬৮ চনত ট্ৰাইবেল উপদেষ্টা কাউন্সিলৰ ওপৰত এটা দোষাৰোপ অনাৰ সুবিধালৈ ওপৰত উল্লেখ কৰা ঠাইসমূহ ট্ৰাইবেল বেল্টৰ পৰা বাদ দিয়াৰ কোনো যুক্তি থাকিব নোৱাৰে । যদি ১৯৬৪ চনত ট্ৰাইবেল উপদেষ্টা কাউন্সিলৰ অনুমোদনৰ ওপৰত ভিত্তি কৰি এই অঞ্চল সমূহ ট্ৰাইবেল বেল্টৰ পৰা বাদ দিয়াৰ সিদ্ধান্ত ল'ব পাৰে তেনেহ'লে সেই একে সময়তে বিভিন্ন মহকুমা মাটি উপদেষ্টা কমিটীয়ে ৰিজাৰ্ভ বা

চৰকাৰী মাটি খুলি বন্দবস্তি দিবৰ বাবে আগবঢ়োৱা অনুমোদনসমূহ গ্ৰহণ নকৰি বৰ্তমানে নতুনকৈ গঠিত হোৱা মহকুমা মাটি উপদেষ্টা কমিটীৰ পৰামৰ্শৰ বাবে কিয় ঘূৰাই দিয়া হৈছে। ইয়াৰ দ্বাৰাই প্ৰমাণ হয় যে অসম চৰকাৰে ট্ৰাইবেলৰ প্ৰতি লোৱা ভূমি নীতি ক্ষেত্ৰত ট্ৰাইবেল বিভেদকামী মনোভাব গ্ৰহণ কৰিছে। বৰ্তমান ৰাজহ মন্ত্ৰী ডাঙৰীয়াই প্ৰকাশ্যভাৱে কৈছে যে তেওঁ ভূমি নীতি ক্ষেত্ৰত Desperate হৈ কাম কৰিব। তেওঁ এতিয়া কাকো বাদ বিচাৰ নকৰে। এনে ক্ষেত্ৰত আমালোকেও Desperate হ'বলৈ বাধ্য হৈছোঁ। অতি পৰিতাপৰ বিষয়ে যে বৰ্তমান ৰাজহ মন্ত্ৰীৰ কাৰ্য্যৰ দ্বাৰা আমাৰ ওচৰ চুবুৰীয়া লোক সকলৰ আৰু জনজাতী লোকৰ মাজত বিভেদ সৃষ্টি কৰাৰ প্ৰচেষ্টা চলাইছে। এনে এখন চৰকাৰ যদি তিষ্ঠি থাকিব লগীয়া হয় তেনেহ'লে আমাৰ ট্ৰাই-বেল আৰু অন্যান্য খিলন্জীয়া লোকসকল একেবাৰেই মৰা পৰিব। গতিকে আমাৰ চৰকাৰে, অহা সাধাৰণ নিৰ্বাচনত ৰাইজৰ ভোটৰ দ্বাৰা সংস্কাৰ হোৱাৰ আগতে নিজে নিজৰ ভিতৰতে সংস্কাৰ কৰি লোৱাহে উচিত হ'ব। নহ'লে আমাৰ দুখীয়া গৰীব শ্ৰেণীৰ লোকসকলৰ কল্যাণ নহ'ব। মন্ত্ৰীসভাত আমাৰ জনজাতীয় স্বাৰ্থ ৰক্ষণা-বেক্ষণৰ বাবে মাত মতা লোক নাই। শ্ৰীচত্ৰসিং টেৰণ আৰু শ্ৰীহাগজেৰ মন্ত্ৰীসভাত থাকি-লেও আমাৰ কাৰণে তেখেতসকলে মাত মতা দেখা নেযায়। ৰাজহ মন্ত্ৰী ডাঙৰীয়াই দুখীয়া ভূমিহীন লোকক মাটি বন্দবস্তি দিবলৈ আচনি গ্ৰহণ কৰাতো এটা ভুৱা মাত্ৰ। তেওঁ গ্ৰহণ কৰা আঁচনি মতে এটা দাগত একেলগে ১০ বিঘাৰ অধিক মাটি থাকিলেই জিলাৰ ডেপুটী কমিছনাৰ বা বন্দবস্তি প্ৰাধিকাৰীয়ে কোনো লোকক মাটি বন্দবস্তি দিব নোৱাৰে। তেনে ধৰণৰ মাটিৰ বন্দবস্তি দিবলৈ হ'লে মহকুমা মাটি বন্দবস্তি উপদেষ্টা কমিটীয়ে অনুমোদন দিব লাগিব। আজি দেখা যায় আমাৰ ৰাজ্যৰ যিবিলাক ভূমি বন্দবস্তি উপদেষ্টা বোৰ্ড চৰকাৰে এতিয়ালৈকে গঠন কৰি দিছে সেই বোৰ্ডৰ সভ্য সংখ্যা ইমান বেছি বোৰ্ড কোনো এটা বিষয়তে সহজে সিদ্ধান্তত উপনীত হ'ব নোৱাৰে। আমাৰ গাঁৱত একে দাগতে ১০ (দহ) বিঘাৰ অধিক মাটি থকা ঠাই পৰিমাণ ৩০০০ (তিনি) হেজাৰতো অধিক হ'ব। ইমানবোৰ ঠাইত বন্দবস্তি বৰ্ত্তমান ভূমি বন্দবস্তি উপদেষ্টা বোৰ্ডে কেতিয়াও দিব নোৱাৰে।

আমাৰ ভৈয়ামৰ জনজাতীয় লোকৰ উন্নয়ন ক্ষেত্ৰতো চৰকাৰে বিশেষভাবে যত্ন লৈছে বুলি নেভাবো। আমাৰ জনজাতীয় অঞ্চলসমূহ একেবাৰে পিছপৰা। বহুতো ঠাইত ডাক্তৰখানা, ৰাস্তা স্কুল আদি আজিলৈকো গঢ়ি উঠা নাই। এইবোৰ উন্নয়ন-মূলক কামৰ বাবে যথেষ্ট ধনৰ আৱশ্যক। কিন্তু আমাৰ চৰকাৰে চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত ভৈয়ামৰ জনজাতীয় লোকৰ উন্নয়নৰ বাবে খৰছ কৰিবলৈ ধৰা টকাৰ মন্জুৰী হ'ল ২.৫০ (দুই কোটি পঞ্চাচ লক্ষ্য মাত্ৰ। ৩য় পঞ্চম বাৰ্ষিক পৰিকল্পনাৰ বাবে ধাৰ্য্য হৈছিল ২.৩০ (দুই কোটি ত্ৰিশ লক্ষ্য)। গতিকে এই চৰকাৰে ভৈয়ামৰ জনজাতীয় লোকৰ উন্নতি ক্ষেত্ৰত কিমান দূৰ কাম হ'ব তাক সহজেই অনুমান কৰিব পাৰি। চতুৰ্থ পঞ্চম বাৰ্ষিক পৰিকল্পনাত ভৈয়ামৰ জনজাতীয় লোকৰ ভাৰ ৰাজ্যিক পৰ্য্যায়ত অতি কমেও ৫ (পাঁচ) ঠোটি টকা ধাৰ্য্য কৰিবলৈ প্লেনিং কমিটীৰ আগত ডাঙি ধৰা হৈছে কিন্তু আমাৰ জনজাতীয় দপ্তৰৰ তৰফৰ পৰা বিশেষ ধৰণৰ তদবিৰ নোহোৱাৰ ফলতেই ৫ (পাঁচ কোটি)ৰ পৰা গৈ ২.৫০ (দুই

কোটি পঞ্চাচ লক্ষ) পালেগৈ । আমাৰ জনজাতীয় লোকৰ বাবে মঞ্জুৰী ধাৰ্য্য কৰিবৰ সময়ত আমাৰ বিত্তমন্ত্ৰী শ্ৰীত্ৰিপাঠী ডাঙৰীয়াইও বিশেষ তৎপৰতা অৱলম্বন নকৰে । আমি জানো যে আমাৰ এই মুষ্টিমেয় টকাৰ পৰাই আমাৰ ওচৰচুবুৰীয়া অনা ট্ৰাইবেল ভাই সকলক বহুতো ক্ষেত্ৰত অনুদান দিব লগীয়া হয় । এই বিলাকৰ উপৰিও আৰু এটা ডাঙৰ কথা হৈছে যে আমৰ চৰকাৰৰ দপ্তৰ সমূহত ৪ৰ্থ শ্ৰেণীৰ চৰকাৰী চাকৰিয়াল বুলি এক শ্ৰেণীৰ লোক আছে । তেওঁলোক দেখাত সৰু হ'লেও কামত ডাঙৰ । এই শ্ৰেণীৰ লোক নহ'লে আমাৰ চৰকাৰৰ কামবোৰ কৰোতা মানুহ নাই । আমাৰ মন্ত্ৰী সকলকে এই শ্ৰেণীৰ মানুহৰ দৰকাৰ । এই ৪ৰ্থ শ্ৰেণী চৰকাৰী কৰ্মচাৰী সকলৰ কাৰণে আমাৰ চৰকাৰে বিশেষ ভাবে চিন্তা কৰা নাই । তেওঁলোকে ১০।১২ বছৰ চাকৰি কৰিলেও চাকৰিত স্থায়িত্ব নহয় । আজিলৈকে তেওঁলোক নিজে বা পৰিয়ালসমূহে থাকিবলৈ ঘৰৰ কোনো ব্যৱস্থা দিয়া নাই । তেওঁলোকে আজিৰ দিনত টাউন চহৰত ঘৰ ভাৰা লৈ থাকিবৰ সামৰ্থ নাই । যদি আমাৰ চৰকাৰে এই শ্ৰেণীৰ চাকৰিয়ালৰ পৰা কাম পাবলৈ বিচাৰে তেনেহ'লে তেওঁলোকৰ অভাৱ-অভিযোগ নানা অসুবিধা সমূহ দূৰীকৰণ কৰিবলৈ আমাৰ চৰকাৰে এটি বিশেষ ধৰণৰ ব্যৱস্থা হাতত লোৱা উচিত ।

আমাৰ ৰাজ্যপালৰ ভাষণত এনেবোৰ অতি লাগতিয়াল বিষয়ৰ উল্লেখ আৰু তাৰ তাৰ সমাধানৰ ইঙ্গিত নথকাৰ কাৰণে আমাৰ বিৰোধী দলৰ দলপতি শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্য আৰু শ্ৰীফণী বড়া ডাঙৰীয়াই অনা সংশোধনী প্ৰস্তাৱ সমৰ্থন কৰিলোঁ ।

**Shri Chatra Sing Teron** (Minister / Tribal Areas) উপাধ্যক্ষ মহোদয় মই এটা কথা clearification ৰ কাৰণে ক'ব খুজিছোঁ । যিটো কথা মাননীয় সদস্যই কৈছে তাৰ এটা ব্যাখ্যা মই নিদিলে কথাতো অসম্পূৰ্ণ হ'ব । মাননীয় সদস্য কোঁৱৰ ডাঙৰীয়াই কৈছে গুৱাহাটী আৰু উত্তৰ লক্ষীমপুৰত Tribal Belt খোলাৰ কাৰণে উপদেষ্টা পৰিষদৰ পৰামৰ্শ লোৱা নাছিল । ১৯৬৪ চনতে এই কথাটো ভৈয়ামৰ জনজাতীয় উপদেষ্টা পৰিষদলৈ Refer কৰিছিল । সেই উপদেষ্টা সমিতিৰ তেতিয়া তেখেত বিধান সভাৰ সদস্য হিচাপে উপদেষ্টা পৰিষদৰ মেম্বাৰ আছিল । সেই উপদেষ্টা সমিতিয়ে এটা উপদেশ দিছিল যে, সেই অঞ্চলৰ যিবিলাক চৰকাৰী মাটি তাৰ শতকৰা ৫০ ভাগ Tribel মানুহৰ বাবে আচুতীয়াকৈ ৰাখি উপৰুক্ত দুটা অঞ্চলৰ পৰা ট্ৰাইবেল বেল্ট বা ব্লক উঠাই দিব পাৰে বুলি উপদেষ্টা পৰিষদে সন্মতি দি তেখেত সকলে মতামত আগবঢ়াইছিল । অৱশ্যে কোঁৱৰ ডাঙৰীয়াই ক'ব নোৱাৰে, সেই উপ-দেষ্টা বৰ্ডে কি কৰিলে ।

উপাধ্যক্ষ মহোদয়, ইয়াৰ পিছত যিটো History আছে সেইটো H story হে দিব বিচাৰিছোঁ । এইটো উচিত হৈছে নে নাই সেইটো ক'ব খোজা নাই । গোটেই অসমতে যে, Tribel-belt and Block উঠাই দিয়া হৈছে এইটো নহয় । অকল গুৱাহাটী আৰু উত্তৰ লক্ষীমপুৰৰ ওচৰে পাজৰে যি Area আছে মাত্ৰ তাতহে Revenue manual ৰ chapter Xৰ operation ৰপৰা withdraw কৰা হৈছে ।

**Shri Atul Chandra Goswami**—গুৱাহাটী Tribal-beltত আমাৰ Minister সকলে নিজৰ কাৰণে মাটি লৈছে নে নাই । ?

**Shri Chatra Sing Teron** : সেইটো ক'ব নোৱাৰোঁ ।

**Shri Kamini Mohan Sarmah** উপাধ্যক্ষ মহোদয় মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়া আৰু ভট্টাচাৰ্য ডাঙৰীয়াই যি সংশোধনী প্ৰস্তাৱ আগবঢ়াইছে, মই সেই সংশোধনী প্ৰস্তাৱটো সমৰ্থন কৰিছোঁ। আমাৰ অসম ৰাজ্যৰ ৰাজ্যপাল ভাৰত চৰকাৰৰ প্ৰতিনিধি হিচাপে থাকি আৰু অসম ৰাজ্যৰ মুখপাত্ৰ হিচাপে তেখেতে তেখেতৰ ভাষণ দাঙি ধৰিছে । এই ভাষণত তেখেতে বিগত বছৰৰ গোটেই ছবি আৰু আগৰ বছৰৰ ছবিখনো আমাৰ আগত ডাঙি ধৰিছে । ইয়াত চৰকাৰ বহুতো আগবঢ়া দেখুৱাইছে । আমাৰ শাষক দলৰ তৰফৰ পৰা ক'ব বিচাৰিছোঁ যে, তেওঁলোকে বহুতো আগ বাঢ়িছে । আজি স্বাধীনতাৰ ২০ বছৰ । ২২ বছৰ পাৰ হ'ল—ৰাজ্যখনৰ প্ৰগতি শামুকৰ গতিত আগবাঢ়িছে । ইয়াৰ ভিতৰত ব্ৰমহ্‌পুত্ৰৰ ওপৰত এখন দলং হৈছে। আমি স্বীকাৰ কৰিছোঁ ৰাইজৰ আন্দোলন কৰাৰ ফলত এটা তেল শোধনাগাৰ হ'ল।

ভাৰত স্বাধীন হোৱাৰ ২২ বছৰৰ পাছত ব্ৰহম্‌পুত্ৰৰ বুকুত এখন মাত্ৰ দলং হৈছে। উদ্যোগিক ক্ষেত্ৰত জনসাধাৰণৰ উন্নতিৰ কাৰণে কি কৰিছে ? অসমত এটা মাত্ৰ তেল শোধনাগাৰ আছে । অসমত যতেই কুপ খণ্ডা হয় তাতেই খাৰুৱা তেল হয়। তেল শোধনাগাৰটো অসমত স্থাপন কৰাৰ বাবে চৰকাৰে কেন্দ্ৰক দৃঢ়তাৰে দাবী কৰিছে নে ? তেল শোধনাগাৰ স্থাপনৰ ক্ষেত্ৰত এটাৰ পাছত এটা বিসংগতি সদায়েই লাগি আছে । নানা অজুহাতত অসমৰ জনসাধাৰণক বঞ্চিত কৰিব খোজা কেন্দ্ৰৰ ষড়যন্ত্ৰ।

তাৰপাছত ৰাজ্যখনৰ medical বিভাগৰ উন্নতিৰ কাৰণে medical college হৈছে । চিলচৰত আৰু এখন medical college আৰম্ভ কৰিছে। কিন্তু স্বাস্থ্যৰ ফালৰ পৰা জনসাধাৰণে সুবিধা পাব পাৰে। গাঁৱৰ জনসাধাৰণ, খেতিয়ক জনসাধাৰণ যাক লৈ ক্ষমতাত অধিস্থিত দল বৰ্ত্তি আছে, সেই গাওঁ অঞ্চলৰ স্বাস্থ্যৰ উন্নতিৰ কাৰণে কি ব্যৱস্থা কৰিছে ? আজি তেওঁলোকক একো দিব পৰা নাই। আজি চৰকাৰে কওক, গাওঁ অঞ্চলৰ চিকিৎসাৰ কাৰণে, নিস্পেসিত জনসাধাৰণৰ কাৰণে, স্বাস্থ্যৰ কাৰণে অসমৰ গাওঁ অঞ্চলত কিমান বিলাক হস্পিটাল কৰা হৈছে ? আৰু যিবিলাক আছে তাৰ উন্নতিৰেই বা কি ব্যৱস্থা কৰিছে ! গাঁওৰ পৰা বেমাৰী লৈ আহিলে হতাশ হ'ব লাগে । হস্পিটেল আদিত ঠাই নাপায় । মই ক'ব খুজোঁ, এই অঞ্চল বিলাকত খেতিয়কৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ কাৰণে তেখেতসকলে ক'ব পাৰে—ঢেৰ স্কুল খুলিদিয়া হৈছে । কাঠফুলাবদৰে শিক্ষা অনুষ্ঠান গঢ়ি উঠা বুলি ৰাজ্যপালে কৈছে, কিন্তু এই গাওঁ অঞ্চল বিলাকত অসমৰ ইমূৰৰপৰা সিমূৰলৈকে কিমানবোৰ উন্নত ঘৰ-দুৱাৰ আদিৰে স্কুল আছে দেখুৱাব পাৰে নে ? দেখুৱাব পাৰেনে এই অঞ্চল বিলাকত যাতায়তৰ ব্যৱস্থাৰ কিমান উন্নতি হৈছে ! য'ত খেতিয়কসকলৰ খেতি ভাল হৈছে তাত কোনো ৰকমৰ যাতায়তৰ ব্যৱস্থাৰ উন্নতি হোৱা নাই । মই উদাহৰণ স্বৰূপে ক'ব খুজিছোঁ যে ৰঙিয়া সমষ্টিৰ কাউৰবহা ঠাইৰ পুঠিমাৰী নৈৰ দলংখন ১৯৬৬ চনতে বানপানীয়ে উটুৱাই নিলে ; আজিলৈকে সজা হোৱা নাই, অৱহেলা কৰিছে। ৰঙিয়া আৰু গোৰেশ্বৰৰ ট্ৰাইবেল এলেকাৰ যোগাযোগৰ ই এক মাত্ৰ ৰাস্তা।

আজি ১৯৬৯ চনতো এই ট্ৰাইবেল অঞ্চলত খেতিয়কৰ অঞ্চলত সেই দলংখন কৰা হোৱা নাই। বড়িয়া, বালিকুছি ৰাষ্টাটো পাতি দৰঙৰ মৌজাৰ লগত সম্বন্ধ কৰি কিয় নিনিলে তাক ক'ব নোৱাৰোঁ। বড়িয়া-বালিকুছি ৰাস্তাৰ পুঠিমাৰী নদীত তিতকুটি ঘাটৰ দলংখন এই চৰকাৰে জন সাধাৰণৰ উন্নয়নৰ কাৰণে যাতায়তৰ ব্যৱস্থা কৰি দিয়া নাই। চৰকাৰে ক'ব খোজে-শিক্ষাৰ ব্যৱস্থা কৰিছে, চিকিৎসাৰ ব্যৱস্থা কৰিছে, কিন্তু ক'ত, কাৰ কাৰণে কৰিছে? নগৰ চহৰৰ নাগৰিক সকলৰ কাৰণেহে, যিসকল সমাজৰ মুখা ফুটা লোক সেই সকলৰ কাৰণেহে। কিন্তু গাওঁ অঞ্চলৰ সুবিধাৰ কাৰণেতো নহয়!

গুৱাহাটী মহানগৰী হৈছে। তাত University আছে college আছে অথচ আমাৰ গাঁৱৰ প্ৰায় বিলাক জনসাধাৰণেই ল'ৰা-ছোৱালীক ভগা স্কুল ঘৰত Tribal সকলৰ ল'ৰা-ছোৱালীক পঢ়াৰ কাৰণে কি কৰিছে? মই ক'ব খুজিছোঁ যে বড়িয়াৰ Tribal অঞ্চলটোত নৰমোলি, যিখন নেহৰু High School আছে, তাৰ কাৰণে আজি ৫।৬ বছৰেও আবেদন নিবেদন কৰিও আজি পৰ্যন্ত বিল্ডিং 'গ্ৰাণ্ড' আদি পোৱা নাই। তাতে এখন কাউৰবাহা ডাক্তৰখানা আছে। তাৰো অৱস্থা তথৈবচ। মই ১৯৬৮ চনত বাজেট বক্তৃতাতে এই কথা কৈছিলোঁ। কিন্তু এনে ধৰণৰ চিকিৎসা, ৰাস্তা আৰু স্কুল বিলাকৰ এনে অৱস্থা হৈ থকাটো বৰ দুখৰ কথা, লাজৰ কথা।

মাননীয় অধ্যক্ষ মহোদয়, মই অতি দুখ পাইছোঁ, ৰাজ্যপালৰ এই ভাষণত তেখেতে ক'ব খুজিছে যে খাদ্যৰ কাৰণে আমাৰ ৰাজ্যত আন্দোলন কৰিছে, মাটিৰ কাৰণে আন্দোলন কৰিছে। আন হাতে Refinery কৰাত এই ধৰণৰ আন্দোলন চৰকাৰৰ পৰা কংগ্ৰেছৰ পৰাও চলি আছে।

আমাৰ অসমত যিটো ঘাই ৰেল পথ, তাৰ উন্নয়নৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে আজিলৈকে কোনো ব্যৱস্থা লোৱা নাই। আনকি office আদিও তেওঁলোকৰ সুবিধাৰ কাৰণেহে নিৰ্মাণ কৰা হৈছে। অসমৰ জনসাধাৰণৰ সুবিধাৰ কাৰণে নহয়। কলিকতা, আলিপুৰদুৱাৰ, নিউ বঙ্গাইগাঁৱত Zonal office আছে। অৱশ্যে তাৰে Head office টো পাণ্ডুতে আছে। এতিয়া শুনিবলৈ পোৱা গৈছে এই Zonal অফিছটো আওপকীয়াভাবে পাণ্ডু-মালিগাঁৱৰ পৰা তুলি নিয়াৰ ব্যৱস্থা কৰিছে। আৰু তাৰ দ্বাৰাই থলুৱা যুবক সকলক চাকৰীৰ পৰা বঞ্চিত কৰিব বিচাৰিছে। আজি অসমৰ জনসাধাৰণে দাবী কৰিছে যাতে অসমৰ থলুৱা শিক্ষিত যুবক সকলে তাত চাকৰি পাব লাগে। অধ্যক্ষ মহোদয়, যদি তাত থলুৱা যুবকসকলে চাকৰি নাপায় তেনে-হ'লে North East frontier Railway ৰ Development office টো গুৱাহাটীৰ উত্তৰে স্থাপন কৰিব লাগে। আৰু পূব অঞ্চলৰ যাতায়ত ব্যৱস্থাৰ উন্নতি কৰিবৰ কাৰণে তিনিচুকীয়ালৈ এই ৰেল পথটো উন্নত কৰিব লাগে। তাৰপাছত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত কচাইগাঁৱৰ পৰা ৰেল পথ ভূটানলৈকে সম্প্ৰসাৰণ কৰি নেফা-লৈকো সম্প্ৰসাৰণ কৰিব লাগে। এনেকৈয়ে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ৰেল পথৰ সম্প্ৰসাৰণ আৰু ৰাস্তাৰ উন্নতিকৰণ কৰিলেহে এই সীমান্তবৰ্ত্তী ৰাজ্যখনৰ উত্তৰ পাৰৰ অঞ্চল বিলাকৰ মাজত যোগাযোগৰ পোনপটীয়া ব্যৱস্থা হ'ব। তাৰপাছত অসমৰ সমগ্ৰ অঞ্চললৈকে ব্ৰডগজ ৰেল লাইনৰ সম্প্ৰসাৰণ হ'ব লাগে। ব্ৰহ্মপুত্ৰ উত্তৰ আৰু

দক্ষিণ পাৰ যোগীঘোপা পঞ্চৰত্নত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং দি তিনিচুকীয়ালৈকে 'ব্ৰডগজ' ৰেল লাইনটো সম্প্ৰসাৰণ কৰিব লাগে । শিলঘাট ভোমোৰাগুৰিত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ কৰি নগাঁও আৰু তেজপুৰৰ যোগাযোগ পোনপতিয়া কৰিব লাগে । তেতিয়াহে আংশিকভাবে অসমৰ যাতায়তৰ উন্নতি হ'ব । আজি বৈজ্ঞানিক যুগত, যন্ত্ৰৰ যুগত মানুহ বহুত আগবাঢ়ি গ'ল । আজি আনবিক যুগত চন্দ্ৰত মানুহ নামিবৰ কাৰণে আঁৰিয়াঅৰি কৰিছে । অথচ স্বাধীনতাৰ ২২ বছৰৰ পাছতো অসমত ব্ৰডগজ ৰেল লাইনটো কৰিবৰ কাৰণে যুঁজ কৰিবলগীয়া হৈছে। শিলঘাট ভোমোৰাগুৰিত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং, যোগীঘোপা পঞ্চৰত্নত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং যদি নহয়, ইয়াতকৈ আৰু কি দুখৰ বিষয় পৰিতাপৰ বিষয় হ'ব পাৰে ? তাৰোপৰি লামডিঙৰ পৰা বদৰপুৰলৈ যোৱা ৰেল লাইনটো ত্ৰিপুৰা পৰ্যন্ত সম্প্ৰসাৰণ কৰিব লাগে । এই ৰেল পথটো অতি গুৰুত্বপূৰ্ণ । কাছাৰ জিলাক এই ৰেল পথটোৱেই অন্যান্য জিলাৰ লগত সংযোগ কৰিছে । ই ৩২টা সুৰঙ্গ পাৰ হৈ বদৰপুৰ পাইছেগৈ । গতিকে ইয়াৰ বিপদৰ ভয় কোনো কালে নুগুছে । এই ৰেল পথটো ভালদৰে উন্নত নকৰিলে ইয়াৰ পৰা বিপদৰ ভয় চিৰকলীয়া হ'ব ।

## Adjournment

The Assembly then adjourned till 10 A.M. on Monday, the 24th February 1969.

Dated Shillong
The 22nd February 1969

U. Tahabildar
Secretary
Assam Legislative Assembly

---